# মণিকাঞ্চন

জয় গুৰু শংকৰ

শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ

Tech/RNP/GH-105/2012-14
Regd. No. 63480/95

মাহেকীয়া বাৰ্তালোচনী-

উনবিংশ বছৰ ঃ সপ্তম সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, জুন, ২০১৪ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫


**গুৰুবাণী**

মোৰ বাক্য বুলি নেৰিবা সমূলি
কৃষ্ণৰ গুণসকল।
যদি গঙ্গা জল কৰ্দ্দমে মিসল
তাতো আছে মহাফল।।
ই কথা থাকোক শুনা সৰ্ব্বলোক
কৃষ্ণত ভকতি ধৰা।
আল জাল এৰি হৰিক সুমৰি
সুখে ভৱনদী তৰা।।

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থানৰ অধিকাৰী
## শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ গৌৰৱ নাজিৰাৰ অচ্যুৎৰঞ্জন গগৈ



**নাজিৰা ঃ** অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা আয়োজিত ২০১৪ চনৰ হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত নাজিৰা জিলা শাখাৰ শ্ৰীমান অচ্যুৎৰঞ্জন গগৈয়ে অসমৰ ভিতৰতে শীৰ্ষস্থান অধিকাৰ কৰি জিলাখনি লৈ গৌৰৱ কঢ়িয়াই আনিছে। অসমৰ শিক্ষা জগতত এক নৱ উদ্ভাসিত নক্ষত্ৰ শ্ৰীমান অচ্যুৎৰঞ্জন গগৈ শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ নাজিৰা জিলা শাখাৰ চকীমুখ প্ৰাথমিকৰ অৰুণ গগৈ আৰু অনিলা গগৈ আইৰ একমাত্ৰ সন্তান। শ্ৰীমান গগৈয়ে অসমীয়াত ৯৭, ইংৰাজীত ৯৬, সমাজ বিজ্ঞানত ৯৫, বিজ্ঞানত ৯৯, অংকত ১০০ আৰু ঐচ্ছিক গণিতত ৯৮ নম্বৰ লাভ কৰি সৰ্বমুঠ ৫৮৫ নম্বৰ অৰ্জন কৰে। অসমৰ ভিতৰতে শীৰ্ষস্থান আৰোহণ কৰা ছাত্ৰজনে এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল ব্যক্তিগত খণ্ডৰ অসম জাতীয় বিদ্যালয়, নাজিৰৰ পৰা। যোৱা ২৮ মে' তাৰিখে ফলাফল ঘোষণা হোৱাৰ পাছতেই স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনৰ লোকসকলে কৃতী ছাত্ৰজনক লগত লৈ নাজিৰা নগৰৰ মাজেৰে এক শোভাযাত্ৰা কৰে, য'ত সকলো ৰাইজে স্বতস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰি তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। অচ্যুৎৰঞ্জন গগৈৰ এই সাফল্যত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তবাপ, প্ৰধান সম্পাদক বাবুল বৰাবাপ, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰবাপ, সচিব দীপজ্যোতি চহৰীয়াবাপ, (২ পৃষ্ঠাত চাওক)

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত
## ষষ্ঠ স্থান দখল কৰে ডিব্ৰুগড়ৰ তৃষ্ণা বৰুৱাই



**ডিব্ৰুগড় ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শাখাৰ চূড়ান্ত পৰীক্ষাত ডিব্ৰুগড় ছলবুক একাডেমীৰ ছাত্ৰী তৃষ্ণা বৰুৱাই মুঠ ৪৬৫ নম্বৰ লাভ কৰি অসমৰ ভিতৰতে ষষ্ঠ স্থান অধিকাৰ কৰে। উল্লেখনীয় যে এই গৰাকী ছাত্ৰীয়ে যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাতো আটাইকেইটা বিষয়ত লেটাৰ নম্বৰ সহ সেই একে ষষ্ঠ স্থান দখল কৰিছিল। বৰ্তমান ডিব্ৰুগড় ২নং পদুম নগৰ নিবাসী শিক্ষক ৰহেন বৰুৱা আৰু লুপিকা বৰুৱাৰ কন্যা তৃষ্ণা বৰুৱা ভৱিষ্যতে প্ৰশাসনিক বিষয়া হোৱাৰ মন। তৃষ্ণাই এই সাফল্যৰ বাবে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীক কৃতজ্ঞতা (২ পৃষ্ঠাত চাওক)

## শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য
## ড° কন্দৰ্প কুমাৰ ডেকাৰ দায়িত্ব গ্ৰহণ



**নগাঁও ঃ** যোৱা ২৯মে', ২০১৪ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ নগাঁও মূল কাৰ্যালয়ত বিয়লি ২ বজাত অনুষ্ঠিত হোৱা শংকৰদেৱ মহাপুৰুষ শ্ৰীমন্ত পৰিচালনা বিশ্ববিদ্যালয়ৰ দ্বিতীয়খনি সমিতিৰ এই শিক্ষাবৰ্ষত গুৰুত্বপূৰ্ণ বৈঠকে তিনিটা বিশেষ অতি কমেও জৰিয়তে বিভাগ মুকলিৰ মহাপুৰুষ ২০১৪ বৰ্ষৰ পৰাই বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ কৰাৰ সিদ্ধান্ত শ্ৰেণীসমূহ মুকলি লয়। 'Sankaradev Studies'ৰ জৰিয়তে M.Phil আৰু Ph.D. পাঠ্যক্ৰম মুকলি কৰাৰ উপৰিও Assamese, Education, Sociology আদি পাঠ্যক্ৰম মুকলিৰ (২ পৃষ্ঠাত চাওক)

## গুৰুধৰ্মৰ কাণ্ডাৰী
## মহাপুৰুষ মাধৱদেৱ


**ভবেন্দ্ৰ নাথ ডেকা**

**উপ-পদাধিকাৰ, শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ**


মহাপুৰুষ মাধৱদেৱৰ সুদীৰ্ঘ এশ সাত বছৰীয়া সংগ্ৰামী, বৈচিত্ৰময় মহাজীৱনৰ শেষছোৱা সৰ্বাধিক মহত্বপূৰ্ণ। ১৪১১ শকৰ জেঠ মাহৰ কৃষ্ণপক্ষৰ প্ৰতিপদ তিথি দেওবাৰে ৰাতি দুপৰত লেটেকুপুখুৰী ৰঙাজানত মহাপুৰুষ মাধৱদেৱে আৱিৰ্ভাৱ হৈ ১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণ পক্ষৰ পঞ্চমী তিথি বেলা ডেৰ পৰত বেহাৰ ৰাজ্যৰ ভোলাদুৱাৰত নৰনাট সামৰিছে। খৃষ্টাব্দৰ হিচাপত ১৪৮৯ চনৰ পৰা ১৫৯৬ চনলৈ এই এশ সাত বছৰীয়া জীৱন বেখাডাল আমি তিনিভাগত বিভক্ত কৰিব পাৰোঁ। এই তিনিওটা ভাগতে মহাপুৰুষ মাধৱদেৱৰ তিনিটা বিশেষ চাৰিত্ৰিক বৈশিষ্ট্য সণ্ঢালনীকৈ উপলব্ধ হয়। ১৪৮৯ খ্ৰীষ্টাব্দৰ পৰা ১৫২২ খ্ৰীষ্টাব্দত (গুৰু শ্ৰীমন্ত শংকৰদেৱৰ সৈতে ধুৱাহাটা বেলগুৰিত 'মণিকাঞ্চন সংযোগ' হোৱালৈকে এই ৩৩ বছৰ সময়খিনি তাৰাৰ জীৱনৰ (১৪ পৃষ্ঠাত চাওক)

## 'সোণাৰাম চুতীয়া আন্তঃৰাষ্ট্ৰীয় বঁটা'
### বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণি

**মৰিগাঁও ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াবাপৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণী অনুষ্ঠানভাগি শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ মৰিগাঁও জিলা শাখাৰ আতিথ্যত মৰিগাঁৱৰ গান্ধী ভৱন প্ৰাঙ্গণত যোৱা ৮ জুন তাৰিখে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা ৯ বজাত গান্ধী ভৱন প্ৰাঙ্গণত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ ধৰ্মধ্বজা উত্তোলনেৰে শুভাৰম্ভ কৰে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্ত বাপে। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাখনিৰ পদাধিকাৰ ৰজনীকান্ত দত্তবাপে সভাপতিত্ব কৰা সভাখনি উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰা বাপে। উদ্বোধনী ভাষণত বৰাবাপে বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ অসমীয়া জাতি আৰু শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘত তেখেতৰ অৱদান কথা শ্ৰদ্ধাৰে সোঁৱৰে। স্মৃতিচাৰণ সভাখনিত শ্ৰদ্ধাৰ চুতীয়া বাপৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি (২ পৃষ্ঠাত চাওক)

## বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া ঃ
## এটি অনুভৱ


**ৰজনীকান্ত দত্ত**

**পদাধিকাৰ, শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ**


জন্ম শতবৰ্ষ অনুষ্ঠান ঃ এজন বিদগ্ধ মহাপুৰুষীয়াৰ শতবৰ্ষ। ২০১৪ খ্ৰীষ্টাব্দৰ ৮ জুন তাৰিখৰ পৰা আৰম্ভ হৈছে। এই মহান অনুষ্ঠানটিৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ। অন্ত পৰিব ২০১৫ খ্ৰীষ্টাব্দৰ ৮ জুন তাৰিখত। এইশতবৰ্ষ আৰম্ভ হ'ব শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ শিৰোমণি, অগাধ পাণ্ডিত্যৰ অধিকাৰী, স্বনামধন্য সোণাৰাম চুতীয়া আতাৰ। এইজন মহামনিষাই ১৯১৫ চনৰ ৮ জুন তাৰিখৰ পৰা ২০১৩ চনৰ ৩০ জানুৱাৰী পৰ্যন্ত এটি মহা জীৱনৰ গৰাকী হৈ ধৰ্ম-ভক্তি, সাহিত্য-সংস্কৃতি, স্বদেশ-স্বজাতিৰ বাবেই সেৱা আগবঢ়াই গ'ল। জীৱনৰ প্ৰতিটো পল, প্ৰতিটো অনুপল তেওঁ নিৰৱচ্ছিন্ন ৰূপত মহাপুৰুষীয়া ধৰ্ম ভক্তিৰ। সত্য শুদ্ধ ৰূপত প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে, একশৰণ হৰি নাম ধৰ্ম ব্যভিচাৰহীন ৰূপত সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ অৰ্থে অহোপুৰুষাৰ্থ কৰি গ'ল। সমসাময়িক সমাজখনৰ (১২ পৃষ্ঠাত চাওক)

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত

( ১ পৃষ্ঠাৰ পৰা )

আই-মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা ৰূপা চুতীয়া আই প্ৰমুখ্যে বিভিন্ন জিলা বাপ-আই সমস্ত আৰু নাজিৰা জিলা শাখাৰ বাপ-আই সমস্তয়ো মেধাবী ছাত্ৰজনক শুভেচ্ছা জ্ঞাপন কৰে।

১৯৯৭ চনৰ ২৪ নবেম্বৰ তাৰিখে নাজিৰা মহকুমাৰ চকুমুখ অঞ্চলৰ হালোৱা গাঁৱত জন্মগ্ৰহণ কৰা শ্ৰীমান গগৈয়ে ২০০২ চনত নাজিৰা জাতীয় বিদ্যালয়ত অংকুৰ শাখাত নামভৰ্তি কৰে। সৰুৰে পৰা পঢ়াৰ লগতে অন্যান্য সকলো দিশত সমানে পাৰদৰ্শী অচ্যুৎৰঞ্জনে বিদ্যালয়ৰ শিক্ষকসকলৰ লগতে আন সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁ ইতিপূৰ্বে কেবাবাৰো সঁফুৰা বৃত্তি লাভ কৰাৰ লগতে বিভিন্ন ধৰণৰ সাহিত্যৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠতা দখল কৰি বুৎপত্তিৰ পৰিচয় দিছিল। ২০১৩ চনত নাজিৰা গ্ৰন্থমেলাত আয়োজিত বিভিন্ন সাহিত্যৰ প্ৰতিযোগিতাত সৰ্বমুঠ ৮০ (আশী)খনৰো অধিক গ্ৰন্থ পুৰস্কাৰ হিচাপে লাভ কৰি সকলোৰে ভূয়সী প্ৰশংসা লাভ কৰিছিল। নাজিৰা জিলা সেৱাবাহিনীৰ সেৱক অচ্যুৎৰঞ্জন গগৈয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আয়োজন কৰা প্ৰতিযোগিতাত জিলা পৰ্যায়ত কেইবাবাৰো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি মূল পৰ্যায়লৈয়ো নিৰ্বাচিত হৈছিল। আজিৰ সময়ত বিভিন্ন গ্ৰন্থ, উপন্যাস, প্ৰবন্ধ আদি পঢ়াৰ উপৰিও খেলা-ধূলা কৰিও তেওঁ ভাল পায়।

নিজ পুত্ৰৰ সাফল্যত সুখী পিতৃ-মাতৃয়ে কয় যে ফলাফল লাভ কৰাৰ পাছতে সমাজৰ সৰ্বস্তৰৰ ৰাইজে যি ধৰণে উৎসাহিত কৰাৰ লগতে আনন্দিত হৈছে, তাতহে তেওঁলোকে প্ৰকৃত সুখ পাইছে বুলি মন্তব্য কৰে। পিতৃ অৰুণ গগৈয়ে বৰ্তমানে চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহক কৰি আছে। মাতৃ অনিলা গগৈও সেই চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মানীয় অধ্যক্ষা হিচাপে ২০১২ চনৰ পৰা কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভজনীয়া সংগী পিতৃ অৰুণ গগৈয়ে নাজিৰা জিলা শাখাৰ যুটীয়া সম্পাদক আৰু নিৰ্মাণ শাখা সমিতিৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মাতৃ অনিলা গগৈও নাজিৰা জিলাৰ শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সহ-সম্পাদিকাৰ পদত থাকি জিলা শাখাখনলৈ অৰদান আগবঢ়াইছিল। ২০০৯ চনৰ ৭৮সংখ্যক মূল অধিৱেশনৰ আদৰণী সমিতিৰ যুটীয়া সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ বিষয়-বাবো অৰুণ গগৈবাপে পালন কৰিছিল।❑

## ডিব্ৰুগড়ৰ তৃষ্ণা বৰুৱা

( ১ পৃষ্ঠাৰ পৰা )

জনোৱাৰ লগতে ককাক ঘন বৰুৱাকে মুখ্য কৰি মাক-দেউতাক আৰু পৰিয়ালৰ সকলো সদস্যকে কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ডিব্ৰুগড় জিলাৰ নিৰ্মল আঞ্চলিক শাখাৰ অন্তৰ্গত ৰহমৰীয়া মৌজাৰ গড়পৰা কোঁৱৰগাঁওস্থিত দয়াময় প্ৰাথমিক শাখাৰ সঙ্গী শিক্ষক ৰহেন বৰুৱা আৰু লুপিকা বৰুৱাৰ কন্যা তৃষ্ণা বৰুৱাই প্ৰাথমিক শাখাৰ লগতে আঞ্চলিকলৈয়ো গৌৰৱ কঢ়িয়া আনিছে। তৃষ্ণাই পৰীক্ষাৰ আগত প্ৰতি দিনে ৬/৭ ঘণ্টাকৈ অধ্যয়ন কৰাৰ লগতে ঘৰুৱা গণিত বিষয়ৰ শিক্ষকৰ সহায় লৈছিল। সঙ্গীতৰ প্ৰতি ৰাপ থকা তৃষ্ণা বৰুৱাই সমান্তৰালভাৱে শাস্ত্ৰীয় সঙ্গীতৰ চৰ্চাও অব্যাহত ৰাখিছে। তৃষ্ণাৰ এই সাফল্যৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ পদাধিকাৰ ৰজনীকান্ত দত্ত, প্ৰধান সম্পাদক বাবুল বৰাবাপ, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰবাপ আৰু সচিব দীপজ্যোতি চহৰীয়াবাপে শুভেচ্ছা জনাইছে।❑

## প্ৰথম উপাচাৰ্য

( ১ পৃষ্ঠাৰ পৰা )

সম্ভাৱনা আছে। ইয়াৰ উপৰিও বহিঃৰাজ্যলৈ ছাত্ৰ-ছাত্ৰীৰ বহিৰ্গমন ৰোধ কৰিব পৰাকৈ কাৰিকৰী শিক্ষা প্ৰদানৰ বিষয়েও গুৰুত্ব দিয়া হ'ব। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি Distance Education মুকলি কৰাৰো চিন্তা-চৰ্চা কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱন-দৰ্শন আৰু কৰ্মৰাজিৰ সম্পৰ্কে অধ্যয়ন কৰাৰ উপৰিও ভাৰতীয় দৰ্শন, ভাৰতীয় ভক্তি আন্দোলন, উত্তৰ-পূৰ ভাৰতৰ কলা-কৃষ্টিৰ সম্যক জ্ঞান দিব পৰাকৈ সকলো ধৰণৰ পাঠ্যক্ৰম থাকিব— এই বিশ্ববিদ্যালয়ত। Performing Arts, Vocal Music, Sankari Dance আদি বিষয়ো সামৰি লোৱা হ'ব পাঠ্যক্ৰমত। বিশেষকৈ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ ক্ষেত্ৰত বিশেষ ৰেহাই থাকিব এই বিশ্ববিদ্যালয়ত। 'অসম ব্যক্তিগত বিশ্ববিদ্যালয় ২০০৭'-ৰ জৰিয়তে অনুমতিপ্ৰাপ্ত এই বিশ্ববিদ্যালয়ে অসমৰ যিকোনো স্থানত বিভাগ মুকলি কৰাৰ সুবিধা পাব। কাৰিকৰী কাৰণত আন বিশ্ববিদ্যালয়ে মুকলি কৰিব নোৱাৰা বহু বিভাগ মুকলিৰ পূৰ্ণ সুবিধা থকা এই বিশ্ববিদ্যালয়খনে পৰৱৰ্তী সময়ত অসমৰ ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰি অন্যান্য বিভাগ মুকলি কৰাৰো পৰিকল্পনা কৰে। Private University Act 2007 মতেই যথাৰীতি (As per noms)ত বিশ্ববিদ্যালয় পৰিচালিত হ'ব। উত্তৰ-পূৰ ভাৰতত বিশেষকৈ অসমৰ সমাজ জীৱনত বৰ্তমানে চলি থকা প্ৰতিভাৰ বহিৰ্গমন ৰোধ কৰি সময়ৰ বুদ্ধিমত্তাক সময় সাপেক্ষ ৰূপত দেশ আৰু সমাজ জীৱনৰ কল্যাণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা এখন ক্ষেত্ৰ ৰূপে এই বিশ্ববিদ্যালয়ক গঢ় দিয়াৰ চেষ্টা কৰা হ'ব।

**উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা ঃ**

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাদেৱ অসমৰ শিক্ষা তথা বৌদ্ধিক মহলৰ এটি পৰিচিত নাম। দীৰ্ঘদিন শিক্ষাৰ লগত জড়িত ড° ডেকাদেৱে ইয়াৰ আগেয়ে Academic Register (DU), Controller of Examination, Director, College Development Council, Dibrugarh University's Registrar Co-ordinator, NSS আদি গধুৰ দায়িত্ব সুকলমে পালন কৰি আহিছে। ২০১০ বৰ্ষত Amity Academic Excellence Award (Noida), Innovative B. School Award (2011, Mumbai), ET Now National Education Award (2013) আদিৰে সন্মানীত ড° ডেকা দেশ-বিদেশৰ বিভিন্ন International Seminar আদিত অংশগ্ৰহণ কৰি ৰাজ্যলৈ সুখ্যাতি কঢ়িয়াই আনে। ড° ডেকাদেৱে এই বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী উপাচাৰ্য হিচাপে কাৰ্যভাৰ লোৱাত ড° ডেকাদেৱলৈ সকলোৰে হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই কৃতজ্ঞতা জনায়।❑

## আন্তঃৰাষ্ট্ৰীয় বঁটা'

( ১ পৃষ্ঠাৰ পৰা )

বক্তৃতা আগবঢ়ায় শান্তি সাধনা আশ্ৰমৰ কুলপতি হেমভাই, ৰাজগড় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ হাজৰিকাবাপ, ড° পূৰ্ণচন্দ্ৰ দলৈ বাপ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপ-পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাবাপে। স্মৃতিচাৰণ সভাখনি মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নবেন্দ্ৰনাথ কেওটদেৱে 'মহীৰূহ' নামৰ এখনি স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

ইয়াৰ আগতে মৰিগাঁৱৰ গান্ধী ভৱনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্ত বাপ, উপ-পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাবাপ আৰু প্ৰধান সম্পাদক বাবুল বৰাবাপে এখনি সংবাদ মেলক সম্বোধন কৰে। উক্ত সংবাদ মেলতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰাক্তন পদাধিকাৰ তথা বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া বাপৰ সোঁৱৰণত এটি আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদানৰ কথা ঘোষণা কৰে। ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ সৃষ্টি, মাহাত্ম্য আৰু কৰ্মৰাজিৰ প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰা বিখিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত থাকিব নগদ এক লাখ টকা, এখনি প্ৰশস্তি পত্ৰ, চাদৰ আৰু কিতাপৰ টোপোলা এটা। বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াবাপৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান ২০১৫ চনৰ ৮ জুনত যোৰহাটত অনুষ্ঠিত হ'ব আৰু অনুষ্ঠানতেই বঁটা প্ৰাপকৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব।❑

# শোকবাৰ্তা

**শিৱসাগৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক আনন্দ কুমাৰ বৰাবাপৰ পিতৃ ভুষণ চন্দ্ৰ বৰাবাপ যোৱা ৬জুন তাৰিখে বাৰ্ধক্যজনিত কাৰণত বৈকুণ্ঠী হয়। ১৯৩১ চনত জন্মগ্ৰহণ কৰা ভুষণ চন্দ্ৰ বৰাবাপ শিৱসাগৰ জিলাৰ দিখৌমুখ আঞ্চলিক শাখাৰ অন্তৰ্গত ভৰলুৱা প্ৰাথমিকৰ এগৰাকী একনিষ্ঠ সঙ্গী আছিল। মৃত্যু সময়ত দুগৰাকী পুত্ৰ, তিনি গৰাকী কন্যা সন্তান এই সংসাৰত এৰি থৈ যায়। বাপজনাৰ বিয়োগত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ, প্ৰধান সম্পাদক প্ৰমুখ্যে বহু বিষয়ববীয়াই শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।❑



**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ডিব্ৰুগড় জিলাৰ নিৰ্মল আঞ্চলিক শাখাৰ দয়াময় প্ৰাথমিক শাখাৰ একনিষ্ঠ বৰ্ষীয়ান সঙ্গী জীৱন কোঁৱৰ যোৱা ৩০/১/২০১৪ তাৰিখে বৈকুণ্ঠী হয়। ৰহমৰীয়া মৌজাৰ ফুকনৰ খাটগাঁৱত ১৯৩৬ চনত জন্মগ্ৰহণ কৰা জীৱন কোঁৱৰ বাপজনাই ৭৮ বছৰ বয়সত বৈকুণ্ঠী হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তেখেত এজন একনিষ্ঠ সঙ্গী, সমাজসেৱক তথা প্ৰাথমিক শাখাৰ পৰা জিলা শাখালৈকে বিভিন্ন সময়ত বিভিন্ন বিষয়বাব আৰু দায়িত্ব গ্ৰহণ কৰাৰ উপৰিও মণিকাঞ্চন বাৰ্তালোচনীৰ প্ৰতিষ্ঠাপক এজেন্ট হৈ বৈকুণ্ঠী কাললৈকে দায়িত্ব গ্ৰহণ কৰিছিল। বাপজনাৰ বৈকুণ্ঠীত অঞ্চলটোৰ লগতে প্ৰাথমিক শাখা আৰু আঞ্চলিক শাখাই গভীৰ শোক প্ৰকাশ কৰে।❑



**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ডিব্ৰুগড় জিলাৰ নিৰ্মল আঞ্চলিক শাখাৰ অন্তৰ্গত অময়াপুৰী প্ৰাথমিক শাখাৰ একনিষ্ঠ সঙ্গী নৰেন গগৈ বাপ যোৱা ২৭মে', ২০১৪ তাৰিখে বৈকুণ্ঠী হয়। লোহালীগাঁৱত বসবাস কৰা বাপজনা ১৯৫১ চনত জন্মগ্ৰহণ কৰি লোহালী মধ্য ইংৰাজী বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে শিক্ষকতা কৰিছিল। বাপজনাৰ বৈকুণ্ঠীত অঞ্চলটোৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, আঞ্চলিক শাখা আৰু প্ৰাথমিক শাখাই গভীৰ শোক প্ৰকাশ কৰে।❑



**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত গোলাঘাট আঞ্চলিক শাখাৰ একান্ত সঙ্গী দিবাকৰ ফুকন বাপজনা ১৮/০৫/২০১৪ তাৰিখে নিশা যোৰহাট মেডিকেল কলেজ হস্পিতালত চিকিৎসাধীন অৱস্থাত বৈকুণ্ঠী হয়। তেখেত কৃষি বিভাগৰ কৰ্মচাৰী। প্ৰয়াত বাপজনা চাকৰি সূত্ৰে বিভিন্ন ঠাই ঘূৰি শেষত গোলাঘাট মিছ্নপট্টীৰ ওচৰৰ বিপিন ফুকন নগৰৰ বাসিন্দা হৈ বিভিন্ন সামাজিক, ধৰ্মীয় কামৰ লগত জড়িত হৈ পৰে। তেখেত বনমালী প্ৰাথমিক শাখাৰ উপদেষ্টা, গোলাঘাট আঞ্চলিক শাখাৰ সাহিত্য শাখাৰ সম্পাদক, মৃত্যু সময়ত তেখেতে আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সভাপতি আৰু মূলৰ আৰ্থিক বিকাশ সমিতিৰ সক্ৰিয় ক্ষেত্ৰকৰ্মী হিচাপে সেৱা আগবঢ়াই আছিল। তেখেত লিখা-মেলা, অভিনয়, বাদ্য, কুটীৰ শিল্প আদি সাংস্কৃতিক প্ৰেমী আছিল। মৃত্যুৰ সংযত তেখেতৰ বয়স ৬৬ বছৰ আছিল।❑



**গুৱাহাটী মহানগৰী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৱাহাটী মহানগৰী জিলা শাখাৰ বদুলাআতা ডিমৰীয়া আঞ্চলিক শাখাৰ অন্তৰ্গত সোণাপুৰ প্ৰাথমিক শাখাৰ উঁযাৰাণী ডেকাআইৰ একমাত্ৰ পুত্ৰ ৰণদ্বীপ ডেকা বাপজনা ২৬ মে' ২০১৪ তাৰিখে বৈকুণ্ঠগামী হয়। বাপজনা ১৯৪৭ চনৰ ৯ ছেপ্টেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰিছিল। বাপজনাই মেঘালয়ৰ বৰ্ণিহাটৰ ৰংচ'কোনা (Rongsokona) হাইস্কুলত শিক্ষকতা কৰিছিল। প্ৰয়াত বাপগৰাকীয়ে মাতৃ, পত্নী আৰু দুজন পুত্ৰ শিশু ইহ সংসাৰত এৰি থৈ যায়।❑



# নাম-ঘোষাত মাধৱদেৱৰ ভক্তিৰ স্বৰূপ

ড° সুধেন্দু মোহন ভদ্ৰ

নাম-ঘোষা মাধৱদেৱৰ অনবদ্য অৱদান, অনন্য কীৰ্তি। কীৰ্তিত এইজনা সিদ্ধকবিৰ কৃতিত্ব সীমিত নহয়; অসীম অনন্ত দৃশ্যাতিগ; অমূৰ্ত সত্বাৰ তত্বত তেওঁৰ ধ্যান-স্তিমিত নয়ন যুগল উদ্ভাসিত। তেওঁ জীৱৰ সত্তাক আত্মৰতিৰে ৰসাপ্লুত কৰি ইন্দ্ৰিগ্ৰাহ্য আন কোনো ৰসানুভূতিক স্বীকাৰ কৰিব পৰা নাই। বাস্তৱৰ সুখ-দুখ আদিৰ অস্তিত্বত তেওঁৰ কোনো আসক্তি নাই। তেওঁৰ আসক্তি নামামৃতৰূপ কেৱল হৰিৰ নামতহে। নামৰ জপমালাত তেওঁ নিজ বিলয় উপলব্ধি কৰিছে। নামতেই শৰণ লৈছে আৰু নামতেই দাস্যভাৱৰ শুশ্ৰূষাৰ ব্ৰত ধাৰণ কৰিছে। নামৰ লহৰ নাম-ঘোষাৰ পদত বিৰিঙি আছে। নামত প্ৰত্যায়িত একান্ত নৈষ্ঠিক শৰণ আৰু মানসিক উপচাৰেৰে নামৰ মাহাত্ম্যত আত্মবিলুপ্তিৰ সুস্পষ্ট নিনাদ তাত সততে উপলব্ধ হোৱাতো আমাৰ কাৰণে ক'বলগীয়া কথাই নহয়, ই স্বতঃসিদ্ধ আৰু স্বতঃ প্ৰামাণ্য।

মাধৱদেৱৰ ভক্তি অহৈতুকী। কোনো হেতুত তাৰাৰ আস্থা নাই। তাৰাৰ ভৰসা, বিশ্বাস আনকি তাৰাৰ অস্তিত্বও ভক্তিত অৰ্পিত আৰু প্ৰতিষ্ঠিত। এনেকুৱা ভক্তিকেই ভাগৱতত নিৰ্গুণ ভক্তি বোলা হৈছে। ভাগৱত শাস্ত্ৰত উক্ত হৈছে যে যি ভক্তি হেতুৰহিত, নিৰৱচ্ছিন্ন আৰু পৰমপুৰুষত অৰ্পিত সেয়াই নিৰ্গুণ ভক্তি। তেনেকুৱা ভক্তিত দান আৰু গ্ৰহণ আদিৰ কোনো বাসনা নাথাকে। তাত কেৱল ভগৱান কৃষ্ণৰ সেৱাৰ বাহিৰে আন একোৱেই নাথাকে। তেনেকুৱা ভক্তিয়েই আত্যন্তিক ভক্তি, তেনেকুৱা ভক্তি তিনি গুণ অৰ্থাৎ সত্ব, ৰজঃ আৰু তমো গুণৰ অতীত। নিৰ্গুণ ভক্তিৰ কথাখিনি ভাগৱতত এইদৰে উক্ত হৈছে—

"লক্ষণং ভক্তিযোগস্য নিগুৰ্ণস্য হ্যুদাহৃতম্।
অহৈতুক্যব্যৱহিতা যা ভক্তিঃ পুৰুযোত্তমে।।
সালোক্যসাৰ্ষ্টিসামীপ্য সাৰৈপ্যেকত্বমপ্যুত।
দীয়মানং ন গৃহ্নন্তি বিনা মৎসেৱনং জনাঃ।।
স এব ভক্তিযোগাথ্য আত্যন্তিক উদাহৃতঃ।
যেনাতিব্ৰজ্য ত্ৰিগুৰ্ণং মদ্ভাবয়োপপদ্যতে।।"
(৩/১৯/১২-১৪)

উদ্ধৃত শ্লোকফাকিত পাঁচ প্ৰকাৰ মুক্তিৰ উল্লেখো দেখা যায়। মাধৱদেৱে কোনো ধৰণৰ মুক্তিকো কামনা নকৰে। ভগৱান কৃষ্ণৰ সেৱাৰ বাহিৰে আন কোনো কিছু তেওঁৰ কাম্য নহয়। কৃষ্ণৰ সেৱা আৰু তেওঁৰ ভাৱতেই নিৰন্তৰ তন্ময় হৈ থাকে। ভগৱন্ত কৃষ্ণৰ শৰণৰ বাহিৰে তেওঁ অন্য ধাৰণাই কৰিব নোৱাৰে। ঘোষাৰ দ্বিতীয় পদত মহাপুৰুষজনাই প্ৰকাশ কৰি গৈছে—

"সদানন্দ সনাতনহেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত।।"

ঘোষাত হৃদয়ৰ কথা উল্লেখ কৰা হৈছে। কৃষ্ণৰ নাম শ্ৰৱন আৰু স্মৰণ স্থায়ী হ'ব লাগিব। তেতিয়াহে কৃষ্ণৰ প্ৰতি অনুৰাগ বাঢ়িব। মুখেৰে কেৱল কৃষ্ণৰ নাম লোৱাটোৱেই যথেষ্ট নহয়, অন্তৰত সেই নাম ধাৰণ কৰিব লাগিব। বেদান্তত কোৱা হৈছে যে আত্মাকেই শুনিব লাগে, বাৰে বাৰে মনত ভাবিব লাগে আৰু আত্মাকেই দিনে নিশাই অবিৰত ধ্যান কৰিব লাগে— " আত্মা বা অৰে দ্ৰষ্টব্য ঃ শ্ৰোতব্যো মন্তব্যো নিদিধ্যাসিতব্যঃ" অৰ্থাৎ আত্মাকহে দৰ্শন কৰিব লাগিব, শ্ৰৱণ কৰিব লাগিব, মনন কৰিব লাগিব আৰু নিশ্চিন্তৰূপত ধ্যান কৰিব লাগিব। কীৰ্ত্তন, অৰ্চ্চনা, বন্দনা আদি আত্যন্তিক ভাৱত মনন আৰু নিদিধ্যাসনত পৰ্য্যবসিত হয় তেতিয়া ভক্তিৰ বিভিন্ন স্তৰৰ পাৰ্থক্য উপাসকে উপলব্ধি কৰিবই। তেনেকুৱা অৱস্থাত ভক্তৰ ভক্তিত সকলো সোপান একাকাৰ হৈ পৰে।

সেব্য কৃষ্ণ দশ অৱতাৰ মূল। ভগৱান কৃষ্ণই মৎস্য, কূৰ্মৰে আদি কৰি অৱতাৰৰ ৰূপত অৱতীৰ্ণ হৈ ভক্তৰ মনৰ বাঞ্ছা পূৰ্ণ কৰিছে। এতেকে কৃষ্ণৰ বাহিৰে আন সেৱ্য একোৱেই নাই। কৃষ্ণই একমাত্ৰ উপাস্য। কৃষ্ণ পদটোৱেই জীৱনৰ প্ৰবৃতি আৰু নিবৃত্তি সূচক। কেৱল প্ৰবৃত্তিত আত্মৰতি সিদ্ধ নহয় বা হ'ব নোৱাৰে। প্ৰবৃতিৰপৰা নিবৃত্তিত চিত্ত জাগ্ৰত নহ'লে জীৱনৰ উদ্দেশ্য সাধন নহয়। সংসাৰত প্ৰবৃত্ত হ'বই লাগিব— এয়েই সাধাৰণ নীতি। অৱশ্যে আজন্ম সিদ্ধ জীৱনৰ কথাটো সম্পূৰ্ণ সুকীয়া। সংসাৰত থাকিও জীৱে কৃষ্ণ নাম শ্ৰৱণ কীৰ্ত্তনেৰে চিত্ত শুদ্ধি কৰি সদানন্দ আত্মৰতি লাভৰ পন্থা নাম-ঘোষাত উক্ত হৈছে। অৱশ্যে উপাসকে সেইটোৰ প্ৰতিও উদাসীনতা পোষণ কৰিছে কৃষ্ণ নাম জপ কৰিব লাগিব। কাৰণ, ভক্তি হেতু শূন্য হ'লেহে ভক্তিৰে পৰম তৃপ্তি সম্ভৱ। আত্মৰতি লাভৰ আশাত কৃষ্ণ নাম জপ কৰিব নালাগে। কৃষ্ণৰ প্ৰতি থকা ভক্তিহে কেৱল কাম্য এনেকুৱা ভাৱৰহে অৱস্থান কৰিব লাগে। মাধৱদেৱে কৈছে—

"নিৰাশা ঈশ্বৰ কৃষ্ণ তাহাঙ্ক সমুখ ভৈলে
আশাক যিজনে পিঠি দিল।।'

সেৱ কৃষ্ণৰ ভক্তিত ভক্তিৰ বাহিৰে আন কোনো কামনা বা বাসনা থাকিব নোৱাৰে; ভগৱানৰ প্ৰীতিৰ হকে কৃষ্ণপৰায়ন হোৱাতহে নামৰ সাৰ্থকতা। তেনেকুৱা ভক্তিত দেৱযজ্ঞ, পিতৃযজ্ঞ, স্থান আৰু দান আদিৰ সকলো ফল লাভ হয়। কিন্তু, এইখিনিতেই এইটো মন কৰিব লাগিব যে ঐহিক আৰু আমুষ্মিক ফল লাভ সাৰোগত কৰি কৃষ্ণৰ নাম ল'বলৈ গ'লে ভক্তি নিসিজে। কাৰণ, মাধৱ পুৰুষে কৈছে যে আশাৰ বশৱৰ্তী হৈ কৃষ্ণৰ নাম জপ কৰিব নালাগে। কৃষ্ণৰ নাম শ্ৰৱন আৰু হৃদয়ত নিৰত ধাৰণ কৰিলে চিত্তৰ সকলো মল অৰ্থাৎ 'দুৰ্বাসনা' আঁতৰ হয়— " কৰ্ণপথে ভকতৰ হিয়াত প্ৰৱেশি হৰি দুৰ্বাসনা হৰে সমস্তয়।।"

ভগৱান কৃষ্ণৰ নাম শ্ৰৱন আৰু কীৰ্ত্তনৰ

(৭ পৃষ্ঠাত চাওক)

# তিৰুপতিত 'পৰিৱেশবিদ শঙ্কৰদেৱ' আলোচনা ঃ এটি অভিজ্ঞতা

ড° হৰিচৰণ দাস

২০০৭ চনৰ মাৰ্চ মাহত এক সঞ্জীৱনী পাঠ্যক্ৰমত (Refresher course) অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে, অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি চহৰৰ ভেঙ্কটেশ্বৰ বিশ্ববিদ্যালয়ৰ একাডেমিক ষ্টাফ কলেজলৈ গৈছিলোঁ। এই পাঠ্যক্ৰমৰ বিষয় আছিল পৰিৱেশ অধ্যয়ন। যিকোনো বিভাগৰ মহাবিদ্যালয় শিক্ষকে অংশগ্ৰহণ কৰাৰ বাবে মুকলি এই পাঠ্যক্ৰমত ভাৰতৰ আঠখন ৰাজ্যৰ প্ৰায় দুকুৰি শিক্ষকে অংশগ্ৰহণ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ অংশগ্ৰহণকাৰী আছিলো আমি। পাঠ্যক্ৰমৰ নিয়মাৱলী অনুযায়ী প্ৰতিজন অংশগ্ৰহণকাৰীয়ে পৰিৱেশ সম্পৰ্কীয় কোনো এটা বিষয়ত গৱেষণা পত্ৰ পাঠ কৰাটো বাধ্যতামূলক আছিল। আমি এই সুযোগ গ্ৰহণ কৰি বিষয় বাচি লৈছিলো— 'পৰিৱেশবিদ শঙ্কৰদেৱ'। এই গৱেষণা পত্ৰখন পাঠ কৰাৰ বাবে আমি তালৈ যোৱাৰ আগতেই প্ৰস্তুত হৈ গৈছিলো আৰু সেইবাবে কেইটামান শিলিখাও লৈ গৈছিলো। দাক্ষিণাত্যত শিলিখা পাবলৈ নাই। কিন্তু শিলিখাৰ সৈতে স্বাস্থ্য আৰু পৰিৱেশৰ যি সম্পৰ্ক তাক বুজাবলৈকে আমি লৈ গৈছিলো।

মহাপুৰুষ গুৰুজনাৰ এই পৰিৱেশমূলক কৰ্মৰাজি আমি তুলি ধৰিবলৈ চেষ্টা কৰিছিলো তেওঁৰ ৰচনাৰাজি, তেওঁৰ বাণী আৰু তেওঁৰ কৰ্মৰাজিত থকা পৰিৱেশমূলক শিক্ষাৰে। গুৰুজনাৰ জীৱনৰ প্ৰকৃতিপ্ৰেমমূলক ঘটনাৰাজিকো আমি তুলি ধৰিছিলো। আলোচনাত উপস্থিত আছিল তিৰুপতিৰ প্ৰতিথযশা চিত্ৰকৰ এছ. সত্য নাৰায়ণ। সত্য নাৰায়ণে মহাপুৰুষ শঙ্কৰদেৱৰ এখন স্কেচছ আঁকি দিছিল ব'ৰ্ডত, কিন্তু তেওঁ আঁকিছিল চুলি খুৰোৱা টিকণি থকা শঙ্কৰদেৱ। আমি কৈছিলো— শঙ্কৰদেৱৰ চুলি আছিল, ভগৱান শ্ৰীকৃষ্ণৰ দৰে চুলি। তেতিয়া তেওঁ আকৌ চুলিখিনি লগাই দিছিল।



আলোচনা-চক্ৰত আমি শঙ্কৰদেৱৰ জীৱন আৰু গতিৰ বিষয়ে নানান প্ৰশ্নৰ সমুখীন হৈছিলো। শিলিখাৰ গুটিবোৰ পাই তেওঁলোকৰ আনন্দিত হৈছিল আৰু গুটিটো ৰুলে হ'বনে নাই সুধিছিল। দাক্ষিণাত্যৰ জলবায়ুত শিলিখা গছ বোধকৰো নুপুজে। মহাপুৰুষজনৰ বিষয়ে জনোৱাৰ লগতে আমি উলিয়াইছিলো শঙ্কৰদেৱ সঙঘৰ কথাও। তেওঁলোকে শঙ্কৰদেৱক লৈ ইমান বিশাল সংগঠন থাকিব পাৰে বুলি ভাবিব পৰা নাছিল। কিন্তু তেওঁলোকৰ মাজৰ পৰা এটা ডাঙৰ প্ৰশ্ন হৈছিল, যিটো প্ৰশ্নৰ সদুত্তৰ আমি দিব পৰা নাছিলো। তেওঁলোকৰ কেইজনমানে সুধিছিল— শঙ্কৰদেৱ সঙঘৰ দৰে ইমান বিশাল এটা সংগঠনে বিদেশী প্ৰব্ৰজনকাৰীক বাধা দিব পৰা নাই কিয়? অসমৰ মূল সমস্যা যে বিদেশী প্ৰব্ৰজনকাৰীৰ সমস্যা সেই কথা তেওঁলোকে জানিছিল আৰু অসম আন্দোলনৰ কথাও জানিছিল। কিন্তু অসমীয়া জাতিৰ পিতা শঙ্কৰদেৱৰ বিষয়েহে তেওঁলোক ইমান জ্ঞাত নাছিল। আমি মহাগুৰুজনাৰ আধ্যত্মিক দৰ্শনৰ লগত কিদৰে পৰিৱেশ অধ্যয়ন জড়িত হৈ আছে সেই কথা ব্যাখ্যা কৰিছিলো। আমাৰ ব্যাখ্যাই তেওঁলোকক প্ৰভাৱিত কৰা যেন লাগিছিল। তাৰ সঙ্গীৰূপে আমি পাইছিলো এছ. সত্য নাৰায়ণে অঁকা মহাপুৰুষজনাৰ কাল্পনিক ছবিখন। এই ছবিখন আছিল এজোপা গছৰ তলত বহি গুৰুজনাই সাঁচিপাতত পুথি লিখি থকা ছবি। হাবিৰ নিৰ্জন ঠাই এখনত বহি গুৰুজনাই একান্ত মনে লিখি থাকোতে তেওঁক পৰিৱেষ্টিত কৰি আছিল ময়ুৰ, কপৌ আদি পক্ষী, বহু, শহাপহু, বান্দৰ, কাছ, শিয়াল আদিয়ে। সত্য নাৰায়ণে ছবিখন আঁকিছিল ব'ৰ্ডত, চক পেনচিলেৰে। আমি তেওঁক ছবিখন কাগজত আঁকিবলৈ অনুৰোধ কৰিছিলো। তেওঁ আমাক সেইদিনা সন্ধিয়া ঘৰলৈ মাতিছিল। আমি সন্ধিয়া ঘৰলৈ গৈ তেওঁক লগ ধৰিছিলো। তেওঁ এখন আৰ্ট পেপাৰত পেন্সিলেৰে পুনৰ সেই ছবি আঁকিছিল। আমি কৃতজ্ঞতা জনোৱাৰ ভাষা বিচাৰি পোৱা নাছিলো। যাঠি উৰ্দ্ধৰ সেই মহান চিত্ৰকৰজনাক প্ৰণাম জনাই ছবিখন লৈ যেতিয়া উভতিছিলো গা-মন ৰোমাঞ্চিত হৈ উঠিছিল। সত্য নাৰায়ণে অঁকা শঙ্কৰদেৱৰ ছবিখনে সঁচাকৈয়ে এজন প্ৰকৃতিপ্ৰেমীক প্ৰতিনিধিত্ব কৰে। গুৰুজনাৰ ভাব-গম্ভীৰ কিন্তু বুদ্ধিদীপ্ত মুখাৱয়ব আৰু চৌপাশৰ অৰণ্য আৰু জীৱজন্তুৰ ছবিয়ে তুলি ধৰে এখন সুস্থ পৰিৱেশৰ ছবি— য'ত নাই কোনো হিংসা-দ্বেষ— আপোন মনে স্বাচ্ছন্দে সকলো জীৱই য'ত বিচৰণ কৰিব পাৰে আৰু তাৰ মাজতেই আছে ঈশ্বৰ...... অগ নগ জগ তেৰি কায়া!!❑

মণিকাঞ্চন

সম্পাদকীয়

// উনবিংশ বছৰ ঃ সপ্তম সংখ্যা ঃ গুৱাহাটী ঃ জুন, ২০১৪ চন — ৫৬৫ শঙ্কৰাব্দ ।।

## মাধৱদেৱ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ হ'ল সৰ্বকালৰ সৰ্বোত্তম পুৰুষ। শঙ্কৰদেৱৰ জীৱন কালতে মাধৱদেৱে এই কথা সুন্দৰকৈ উপলব্ধি কৰিছিল আৰু তাৰ স্পষ্ট সিদ্ধান্ত দি ঘোষা শাস্ত্ৰত ঘোষণা কৰিছিল— শ্ৰীমন্ত শঙ্কৰ/ হৰি ভকতৰ/ জানা যেন কল্পতৰু। তাহান্ত বিনাই/ নাই নাই নাই/আমাৰ পৰম গুৰু।। (ঘোষা নং ৩৭৫)

তিনিবাৰকৈ 'নাই' 'নাই' 'নাই' বুলি সইত কাঢ়ি শপত বাক্য পাঠ কৰাৰ নিচিনাকৈ উচ্চস্বৰে শঙ্কৰদেৱেই যে 'পৰম গুৰু' তাৰাৰ বিকল্প কোনো হ'ব নোৱাৰে তাৰ স্পষ্ট ঘোষণা কৰিছে। অস্তাচলৰ হিৰন্ময় বেলিৰ অত্যুজ্জ্বল পোহৰৰ দৰে জীৱনৰ ভাটি বয়সত আধ্যাত্মিক উপলব্ধিৰ শ্ৰেষ্ঠতম প্ৰকাশৰ পৰত ৰচনা কৰা 'নামঘোষা'ত মাধৱপুৰুষে শঙ্কৰদেৱক গুৰুৰূপে যি প্ৰতিষ্ঠা কৰিলে সি তেওঁৰ ব্যক্তিত্বৰ মহত্ত্বম প্ৰকাশ। নানান প্ৰতিকুল পৰিৱেশৰ বিপৰ্যয়ৰ মাজতো খপা সোণৰ দৰে গুৰুজনাৰ উজ্জ্বল ব্যক্তিত্ব, নেতৃত্ব, সমুদ্ৰ গভীৰ জ্ঞানৰ প্ৰভাৱে প্ৰভাৱান্বিত হৈ মাধৱদেৱে শঙ্কৰদেৱক উপলব্ধি কৰাই নহয় জগতৰ আগত তাৰ চিনাকিও দি থৈ গ'ল — যি চিনাকিৰে আপামৰ জনতাই শঙ্কৰদেৱক সৰ্বোত্তম পৰম গুৰুৰূপে গ্ৰহণ কৰিলে।

'নামঘোষা'ত মুঠ ২৫ টি ঘোষাৰ মাধ্যমেৰে মাধৱদেৱে শঙ্কৰদেৱৰ প্ৰশস্তি গাইছে। 'ভজন' পটলৰ প্ৰথম ঘোষাটিত মাধৱদেৱে গাইছে — মুক্তিতো নিস্পৃহ যিটো/ সেহি ভকতক নমো/ৰসময়ী মাগোহো ভকতি।

এই মুক্তিতো স্পৃহা নোহোৱা ভকতজন আন কোনো নহয় স্বয়ং শঙ্কৰদেৱ। মনকৰিবলগীয়া কথাতো হ'ল মাধৱদেৱে তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ 'নামঘোষা'ৰ প্ৰথম ঘোষাটোতে গুৰুক স্মৰণ কৰা কাৰ্য। গুৰুৰ প্ৰতি থকা এনে অচলা ভক্তিৰ তাৎপৰ্যৰ কথাই শঙ্কৰ-মাধৱৰ মিলনৰ প্ৰথম দিনটোলৈ মনত পেলায়। 'গুৰু চৰিত কথা'ত উল্লেখ আছে শঙ্কৰদেৱক প্ৰথম সাক্ষাৎ পোৱাৰ সময়তে — 'দেখি এ গাটি জাকি মাৰি লোম সিহৰি পৈল ঃ কৌটি সূৰ্যৰ সদৃশ জ্যোতি ঃ গৌৰবৰ্ণে ঃ তাৰ পাছত দুয়োজনাৰে মাজত প্ৰবৃত্তি আৰু নিবৃত্তি মাৰ্গৰ বিষয়ক লৈ তৰ্ক চলিল। তৰ্কত শঙ্কৰদেৱক পৰাস্ত কৰিব নোৱাৰিলে। 'গুৰু-চৰিত কথা'ৰ ভাষাৰে — 'সেৱা কৰিলে ভঙ্গৈকে ঃ বোলে বৰাৰ পো যোৱানে এতিয়া ঃ বোলে বাপা নযাঞ ঃ বোলো দেখো আহিও সেৱা কৈলা ঃ এতিয়াও সেৱা কৈলা কিয় ঃ চোত আতা বোলে, আগে জি কৰিলো ঃ বৰভূঞা বিষয় মানি ঃ এতিয়া জি কৰিচো অভই পাদ পঙ্কজত বিক্ৰই জীৱ কৰি গুৰু মানি। (গুৰুচৰিত কথা - ১৩৭ ছেদঃ ড° মহেশ্বৰ নেওগ)

শঙ্কৰ মাধৱৰ এই মিলনকে বৰ অসমৰ সাংস্কৃতিক ঐতিহ্যত 'মণি-কাঞ্চন সংযোগ' বুলি কোৱা হয়। 'গুৰু-চৰিত কথা'ৰ এই উক্তিৰ পৰাই মাধৱদেৱে শঙ্কৰদেৱৰ মাজত বিচাৰি পোৱা তাৰাৰ শাৰীৰিক, আধ্যাত্মিক আৰু ঐশ্বৰিক ৰূপৰ তাৎপৰ্যৰ কথা বুজিব পাৰি। শঙ্কৰদেৱৰ শান্ত, সৌম্য, দৈহিক কলেবৰ, জ্ঞানৰ গভীৰতা আৰু বিশালতা, তাৰাৰ মাজত অন্তৰ্হিত হৈ থকা ঐকান্তিকতা আৰু দক্ষতাই মাধৱদেৱক মোহিত কৰিছিল যাৰ ফলত মাধৱদেৱে তেওঁৰ চৰিত্ৰৰ ওপৰত ঐশ্বৰিকতা আৰোপ কৰি গুৰু ভটিমাত— "ত্ৰিভুবন বন্দন/ দৈৱকী নন্দন/ যো হৰি মাৰল কংস। জগ জন তাৰণ/ দেৱ নাৰায়ণ/ শঙ্কৰ তাকেৰি অংশ।।" বুলি শঙ্কৰদেৱক স্বয়ং কৃষ্ণৰ অংশ অৱতাৰ হিচাপে বন্দনা কৰিছে।

আন এক প্ৰসংগত ড° হীৰেন গোহাঁই এ কৈছে, জীৱনত তেওঁ তেওঁৰ আদৰ্শ আৰু ভাৱধাৰাৰ বাবে অহৰহ সংগ্ৰাম কৰিবলগীয়া হৈছিল, হতাশা আৰু ব্যৰ্থতাৰ লগত প্ৰায়েই তেওঁৰ পৰিচয় হৈছিল, অসন্মান, তিক্ততা আৰু নিৰাশাৰ অন্ধকাৰে তেওঁৰ প্ৰতিভাও মাজে মাজে আৱৰি ধৰিছিল। আৰু সেই সকলো বাধা-বিঘিনি, গ্লানি হতাশা তেওঁ জয় কৰিব পাৰিছিল ঐকান্তিক আদৰ্শ নিষ্ঠা আৰু অপাৰাজেয় মনোবলেৰে।' (হীৰেন গোহাঁই ৰচনাৱলী ঃ মানুহ শঙ্কৰদেৱ ঃ কথা প্ৰকাশন ঃ ২০০৯) শঙ্কৰদেৱৰ জীৱনত বহু আলাই-আথানিৰ লগৰীয়া আছিল মাধৱদেৱ। গুৰুজনাৰ প্ৰাত্যহিক জীৱনৰো প্ৰতিটো পলৰ লগত মাধৱদেৱৰ পৰিচয় আছিল। অতি নিবিড়। মাধৱদেৱে শঙ্কৰদেৱৰ ভিতৰ-বাহিৰ দুয়োটাই দেখিছিল আৰু উপলব্ধিও কৰিব পাৰিছিল। সেই উপলব্ধিৰে মাধৱপুৰুষে গুৰুজনাৰ অকল প্ৰশস্তি গোৱাই নহয় অসমীয়া জাতি থাকে মানে শঙ্কৰদেৱেই যে আমাৰ অসম মুলুকৰ একমাত্ৰ গুৰু তাক স্পষ্ট আৰু দৃঢ় ৰূপত প্ৰতিষ্ঠা কৰি গ'ল। অসমৰ জাতীয় জীৱনলৈ মাধৱদেৱৰ ই এক মহত্বপূৰ্ণ অৱদান। মাধৱদেৱে শঙ্কৰদেৱক অকল ধৰ্মগুৰু বুলি নকৈ 'কল্পতৰু' পদটি ব্যৱহাৰ কৰিছে। 'কল্পতৰু'ৰ অৰ্থ হ'ল সকলো কামনাপূৰ্ণ কৰিব পৰা বৃক্ষ। যদি সেয়াই হয় গুৰজনাত যি মাগো আমি তাকেই পাম। সঁচা অৰ্থত শঙ্কৰদেৱো সেয়াই আছিল। কিন্তু বৰ্তমানৰ প্ৰেক্ষাপটত গুৰুজনাৰ ধৰ্ম, নাচগীত আৰু সাহিত্য চৰ্চাৰ বাহিৰে জাতীয় জীৱনৰ আন বহুতো দিশ উপেক্ষিত হৈ থকা অনুভৱ হয়।

অৱশ্যে শ্ৰীমন্ত শঙ্গৰদেৱ সংঘই 'শঙ্কৰদেৱ বিশ্ববিদ্যালয়' স্থাপন কৰি শিক্ষাৰ দিশত এটি নতুন পথৰ আলোক সন্ধান কৰিব বিচাৰিছে। আমাৰ বোধেৰে মাধৱদেৱে 'কল্পতৰু' বুলি কৈ সন্ধান দি যোৱা পথৰ প্ৰথমটো পদক্ষেপ। প্ৰথমটো বুলি এই কাৰণেই কৈছো ইমান দিনে গুৰুজনাৰ আদৰ্শৰ নামত বৰ অসমৰ জনতাই যিমানবোৰ কাম কৰিছে সেয়া আছিল মাধৱদেৱকে আদি কৰি আতৈসকলে দেখুৱাই থৈ যোৱা অথবা কৰি যোৱা কৰ্মৰ অনুসৰণ। বিশ্ববিদ্যালয় হ'ব গুৰুজনাৰ স্বপ্নৰ সফল ৰূপায়ণ।

অতি পুৰণি কালতে শিক্ষা সম্প্ৰসাৰণৰ ধাৰণাটো যি দৰে 'চাৰ্চ' বা গীৰ্জাৰ পৰাই হৈছিল ঠিক সেইদৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বুকুৰ পৰাই গুৰুজনাৰ আদৰ্শৰে প্ৰতিষ্ঠা হক শঙ্কৰদেৱ বিশ্ববিদ্যালয়। Lecturer, Reader, Professor তাৰ লগতে D. Phil এই সকলোবোৰৰে ধাৰণা সৃষ্টিৰ গুৰি 'গীৰ্জা' হোৱাৰ দৰে শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ পৰাও নতুন ধাৰণাৰ সৃষ্টি হওক। হয়তো 'কল্পতৰু' বুলি মাধৱ পুৰুষেও এনেবোৰ আদৰ্শ আৰু কৰ্মই আশা কৰিছিল। গুৰুজনাৰ ওচৰত মাগিলে নিশ্চয় আৰু অনেক আদৰ্শ আৰু কৰ্ম প্ৰেৰণাৰ উৎস পোৱা যাব। নতুন চিন্তাৰ উন্মেষ আৰু উদ্ভাৱনে বৰ্তমানৰ চিন্তাৰ সংমিশ্ৰণত এক পৰিকল্পিত নতুন সৃষ্টি হ'ব যাক দেখি হয়তো মাধৱ পুৰুষে আশীৰ্বাদ বৰিষণ কৰিব আৰু 'হৰিভকত'ৰ বিকাশৰ ৰূপে তাৰাক সন্তুষ্টি দান কৰিব।

**৫ জুন, বিশ্ব পৰিৱেশ দিৱস ঃ** ১৯৭২ চনৰ ৫ জুন তাৰিখৰ পৰা ১৬ জুনলৈ ১২ দিনীয়া কাৰ্যসূচীৰে প্ৰথম 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰা হৈছিল। তেতিয়াৰ পৰা প্ৰতি বছৰে 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰি অহা হৈছে। প্ৰতি বছৰতে একোটা নীতিবাক্য (Slogan) প্ৰকাশ কৰি অহা হৈছে। এইবাৰৰ নীতিবাক্য বা Slogan হ'ল 'Small Ilands and Climate Change' — ক্ষুদ্ৰ দ্বীপ আৰু জলবায়ু পৰিৱৰ্তন'। শঙ্কৰদেৱৰ সময়ৰ পৰা ১৯৭২ চনলৈ প্ৰায় ৪৫০ বছৰৰো অধিক ব্যৱধান। তেতিয়াই কিন্তু গুৰুজনাই কৈছিল — 'সকল প্ৰাণীক দেখিবেক আত্মাসম'; 'এক বৃক্ষ দশ পুত্ৰ সম'; 'বৃক্ষ ৰোপণত অধিক ধৰ্ম'; হে আম জাম বেল বকুলও নাহি উপকাৰী তোমাৰ তুল; যত দেখা ভুত প্ৰাণী, সবে বিষ্ণু হেন জানি, হিংসা এৰি কৰা উপকাৰ; 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম; পলু পিম্পৰাক যিটো ৰাখে যত্ন কৰি, ছয়মাস মানে তাত তুষ্ট হোন্ত হৰি।' গুৰুজনাৰ পদপুথিৰ পৰা আৰু নীতিবাক্য (Slogan) শুনাব পাৰি। শঙ্কৰী আদৰ্শত 'কল্পতৰু' গুৰুজনাই তেতিয়াই আমাক পৰিৱেশ সংৰক্ষণৰ কথা শিকাই থৈ গৈছিল। পিছে আমিহে 'নুশুনো নলও গম'। এযাৰ কথা মনত ৰখা ভাল — 'Nature can meet the human need but not the human greed.'।

**<u>২০ জুন, ৰাভা দিৱস</u> ঃ** বিষ্ণু ৰাভাই তিনিজন লোকৰ গাতেই কলাকাৰ পুৰুষ-শ্ৰেষ্ঠৰ গুণ দেখিবলৈ পাইছিল — শ্ৰীকৃষ্ণ, নিওনাৰ্ডো দা ভিঞ্চি আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত বিষ্ণুৰাভাই দৰিদ্ৰ কৃষক বনুৱাৰ হিয়াৰ এফাল হৈ, নিষ্পেষিত জনতাৰ গভীৰ বেনাৰ উপলব্ধিৰে সাম্য, মৈত্ৰী আৰু শান্তিৰ ভেটিত এখন মুক্ত সমাজৰ সপোন দেখিছিল। কি নাজানিছিল তেওঁ সকলো কলাৰে সম্পূৰ্ণ বিষ্ণু ৰাভা আমাৰ জাতীয় জীৱনৰ আদৰ্শ আৰু কৰ্ম প্ৰেৰণা উৎস। কৃষক, বনুৱা, হজুৱা, শোষিত, বঞ্চিত; নিষ্পেষিত অসমবাসীৰ মুক্তি চিন্তা কৰিয়ে ৰাভাই কৈছিল — 'যদি অসমীয়াৰ এই দুখীয়া মৰে, তেন্তে অসমীয়া জাতিও মৰিব, লগে লগে মৰিব অসমীয়া কৃষ্টি, অসমীয়া সংস্কৃতি অসমীয়া সভ্যতা।' গুৰুজনাৰ — 'সকল প্ৰাণীক দেখিবাহা আত্মাসম' বাণীৰ সাৰ্থক প্ৰতিধ্বনি শুনিবলৈ পোৱা বিষ্ণুৰাভা দৰাচলতে শঙ্কৰ গুৰুজনাৰ সাৰ্থক উত্তৰাধিকাৰী।'

পদাধিকাৰৰ কলম।। ৰজনীকান্ত দত্ত।।

## ৰাভাৰ আভাৰে ঃ আমি অসমীয়া

স্বদেশ স্বজাতিৰ অত্যন্ত প্ৰয়োজনৰ সময়ত একো একোজন ক্ষণজন্মা পুৰুষৰ আৱিৰ্ভাৱ হয়। তেনে মহান আত্মাৰ আগমণে তদানিন্তন যুগটোক ধন্য কৰি তোলে। এনে একোজন পুৰুষে জাতীয় জীৱনৰ সৰ্বস্তৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সমৰ্থ হয়। কি ৰাজনীতি, কি সমাজনীতি, কি ধৰ্ম, কি সংস্কৃতি, কি সাহিত্য-- সকলোতে এনে একোজন ব্যক্তিয়ে নিজৰ মহীয়সী প্ৰতিভাৰ স্বাক্ষৰ ৰাখি যাবলৈ সমৰ্থ হয়।



তেনে মহান ব্যক্তিসকলৰ মাজৰে এজন আছিল বিষ্ণুপ্ৰসাদ ৰাভা। তাৰা আছিল একাধাৰে বিপ্লৱী, সাহিত্যিক, কবি, গীতিকাৰ, নাট্যকাৰ, খেলুৱৈ, ব্যৱসায়ী, ৰাজনীতিক, অভিনেতা, গায়ক, চিত্ৰকৰ, নৃত্যশিল্পী, দানবীৰ। একেজন মানুহতে ইমানবোৰ গুণৰ সমাহাৰ প্ৰকৃততে আশ্চৰ্যকৰ। হ'লেও কিন্তু এইজন পুৰুধা ব্যক্তিৰ জীৱন এনে মহান গুণাৱলীৰে ৰঞ্জিত আৰু প্ৰতিটো গুণৰ ক্ষেত্ৰতে দেখা পোৱা যায় সমাজ জীৱনৰ বিশিষ্ট প্ৰয়োজনৰ বিশাল পৰিধি।

বিষ্ণু ৰাভাৰ আভাৰে আমাৰ সমাজ জীৱন অনুৰণিত হৈ আছে, ধ্বনিত প্ৰতিধ্বনিত হৈ আছে। বহুজন সমাজ সংগঠকে বিশ্বৰ ইতিহাসত একো একোখন প্ৰণিধানযোগ্য আসন দখল কৰি আছে। কোনোজনে ৰাজনীতি জগতত, কোনোবাই হয়তো সাংস্কৃতিক বিপ্লৱেৰে আকৌ কোনোবাজনে হয়তো আন কোনো উপায়েৰে সমাজৰ একো একোটা প্ৰকৃষ্ট ৰূপত সংগঠন কৰিবলৈ সমৰ্থ হৈছে। আমাৰ অসমৰ ক্ষেত্ৰতো বহুজনে সমাজ সংগঠনৰ এই বিস্তীৰ্ণ ক্ষেত্ৰখনত নিজকে বিভিন্ন সময়ত নিয়োগ কৰি আহিছে আৰু কম বেছি পৰিমাণে সমৰ্থও হৈছে।

কলাগুৰু বিষ্ণু ৰাভাও সেইসকলৰ মাজৰে এজন। কিন্তু অন্য সমাজ সংগঠকৰ লগত বিষ্ণুৰাভাৰ মূলগত বহুতো পাৰ্থক্য দেখা যায়। কিয়নো ৰাভা এজন সাধাৰণ সমাজকৰ্মী নহয়, নতুবা তেওঁৰ সমাজ সংগঠন আজৰি সময় কটোৱাৰো এক ব্যৱস্থা নহয়। বিষ্ণুৰাভাৰ বৈচিত্ৰময় জীৱনটোৰ প্ৰতিটো কৰ্মৰ অন্তৰালত দেখা পোৱা যায় বহুধা বিভক্ত স্বাৰ্থপৰতাৰে মলিন হৈ পৰা আমাৰ সমাজখনক সুসংগঠিত কৰি এখন প্ৰেমময়, শান্তিময়, মানবীয় গুণেৰে পৰিপূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰাৰ দূৰন্ত বাসনা। তেনে মহান আদৰ্শই, তেনে মহৎ চিন্তাই ৰাভাক প্ৰতিটো মুহূৰ্ততে নচুৱাইছিল, গীত ৰচনা কৰাইছিল, সুৰৰ সৃষ্টি কৰাইছিল, গীত গোৱাইছিল, দেশখনৰ প্ৰতিটো চুক-কোণলৈ অহা যোৱা কৰাইছিল, যাযাবৰী এটা জীৱনৰ গৰাকী কৰি তুলিছিল। আনকি-- এই মহৎ উদ্দেশ্য সাধনৰ বাবেই তেওঁ কান্ধত ষ্টেণ্ডগান তুলি লবলৈও বাধ্য হৈছিল।

বৰাক ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ উৰ্বৰ ভূমিখণ্ডৰ অগণন দলিত, পীড়িত, কৃষক, বনুৱা, হজুৱা, চহুৱা অসম সন্তানৰ মুক্তিৰ বাবে এইজন সমাজ সংগঠকে গীত ৰচনা কৰিলে। মুক্তিকামী জনগণৰ হৃদয় কপোৱা, উদীপ্ত প্ৰেৰণাৰে

(৬ পৃষ্ঠাত চাওক)

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰথম স্থানপ্ৰাপক অচ্যুৎৰঞ্জন গগৈ

**প্ৰশ্ন ঃ** আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০১৪ বৰ্ষৰ ফলাফলত তুমি সমগ্ৰ অসমৰ ভিতৰতে শীৰ্ষস্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে তোমাৰ জন্মস্থান চকীমুখৰ লগতে সমগ্ৰ নাজিৰাবাসী ৰাইজক গৌৰান্বিত কৰি তুলিছা। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নাজিৰা জিলাৰ চকীমুখ প্ৰাথমিকৰ সংগী হোৱাৰ সুবাদতে আমি নাজিৰা জিলাও তোমাকলৈ আজি গৰ্বিত। প্ৰথমেই আমি তোমাক অভিনন্দন জনাইছোঁ আৰু লগতে জানিব বিচাৰিছোঁ অসমৰ ভিতৰতে শীৰ্ষস্থান অধিকাৰ কৰি তুমি কেনে অনুভৱ কৰিছা?

**অচ্যুৎ ঃ** বহুত ভাল লাগিছে, বহুত আনন্দ লাগিছে। যিহেতু প্ৰথম স্থানৰ কথাই সুকীয়া ই আৰু বেছি আনন্দ দিছে।

**প্ৰশ্ন ঃ** ১ম স্থান পাম বুলি ভাবিছিলা নে?

**অচ্যুৎ ঃ** স্থান লাভ কৰিম বুলি এটা বিশ্বাস আছিল, কিন্তু প্ৰথম স্থান লাভ কৰিব বুলি ভবা নাছিলো।

**প্ৰশ্ন ঃ** তোমাৰ সফলতাৰ আঁৰত কাৰ কাৰ অৱদানৰ কথা স্বীকাৰ কৰিবা?

**অচুৎ ঃ** মা-দেউতাই মোক বহুত সহায় কৰিছিল। বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত দুলাল চেতিয়া ছাৰে আৰু লগতে বিদ্যালয়ৰ প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে দিয়া শিক্ষা, দিহা-পৰমাৰ্শৰ বাবে সফল হ’বলৈ সক্ষম হ’লো। মা-দেউতাই সদায় ভালৰ ভালটো হ’বলৈ উপদেশ দিছিল। যিহেতু দহটা আমৰ ভিতৰত আমাক এটা বাছিবলৈ দিলে আমি সদায় ভালৰ ভালটোৰেই বিচাৰিম, গতিকে মোকো প্ৰতিটো ক্ষেত্ৰতে ভাল দিশটো আঁকোৱালি বেয়াটো পৰিহাৰ কৰিবলৈ উপদেশ দিছিল। মই এই সকলোকে সফলতাৰ বাবে ধন্যবাদ জনাইছোঁ।

**প্ৰশ্ন ঃ** তুমি কেনে ধৰণে পঢ়া-শুনা কৰিছিলা? সময় নিৰ্দিষ্ট কৰি লৈছিলা নেকি?

**অচ্যুৎ ঃ** পঢ়াৰ বাবে সময় নিৰ্দিষ্ট কৰি বান্ধি লোৱা নাছিলো। টেষ্ট পৰীক্ষাৰ পাছত নিয়মিতভাৱে ৬/৭ ঘণ্টা পঢ়িছিলো। ঐচ্ছিক গণিত আৰু ইংৰাজী গ্ৰামাৰৰ বাবে টিউচন কৰিছিলো।

**প্ৰশ্ন ঃ** হায়াৰ ছেকেণ্ডাৰী ক’ত পঢ়াৰ কথা ভাবিছা?

**অচ্যুৎ ঃ** হায়াৰ ছেকেণ্ডেৰী Delhi Public School পঢ়া কথা ভাবিছোঁ।

**প্ৰশ্ন ঃ** SEBAৰ পৰা CBSE লৈ যাব বিছ্ৰা কাৰণ?

**অচ্যুৎ ঃ** হয়, যোৱা ১২ বছৰ মই অসমীয়া মাধ্যমত SEBA ৰ অধীনতেই পঢ়িলো। এতিয়া বৰ্তমান যুগৰ প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি ইংৰাজী ভাষাত দখল আনিবৰ বাবে মই CBSE লৈ যাব বিচাৰিছোঁ।

**প্ৰশ্ন ঃ** ভৱিষ্যতলৈ তোমাৰ কেৰিয়াৰ কোনটো দিশত বা বিভাগত আগবঢ়াব বিচৰা?

**অচ্যুৎ ঃ** প্ৰশাসনিক দিশত মই এজন IPS বিষয়া হ’ব বিচাৰো।

**প্ৰশ্ন ঃ** তুমি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, নাজিৰা জিলা শাখাৰ অন্তৰ্গত চকুমুখ প্ৰাথমিক শাখাৰ সঙ্গী/ সেৱক। সঙ্ঘৰ প্ৰতি কেতিয়াৰ পৰা অনুগত হৈ আছা?

**অচ্যুৎ ঃ** জন্মৰে পৰা মা-দেউতা যিহেতু পূৰ্বৰে পৰা সঙ্ঘৰ সঙ্গী।

**প্ৰশ্ন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিষয়ে তোমাৰ ব্যক্তিগত অভিমত কি?

**অচ্যুৎ ঃ** ই এটা ধৰ্মীয় আৰু আধ্যাত্মিক অনুষ্ঠান। আধ্যাত্মিকতাৰ জৰিয়তে বৰ্তমান সমাজৰ যি যুৱ উশৃঙ্খলতা ইয়াক দূৰ কৰিব পৰা যাব বুলি ভাবো। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যি শিশু-যুৱ-আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি সুপ্ত প্ৰতিভা বিকাশৰ বাবে যি মঞ্চ গঢ়ি দিছে, সেয়া মোৰ বহুত ভাল লাগে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনাখন শিশু কল্যাণ দিৱস নামকৰেণেৰে শিশুসকলৰ মাজত সাহিত্য-সংস্কৃতি প্ৰতিযোগিতা আয়োজন কৰে। ইয়াৰ জৰিয়তে প্ৰতিভা বিকাশৰ বাবে তেওঁলোকে সুযোগ পোৱা বুলি ভাবো।

**প্ৰশ্ন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ দ্বাৰা আয়োজিত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছা নেকি?

**অচ্যুৎ ঃ** হয়, জিলা পৰ্যায়ত আকস্মিক বক্তৃতা, কুইজ, ৰচনা আদিত অংশগ্ৰহণ কৰিছোঁ। বক্তৃতা প্ৰতিযোগিতাত গোৱালপাৰাত অনুষ্ঠিত সমাৰোহৰ বাবে জিলাই নিৰ্বাচন কৰিছিল, কিন্তু অসুবিধাৰ বাবে যাব নোৱাৰিলো।

**প্ৰশ্ন ঃ** আজি যিদৰে তুমি সফলতাৰ শীৰ্ষত আৰোহণ কৰিছা, ভৱিষ্যৎ প্ৰজন্মই যাতে এনেদৰেই সফল হ’ব পাৰে তাৰ বাবে কিবা মন্ত্ৰ দিবা নেকি?

**অচ্যুৎ ঃ** সফলতাৰ বাবে বেলেগ কিবা মন্ত্ৰ মোৰ মতে নাই। যিটো কামকে কৰা যায় সেইটোকে অলপ ব্যতিক্ৰমেৰে আনতকৈ উন্নত ধৰণেৰে কৰিবলৈ চেষ্টা কৰিব লাগে। আনক অনুকৰণ কৰাৰ প্ৰয়োজন নাই। নিজৰ পথ নিজে গঢ় দিব লাগিব। প্ৰত্যেকৰে প্ৰতিভা থাকে মাথো বিচাৰি উলিয়াব জানিলেই হ’ল। আৰু ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধা-ভক্তি থকাটো প্ৰয়োজন।

**প্ৰশ্ন ঃ** শেষত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতি এটা বাক্যত কোৱা?

**অচ্যুৎ ঃ** সঙ্ঘৰ লক্ষ্য আৰু উদ্দেশ্য মহান। এই মহান লক্ষ্য-আদৰ্শৰ পৰা যাতে পথভ্ৰষ্ট নোহোৱাকৈ সকলোলৈকে ইয়াকে আহ্বান জনাব বিচাৰিম। শেষত কম— জয় গুৰু শ্ৰীমন্ত শঙ্কৰ।

বাৰু, বহুত ধন্যবাদ, তুমি আমাক অকণমান সময় দিলা আমাৰ প্ৰশ্ন উত্তৰ যথাযথভাৱে দিলা। আমি সকলো আজি তোমাক লৈ গৌৰান্বিত। পুনঃ পুনঃ তোমাক অভিনন্দন জনালো। অনাগত ভৱিষ্যতত তুমি যাতে এনেদৰেই সফল হৈ দেশমাতৃ তথা সমাজৰ সেৱাত মনোনিবেশ কৰিবলৈ আহ্বান জনাই প্ৰভু ভগৱন্তই যেন তোমাক কৃপা দৃষ্টি ৰাখে তাৰ কামনাৰে তাৰাৰ চৰণত প্ৰাৰ্থনা জনালো।

## পিতৃৰ সৈতে দু-আষাৰ

**প্ৰশ্ন ঃ** পুত্ৰ সাফল্যৰ আজি এজন পিতৃৰ মনৰ অনুভৱ কি?

**উত্তৰ ঃ** বহুত ভাল লাগিছে, বিশেষকৈ আমাৰ আনন্দিত কৰাতকৈ সি যে গোটেই অসমবাসী ৰাইজক আনন্দিত কৰিব পাৰিছে আৰু ৰাইজ যে আনন্দিত হৈছে তাতহে আমি বেছি সুখী হৈছোঁ। ভৱিষ্যতেও ই যাতে অসম তথা ভাৰতবৰ্ষৰ ৰাইজক এনে ধৰণেই সুখী কৰিবলৈ সক্ষম হয় তাৰেই কামনা কৰিছোঁ।

**প্ৰশ্ন ঃ** আপোনাৰ ল’ৰাক কেনে ধৰণে পঢ়ুৱাইছিল?

**উত্তৰ ঃ** সি প্ৰায় ৬/৭ ঘণ্টামান পঢ়িছিল। আৰু আমি পঢ়ুৱাইছিলো বুলি ক’লে ভুল হ’ব। প্ৰাথমিক পৰ্যায়ত থাকোতেহে পঢ়াইছিলো। ক্লাছ ছেভেন, এইট, নাইট পোৱাৰ পাছত পঢ়াবলৈ আমি এৰি দিছিলো। কিবা অসুবিধা পালে সি সুধিছিল তেতিয়া কৰি দিছিলো।

**প্ৰশ্ন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত কেতিয়াৰ পৰা অন্তৰ্ভুক্ত হৈ আছে?

**উত্তৰ ঃ** ১৯৯৬ চনত নাজিৰাৰ সুন্দৰপুখুৰীৰ নামঘৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নীতি আদৰ্শ মতে শ্ৰীযুত কমলা গগৈ বাপজনাৰ জৰিয়তে শৰণ গ্ৰহণ কৰিছিলো। ২০০৪-২০০৫ চনত আমি জিলা শাখাৰ হিচাপ পৰীক্ষকৰ কাম কৰিছিলো। তাৰ পাছতে জিলা কাৰ্যনিৰ্বাহকলৈ মনোনীত হৈছিলো আৰু নিৰ্মাণ শাখা সমিতিৰ সম্পাদৰ দায়িত্বত এটা কাৰ্যকালৰ বাবে আছিলো। আমি থাকো ভকতৰ দানেৰে হুলাংকাটনী নামঘৰভাগি নিৰ্মাণ কৰিছিলো। ২০০৬ চনত নাজিৰাৰ জিলা নামঘৰত ভজন লৈছিলো। ৭৮ সংখ্যক মূল অধিৱেশনৰ আদৰণী সমিতিৰ যুটীয়া সম্পাদকৰ দায়িত্বও পালন কৰা হৈছিল।

**প্ৰশ্ন ঃ** আপুনি নিজৰ সন্তানক গুৰুধৰ্মৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে কেনে ধৰণে প্ৰচেষ্টা হাতত লৈছে?

**উত্তৰ ঃ** হয়, মেট্ৰিক পৰীক্ষাৰ পাছত ঘৰত এনেয়ে কটাওতে মই তাক প্ৰসংগ প্ৰণালীৰ সম্পৰ্কত আভাষ দিবলৈ চেষ্টা কৰিছিলো। সিয়ো আগ্ৰহী এই ক্ষেত্ৰত। পুৱা, দুপৰীয়া, সন্ধিয়া পৰিৱেশনৰ বৰগীত, গুৰুভটিমা, দেৱভটিমা, গুণমালাৰ আদিৰ প্ৰাথমিক পৰ্যায়ৰ আভাষ দিবলৈ চেষ্টা কৰিছিলো।

**প্ৰশ্ন ঃ** উঠি অহা চামৰ প্ৰতি আপোনাৰ ক’বলগীয়াখিনি কেনে ধৰণৰ?

**উত্তৰ ঃ** চেষ্টাৰ অসাধ্য একো নাই। আনে কি কৰে বা কি নকৰে সেইটো বিচাৰ্য বিষয় হ’ব নালাগে। নিজে যিটো বিষয়ত লাগিছে সেইটো বিষয়ত জ্ঞান অৰ্জন কৰি আৰু জ্ঞানীজনৰ কাষ চাপি যি দিশতেও নহওক আগবাঢ়ি যাব লাগে। নিজে চেষ্টা কৰিলে আৰু একাগ্ৰতা থাকিলে সকলো কামতে সফল হ’ব পাৰি। ভৱিষ্যত প্ৰজন্ম মই তেনেদৰেই আগবঢ়াটো বিচাৰো।

আপোনাক আমি ধন্যবাদ জনাইছোঁ আৰু শুভেচ্ছা জনাইছোঁ।

## মাতৃৰ সৈতে দু-আষাৰ

**প্ৰশ্ন ঃ** প্ৰথমেই আমি আপোনাৰ পুত্ৰৰ সাফল্যৰ বাবে শুভেচ্ছা জনাইছোঁ। আজি আপুনি নিশ্চয় বহুত সুখী! আপুনি কি ব্যক্ত কৰিব বিচাৰিব?

**উত্তৰ ঃ** হয় ধন্যবাদ, বহু সুখী আজি, বিশেষকৈ ৰাইজৰ যি সহাৰি তাক দেখিহে মই বেছি সুখী। মানুহে যে ভালক সদায় খেদি ফুৰে, বেয়াক নেওচি মানুহে ভালকহে যে সদায় আদৰে তাৰ প্ৰত্যক্ষ প্ৰমাণ আজি মই পালো। ৰাইজে পূৰ্ণোদ্যমে সহাৰি আগবঢ়াইছে বাবে মই আজি অন্তত্য সুখী।

**প্ৰশ্ন ঃ** আপুনি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একশৰণীয়া সংগী। আপুনি নাজিৰা জিলাৰ আইমাতৃ আৰু শিশু কল্যাণ সমিতিৰ সহ-সম্পাদিকা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী সফল মাতৃ হিচাপে নিজৰ সন্তানক কেনেকৈ আগুৱাই নিলে সফল হ’ব পাৰি বাকীসকল মাতৃক উদ্দেশ্যি আপুনি কি ক’ব বিচাৰিব?

**উত্তৰ ঃ** কথাখিনি ক’বলৈ গ’লে বহুত দীঘলীয়া হ’ব, চমুৱাই কৈছো। মাতৃত্ব তিৰোতাৰ এক মহৎ গুণ। কিন্তু মাতৃত্ব লাভ কৰিলেই নহ’ব। মাতৃ হোৱাৰ পাছত এগৰাকী সফল মাতৃ হ’বলৈ হ’লে কিছুমান ত্যাগ কৰিব লাগিব। ত্যাগখিনি এনেকুৱা হ’ব লাগিব যে নিজে ভালপোৱাখিনিৰ পৰা আঁতৰি, সন্তানে ভালপোৱাও গুৰুত্ব দিব লাগিব। আৰু অৱসৰ বিনোদনৰ সময়খিনি মাথো নিজকলৈয়ে ব্যস্ত নাথাকি ল’ৰাক লৈহে বেছি ব্যস্ত থাকিব লাগিব। আৰু এটা কথা ঠিক, এটা নিৰ্দিষ্ট সময়ত ল’ৰাটোৰ চৰিত্ৰ গঠনৰ পৰা আৰম্ভ কৰি, শিক্ষা-দীক্ষাৰ পৰা যদি মাকগৰাকী আঁতৰি থাকে, ভৱিষ্যতে সুফল দেখুওৱাত কেতিয়াও সফল হ’ব নোৱাৰে। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত ভেটিটো গঢ় দিবৰ বাবে একেবাৰে শিশু অৱস্থাৰ পৰাই গুৰুত্ব দিব লাগিব। নৱম-দশম শ্ৰেণীত গৈ ল’ৰাক জোৰ দিবলৈ ক’লে নহ’ব। যিহেতু সৰু নেওতাখন পাৰিলেহে যি পূৰণ আৰু হৰণৰ নেওতাখন পাছলৈ পাৰিব। গতিকে সৰু নেওতাখনৰ পৰাই এনেদৰে গঢ় দিব লাগিব সি যাতে যি শিকে ভালকৈ শিকে আৰু সি কৰে ভালকৈ কৰে। এই ধাৰণাটো তাৰ মূৰত সৰুতেই সুমুৱাই দিব লাগিব। বৰ্তমান সমাজৰ মাক-দেউতাকৰ দোষ এইটোৰেই যে “ল’ৰাটো বহুত সৰুহে আছে। সি ডাঙৰ হ’লে পাৰিব শিকিব।” এই ধাৰণাটো আমাৰ মাক-দেউতাকে ল’লে নহ’ব। মাক-দেউতাকে ল’ৰাটোক সময় দিব লাগিব আৰু উপযুক্ত কৰি গঢ় দিবৰ বাবে চেষ্টা কৰিব লাগিব। যিহেতু মই এগৰাকী শিক্ষয়িত্ৰী হিচাপে ময়ো ল’ৰাটোক খুউব কম সময়হে দিব পাৰিছোঁ। সৰুৰে পৰাই কিছুমান নীতি শিক্ষাৰ মাজেৰে আগবঢ়াই অনাৰ বাবে তাক মই এতিয়া অকলে এৰি দিব পাৰো। এইটো মোৰ জীৱনৰ অভিজ্ঞতা।

**প্ৰশ্ন ঃ** এগৰাকী মাতৃ আৰু এগৰাকী শিক্ষয়িত্ৰী হিচাপে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি আপুনি কি ক’ব বিচাৰিব?

**উত্তৰ ঃ** সফল হ’বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ অহোপুৰুষাৰ্থ চেষ্টা লাগিব। ইয়াৰ লগতে ঘৰুৱা পৰিৱেশো সমানে গুৰুত্বপূৰ্ণ। পিতৃ-মাতৃয়ে ল’ৰাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি, তাক ভাল নাগৰিক হিচাপে গঢ় দিবলৈ, ভাল মানুহ হিচাপে গঢ় দিবলৈ চেষ্টা কৰিব লাগে; ভাল পদবী বা ভাল চাকৰিৰ কাৰণে নহয়। আৰু শিক্ষা যদি কেৱল ভাল চাকৰি আৰু ভাল পদবীৰ কাৰণেহে দিয়ে, তেতিয়া হয়তো ল’ৰাটোৰ চৰিত্ৰ গঠন নহ’ব, সৎ নহ’ব বা ভৱিষ্যতে পথভ্ৰষ্ট হোৱাৰ আশংকা থাকিব।

আপুনি সাৰুৱা কথাৰে যথেষ্ট গুৰুত্বপূৰ্ণ দিশকেইটামান দাঙি ধৰিলে। আমি আপোনাক ধন্যবাদ জনাইছোঁ।

**সাক্ষাৎকাৰ গ্ৰহণ ঃ দেৱবৰেণ্য গগৈ,**
**জিলাধিনায়ক, নাজিৰা জিলা সেৱাবাহিনী**

## পদাধিকাৰৰ কলম

(৪ পৃষ্ঠাৰ পৰা)

সমাজক ভাল পাবলৈ শিকাৰ স্বপ্নেৰে নবীন প্ৰেৰণাৰে মাতৃভূমিক আপোন কৰাৰ গীত এইয়া। ৰাভাৰ ভাষাৰেই এইয়া "সৰ্ব্বহাৰাৰ আন্তৰ্জাতিক গান"

উঠ, জাগি উঠ, উপবাসী
অন্নভূমি হীন দ'ল,
বুকু পেটজ্বলা চিৰ দুখী
শেষ যুদ্ধলই হেৰ, বল।
ভাৰতৰ অৰণ্ডে দৰণ্ডে অনাহাৰে

অনিদ্ৰাই ভোকৰ জ্বালাত ক্ষুব্ধ হৈ থকা জনগণক আহ্বান জনালে ৰাভাই মাতৃভূমিৰ মুক্তিৰ শেষ যুদ্ধলৈ। সৈনিক শিল্পী ৰাভাই দেশবাসীক উদ্দেশি ক'লে 'আমিয়েই বনুৱা গোটেই বিশ্বৰ, শ্ৰমৰেই সৈন্যদল। সেইমুঠি জনতাৰ সুদৃঢ় সংগঠন অবিহনে দেশৰ উন্নতি, স্বজাতিৰ মুক্তি অসম্ভৱ। সেয়ে দেশবাসীক বিশ্বশাসন কৰিব পৰা অনন্ত শক্তিৰে শ্ৰম কৰিবলৈ আহ্বান জনালে।

বিষ্ণুৰাভাই সমগ্ৰ মানৱ জাতিক প্ৰেম, অহিংসা, কৰুণা, দয়া আৰু প্ৰীতিৰ একেদোল সূতাৰে বান্ধি এক কৰাৰ মানসেৰে 'মুক্তি দেউল'ত গালে--

"বিশ্বৰ ছন্দে ছন্দে
মহানন্দে আনন্দে নাচা
নাচা তমোহৰদেৰ নাচা।"

দ্বিতীয় বিশ্ব মহাযুদ্ধৰ বিভিষিকাই শিল্পীপ্ৰাণ কপাই তুলিলে, ধ্বংসৰ অগ্নিশিখাৰ প্ৰহেলিকাত যেন সকলোবোৰ বিনাশ হৈ যাব-- হিংসাৰ লেলিহান শিখাত যেন "অহিংসাৰ প্ৰতিমূৰ্ত্তি 'বুদ্ধ' কাৰাৰুদ্ধ। মানৱতাবিনাশী যুদ্ধৰ বিধ্বংসী পৰিণামে শিল্পী প্ৰাণত আঘাত দিছে। মানুহ অমানুহ হৈ যোৱাৰ বিভৎস বেদনাই তেওঁৰ হৃদয়ত শঙ্কাৰ কপনি তুলিছে। সেইয়ে, ৰাভাৰ শিল্পী প্ৰাণে মানৱতাৰ পূজা মন্ত্ৰেৰে শান্তি আৰু সমতাৰ বেদীত এখন সুন্দৰ জগতৰ সৃষ্টিৰ বাবে সুন্দৰৰ পূজাৰীক সাধনাৰ সুৰধ্বনিৰে, ৰাগ-ৰাগিনীৰ সৃষ্টি কৰি দেশ মাতৃৰ পূজা মন্দিৰ ধ্বনিত প্ৰতিধ্বনিত কৰি প্ৰাণস্পন্দন সঞ্চাৰ কৰিবৰ বাবে আকুল আহ্বান জনাইছে। গাইছে--

অ' পূজাৰী!
অ' পূজাৰী!!
সুন্দৰ পূজাৰী!!!
শঙ্খ বজোৱা
বৰকাঁহ কোবোৱা
আৰতি লগোৱা
বন্তি জ্বলোৱা
উলাহে আদৰি
অ' পূজাৰী!
অ' পূজাৰী!!
সুন্দৰ পূজাৰী!!!

শিল্পী ৰাভাই এনে এখন সুন্দৰ সমাজ বিচাৰিছে য'ত নাথাকিব পৰাধীনতাৰ গ্লানি, য'ত থাকিব উচ্চশিৰ উচ্চ হৈ। ৰাভাৰ সংগঠিত সমাজখনত সকলোৰে বাবে মুক্ত মনৰ মুক্ত বিচৰণৰ অধিকাৰ সমস্ত বৃদ্ধিৰে সকলোকে ভাল পোৱাৰ বাসনা। এইখন সমাজত নাথাকিব শ্ৰেণী বিভাজনৰ চৰম গ্লানি। মুক্তিৰ মহামন্ত্ৰেৰে সকলোৰে স্বদেশ স্বজাতিৰ কল্যাণৰ কথাহে মাত্ৰ এইখন সমাজত চিন্তা কৰিব। সকলোকে এক মনে এক প্ৰাণে ভাল পোৱাৰ পৰম তৃপ্তিৰে এইখন সমাজ সুন্দৰ ৰূপত জিলিকি উঠিব। এইখন সমাজত মেহনতি জনতাই কান্দিব নালাগিব, অস্পৃশ্যৰ অসহায়তা আঁতৰি যাব লাগিব।

এনে এটা বিপ্লৱ বিচাৰি ৰাভাই শঙ্খধ্বনি কৰিছে যি বিপ্লৱৰ দ্বাৰাই পিষ্ট, ক্লিষ্ট, নিপীড়িত, নিৰ্যাতিত, দলিত, পীড়িত উপবাসী, কাৰাবাসী অন্নহীন সমস্ত জনেই মুক্তিৰ জয়গীতেৰে উল্লাসিত হৈ সুন্দৰৰ পূজাত মুকুতিৰ মহামন্ত্ৰ উচ্চাৰণ কৰিব পাৰে।

তেওঁ গীত লিখিছিল-- অগ্নিযুগৰ প্ৰজ্জ্বলিত ধ্বনিৰে নিনাদিত এই গীত, এই গীত গাইছিল নিজে, গোৱাইছিল সমাজৰ প্ৰতিজন দলিত, পীড়িতৰ কণ্ঠেৰে। লক্ষ্য কেৱল একেটাই আমি উঠিব লাগিব, আমি জাগিব লাগিব। তেওঁৰ গীত তেৰেঁই গাইছিল। অসমীয়া সমাজ জীৱনক এটা অফুৰন্ত প্ৰেমৰ মন্ত্ৰেৰে জগাই তুলিবৰ বাবে গোৱা এই গীত। উপন্যাসিক মেদিনী চৌধুৰীদেৱে, বিষ্ণু ৰাভাক 'ফেৰেংগাডাও' উপাধিৰে বিভুষিত কৰিছিল। এই শব্দৰ অৰ্থ হ'ল ফেহু চৰাই। ফেহু চৰাইৰ মাতত হেনো ৰাতিপুৱাই এইয়া অসমীয়া সমাজৰ বিশ্বাস। আন্ধাৰৰ কলিয়া ডাৱৰে আবৰি ৰখা অসমীয়া সমাজখনক জগাবৰ বাবে বিষ্ণুৰাভাদেৱে অহোপুৰুষাৰ্থ কৰিছিল। তেওঁৰ সপোনৰ প্ৰেমময় সমাজখন বাস্তৱতে লাভ কৰিবৰ অৰ্থেই ৰাভাই আনকি নিজকে বিপ্লৱী কমিউনিষ্ট দলত ভৰ্তি কৰি ঐদেহে বৈদেহে সংগঠনৰ কামত নিয়োজিত কৰিছিল। আৰম্ভ কৰিছিল এটা যাযাবৰী জীৱন। বহুজন তথাকথিত গান্ধীবাদীৰ দৃষ্টিত ৰাভাৰ এই কৰ্ম অনুচিত আছিল। তেওঁলোকৰ মতে ৰাভা আছিল বিচ্ছিন্নতাবাদী, দেশদ্ৰোহী। এনে যুক্তি যথাৰ্থতে ধৃষ্টতা আৰু বিড়ম্বনাৰ অন্য নাম। ৰাভাই পলাতক জীৱন-যাপন কৰিব লগাৰ উপৰিও কাৰাগাৰৰ ভাত খাব লগীয়াত পৰিছিল।

কিন্তু আমি যিখন অসমীয়া সমাজ পাইছো, যিখনক লৈ আমি গৌৰৱ কৰিছো সেইখন আধুনিক সমাজ গঠনত অৱদান যোগোৱা আধুনিক অসমীয়া সংগঠক সকলৰ ভিতৰত সন্দেহাতীত ভাৱে কলাগুৰু বিষ্ণুৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ভূমিকা সবাতোকৈ গুৰুত্বপূৰ্ণ।

সমাজ সংগঠক সকলৰ চিনাকি ভিন্ন সময়ত ভিন্ন ৰূপত উন্মোচিত হয়। বিশেষ এটা ৰূপত তেওঁলোক জনসমাজত প্ৰতিফলিত নহয়। সময়ৰ প্ৰয়োজন আৰু সমস্যাৰ আহ্বানত তেওঁলোক সংগঠনৰ নতুন নতুন পথত ভৰি দিবলৈ বাধ্য হয়। ৰাভাৰ কান্ধৰ বন্দুকটো দেখি তেওঁৰ মনৰ মাজত লুকাই থকা দৰদী মানুহজন চাবলৈ যত্ন নকৰা মানুহ সেই সময়ত বোধকৰো ৰজাঘৰে প্ৰজাঘৰে দেধাৰ আছিল। কিন্তু সঁচা অৰ্থত বিচাৰি চালে দেখা যাব ৰাভাৰ ভিতৰৰ মানুহজন আছিল অত্যন্ত প্ৰেম আৰু কৰুণাৰে সিক্ত। "থ্ৰ্ত্ত্ৰন্দ্ধত্ত্ৰজ্ঞ ঙ্গৰ্দ্ধ ভ্ৰদ্ধৰ্দ্ধ ৰ্দ্ধত্ত্ৰঙ্গন্ত ৰ্দ্ধঙ্গঙ্গ"- কান্ধত বন্দুক ললেহে মানুহে নিষ্ঠুৰ হ'ব ই সঁচা নহয়, হৱও নোৱাৰে। ফেৰেংগাডাও পঢ়িলে অনুভৱ হয় ৰাভাৰ বন্দুকটোৱে হয়তো গীতহে গাইছিল-- সমাজ জীৱনক প্ৰাণ ভৰি আপোন কৰাৰ গীত। তেওঁৰ যাযাবৰী জীৱনৰ চাপ পৰা প্ৰতিখন গাঁও, প্ৰতিজন মানুহে কব এই সত্য। সেই বন্দুকৰ নলীৰে কদাচিতো গুলীতো ফুটা নাছিলেই আনকি তেওঁৰ মুখৰ পৰা কদাচিত "গুলিয়াই দিম" বোলা শব্দ এটাও উচ্চাৰণ হোৱা নাছিল। সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে দিনে-নিশাই, অৰণ্ডে-দৰণ্ডে অসমৰ পৰ্বতে কন্দৰে, নগৰে-চহৰে, অলিয়ে-গলিয়ে, তলৌ তলৌকৈ ঘূৰি ফুৰি নিজৰ বিশাল পৈতৃক সম্পত্তি সমস্ত হেৰুৱালে। অৱশেষত তেওঁৰ নাতি দীৰ্ঘমাত্ৰ তিনিকুৰি বছৰীয়া জীৱনটোও হেৰুৱাব লগীয়া হ'ল। সমাজ জীৱনৰ কথা ভাবি নিজৰ কথা পাহৰি যোৱা লোকসকলৰ জীৱন এনে হোৱাটো অত্যন্ত স্বাভাবিক।

ধূপকাঠিয়ে নিজে জ্বলি জ্বলি মাত্ৰ সুগন্ধ বিলায়, নিজে কিন্তু শেষ হৈ যায়। এয়ে আছিল ৰাভাৰ জীৱন। সব্যসাচী ৰাভায়ো সমাজৰ মঙ্গলৰ বাবেই নিজকে শেষ কৰি দিলে। তেওঁ এবাৰো নিজৰ কথা নাভাবিলে, ভাবিবলৈ অৱকাশেই নাপালে। ৰাভাৰ জীৱনৰ আভাৰে বৃহৎ অসমীয়া জাতিক ৰঞ্জিত কৰি গ'ল। তেওঁৰ নামত এটি সঙ্গীতৰ ধাৰা "ৰাভা সঙ্গীত" অভিধাৰে সৃষ্টি কৰি সেইজন মহান ত্যাগী পুৰুষক আজি আমি স্বীকাৰ কৰিছো। গুণীৰ গুণৰ মূল্য দিয়াৰ যত্ন কৰিছো।

নতুন প্ৰজন্মৰ বাবে বিষ্ণুৰাভা প্ৰেৰণাৰ উৎস। নৱ প্ৰজন্মই তেওঁক চিনি পায় কেৱল এজন সঙ্গীতজ্ঞৰূপে, চিনি পায় সুৰকাৰ গীতিকাৰ ৰূপে। জানে এজন প্ৰসিদ্ধ নৃত্য শিল্পীৰূপে। এইজনা ৰাভাৰ সুৰৰ লহৰত প্ৰকৃতি স্তব্ধ হয়, ৰাগৰ ঐক্যতানত সমস্ত জীৱজগতে সাৰ পাই উঠে। আৱাৰ নৃত্যৰ ছন্দে ছন্দে দেৱ দুন্দুভি বাজে, মানুহৰ হৃদয় স্তম্ভত জাগৃতিৰ কম্পন উঠে।

আমি "ৰাভা সঙ্গীত"ৰ অন্তৰ্ভাগত প্ৰবেশ কৰিলে উপলব্ধি কৰিব পাৰিম-- কেনেকৈ তাৰাৰ প্ৰতিটো গীতৰ কলিত, প্ৰতিটো ৰাগ-ৰাগিনীত নিহিত হৈ আছে-- এখন সুস্থ, সবল, প্ৰেমময়, শান্তিময় সমৃদ্ধ সমাজ গঠনৰ প্ৰবল বাসনা।

মানৱ সমাজৰ কল্যাণৰ কথা ভাবি ৰাভাই লিখিলে--

"কালৰ ৰথৰ চকাত তুলি এই স্পুটনিক যুগটো আৰু আগুৱাই নিবলৈ মানৱ সমাজৰ কল্যাণৰ কাৰণে প্ৰচেষ্টা কৰা সকলোৰে কৰ্তব্য। ই সহিংস সংঘৰ্ষৰ দ্বাৰা সম্পাদিত নহয়। অনুষ্ঠিত হয় বৰং অহিংস শান্তিপূৰ্ণ সহ অৱস্থানৰ বিধিৰে, যি বিধি সমাজ বিজ্ঞানৰ অব্যৰ্থ সিদ্ধান্ত।।"

ৰাভাৰ মতে ইয়াৰ অৰ্থ হ'ল সমাজ সংগঠনৰ মূল ভিত্তি হ'ব লাগিব সহ অৱস্থান। ই হ'ব লাগিব সকলোৰে প্ৰতি সকলোৰে প্ৰেমপূৰ্ণ অনিন্দ্য আকৰ্ষণৰ যোগে।

ৰাভাৰ সমস্ত ৰচনা সম্ভাৰত কেৱল মাত্ৰ কৃষ্টি, সংস্কৃতি, সমাজ গোষ্ঠী, ধৰ্ম, বিজ্ঞান, সৃষ্টিতত্ব দৰ্শন আদি বিষয়ৰ ওপৰত অতি গভীৰ ভাৱে ৰেখাপাত কৰা হৈছে। বিৱৰ্তনৰ পথেৰে সমাজ জীৱনে বাগৰ সলাই আহি আহি আজিৰ অৱস্থাত উপনীত হৈছে। আজিও আমাৰ আগত এখন সৰ্বাঙ্গসুন্দৰ, নিটোল সমাজে ধৰা দিয়া নাই। তাৰ কাৰণে আমাৰ কৰণীয় বহু কিছু থকাৰ কথা ৰাভাই স্পষ্ট ভাষাৰে দাঙি ধৰিছে। এজন সুচিন্তিত সমাজ সংগঠক ৰূপে কিৰাট, কছাৰী, গাৰো, খাচী, মিৰি, যৱন, কঙ্ক, গোৱাল, ৰজক তুৰুক আৰু অনেক জনগোষ্ঠীৰে গঠিত আমাৰ সমাজখন সুসংগঠিত কৰি তোলাৰ স্বাৰ্থতে সব্যসাচী ৰাভাই ওৰেটো জীৱন কাম কৰি গ'ল।

আজিৰ বহুধা বিভক্ত সমাজখনে বহুজন ৰাভাৰ প্ৰয়োজন অনুভৱ কৰিছে।

এটি দেশ প্ৰাণে সেয়ে সুধিছিল
"বিষ্ণুৰাভা এতিয়া কিমান ৰাতি?"

এইপ্ৰশ্নৰ উত্তৰো এজন মানুহক ভাল পোৱা শিল্পীয়েই দিছিল-

"বিষ্ণুৰাভা এতিয়া বহুত ৰাতি।"

সেই ৰাতি পুৱাব লাগিব। ফেহু চৰাই (ফেৰেংগাডাও)ৰ মাতত সেই ৰাতি পুৱাওক। এইয়া অসমৰ মাটিৰ আহ্বান, এই ধ্বনি অসমৰ আকাশ বতাহৰ ধ্বনি।❑

## নাম-ঘোষাত মাধৱদেৱৰ

(৩ পৃষ্ঠাৰ পৰা)

পৰাই সকলো ধৰ্ম সাধিত হয়। নামোচ্চাৰণেই সংসাৰৰ একমাত্ৰ সাৰ। মাধৱদেৱে 'নাম ঘোষাত কৈছে—

" ৰাম কৃষ্ণ হৰি ৰাম সৰ্ব্ব ধৰ্ম অনুপাম
সকল নিগমে তত্বসাৰ
যাত পৰে ধৰ্ম নাহি আৰ।"

মাধৱ পুৰুষৰ চিত্তত ৰাম, কৃষ্ণ, হৰি, যদুপতি, বাসুদেৱ, গোবিন্দ, নাৰায়ণ আদি সকলো নাম ভগৱান কৃষ্ণ বা হৰিৰ বাচক হিচাপে প্ৰতিভাত হৈছে। ঋষি গৰ্গই নন্দৰজাক তাকেই কৈছিল যে কৃষ্ণৰ অসংখ্য নাম; কিন্তু মানুহে সেইবোৰ নাজানে। গৰ্গৰ উক্তি এনেকুৱা—

"বহুনি সন্তি নামানি ৰূপাণি চ সুতস্য তে।
শুনকৰ্ম্মানুৰূপাণি তান্যহং বেদ নো জনাঃ।।"

(ভাগৱত ১০/৮১৫)

মাধৱদেৱে কৈছে জিভা, কাণ আৰু মন এই তিনিটা ইন্দ্ৰিয়ই পাৰ্থিৱ বস্তুৰ ৰস পানৰ সোৱাদ নলৈ নামামৃত পানৰ সোৱাদতহে আকৃষ্ট হ'ব লাগিব; কানে আন সকলো মধুৰ শব্দ শুনিবলৈ এৰি কেৱল কৃষ্ণনাম উচ্চাৰণ ধ্বনিহে শুনাত আকৃষ্ট হ'ব লাগিব আৰু মনে পাৰ্থিৱ সংকল্প, বিকল্প আদি ত্যাগ কৰি 'কৃষ্ণনাম পৰম মঙ্গল'ৰ সংকল্পতহে ডুব যাব লাগিব। তেনেদৰে বুদ্ধি, অলংকাৰকে আদি কৰি আন সকলোবোৰো কৃষ্ণনাম উচ্চাৰণত নিমগ্ন হ'ব লাগিব। তেতিয়াহে নামৰ মাহাত্মত আপ্লুত হৈ উপাসকে অহৈতুকী ভক্তিত অৱগাহন কৰিবলৈ সক্ষম হ'ব।

উপাস্যত চৰম আত্মসমৰ্পণৰ অবিহনে তেনেকুৱা অহৈতুকী ভক্তিৰ প্ৰসঙ্গটো আচহুৱা যেন অনুভূত হয়। উপাসকে যেতিয়া পৰাৎপৰ সকলো অৱস্থাত কেৱল উপাস্যকহে ধ্যান বা উপলব্ধি কৰে, তেতিয়াহে 'মুক্তিতো নিস্পৃহ ভকতি'ৰ সাৰ অনুভৱ কৰিব পাৰে। মাধৱদেৱৰ 'নাম-ঘোষা'ত মুক্তিতো স্পৃহাহীন ভক্তিৰ ৰেঙনি সুন্দৰ ৰূপত ৰূপায়িত। কিন্তু, 'নাম-ঘোষা'ৰ পদ ভক্তিৰ তেনেকুৱা ৰূপায়ণতেই ক্ষান্ত নহয়; তাত আছে মাধৱদেৱৰ অৰ্চ্চন, বন্দন আৰু সাধন জীৱনৰ দিব্যানুভূতি। 'নাম-ঘোষা'ক কেৱল সাহিত্য সৃষ্টিৰ নিদৰ্শন হিচাপে গ্ৰহণত ডাঙৰ ভুল কৰা হ'ব যদিহে মাধৱদেৱৰ জীৱনৰ সাধ্য-সাধনৰ দিব্য ভক্তি-উৰ্ম্মিৰ বিলীনতা নিৰ্ণয় কৰিব পৰা নাযায়। তেওঁৰ ৰচিত পদসমূহ কেৱল অনুপম সাহিত্য সৃষ্টিতেই নহয় বিমূৰ্ত্ত ভক্তিক মূৰ্ত্তৰূপত প্ৰকাশ কৰাতহে সেইবোৰৰ তাৎপৰ্য্য বিশেষ গুৰুত্বপূৰ্ণ বুলি ক'বই লাগিব।❑

**লেখক অৱসৰপ্ৰাপ্ত অধ্যাপক**
**কটন কলেজ**
৯৫০৮৭-০৫৭০৮

# প্ৰকৃতিবিদ শ্ৰীমন্ত শঙ্কৰদেৱ

**ড° ৰাতুল চন্দ্ৰ বৰা**

মহাপুৰুষ শঙ্কৰদেৱৰ তাঁৰাৰ প্ৰপন্ন শিষ্য মাধৱদেৱে 'সৰ্বগুণাকৰ' অভিধাৰে বিভূষিত কৰি থৈ গৈছে। সাম্প্ৰতিক কালত শঙ্কৰদেৱ অধ্যয়নে এই অভিধাৰ যথাৰ্থতা প্ৰতিপন্ন কৰিছে। শঙ্কৰদেৱ যে এগৰাকী বহুমুখী প্ৰতিভাৰ আকৰ এই কথাটো পণ্ডিত, সাহিত্যিক, সঙ্গীতজ্ঞ, কলাকাৰ, বুদ্ধিজীৱী, আণবিক বিজ্ঞানীয়েও স্বীকাৰ কৰিছে। এনে এগৰাকী বিৰল প্ৰতিভাধৰ অৱশ্যে বিশ্বত যিদৰে প্ৰচাৰ হ'ব লাগিছিল আৰু ভাৰত তথা বিশ্বত প্ৰতিষ্ঠিত হ'ব লাগিছিল সেইদৰে আজিও হৈ উঠা নাই।

শ্ৰীমন্ত শঙ্কৰদেৱ যে এগৰাকী প্ৰকৃতিবিধ সেই কথা তাঁৰাৰ জীৱন আৰু কৰ্মত (তাঁৰাৰ ৰচনাসমূহত) পোৱা যায়। শঙ্কৰদেৱৰ বাল্য জীৱনও চকু ফুৰালে দেখা যায় যে শিশু শঙ্কৰে প্ৰাকৃতিক পৰিৱেশত থাকিহে ভাল পাইছিল। সেয়ে তাঁৰাই পশু-পক্ষীৰ লগত সম্বন্ধ কৰিছিল, নদীৰ লগত সম্বন্ধ ৰাখিছিল, নদীৰ প্ৰাণীৰ লগত সম্বন্ধ কৰিছিল। শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষা সমাপ্ত কৰি জীৱন-কৰ্মত আগবাঢ়ি যাওঁতে বৰদোৱাত তাঁৰাই যি দেৱগ্ৰহ (কীৰ্তন ঘৰ) বৰদোৱা থান নিৰ্মাণ কৰিছিল সেই ঠাইত বৃক্ষৰোপণ কৰিছিল। ইয়াৰ দ্বাৰা তাঁৰাৰ পশু প্ৰেম আৰু বৃক্ষ প্ৰীতিৰ প্ৰমাণ পোৱা যায়। গুৰুচৰিত পোৱা যায়—

"পৰাশু দিনা আসি হইবে পিতৃশ্ৰাদ্ধ।
মৃগঙ্গ মাৰিবে আসি কৰিবোহো বাধ।"

— গুৰুচৰিত, ৰামচৰণ

শঙ্কৰদেৱৰ পিতৃ শ্ৰাদ্ধৰ ভোজৰ বাবে এটা হৰিণা ধৰি বান্ধি ৰাখিছিল। কিন্তু শিশু শঙ্কৰে সেইটোত বাধা দিলে আৰু হৰিণটোৰ ডিঙিত ৰচি এডাল লগাই লগৰীয়াৰ সৈতে হৰিণৰ লগত ধেমালি কৰি মৰমেৰে পিছত এৰি দিলে। বৰদোৱাত তাঁৰাউ অন্যান্য গছৰ লগতে শিলিখা গছো ৰুইছিল আৰু শিলিখা গছৰ তলত বহি শাস্ত্ৰ ৰচনা কৰিছিল। সেই গছৰ চিন এতিয়াও বৰদোৱা থানত বিদ্যমান। বৰদোৱাত তাঁৰাই আকাশীগঙ্গা নামেৰে এক দিব্য সৰোবৰ সৃষ্টি কৰিছিল। অঞ্চলবাসীৰ পানীৰ অভাৱ দূৰ কৰাৰ বাহিৰেও এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰিছিল, যিটো এতিয়াও বৰদোৱা থানত বিদ্যমান। পঞ্চদশ শতিকাত অৰণ্যৰে আবৃত অসমত বৃক্ষ-প্ৰীতিৰ দ্বাৰা গুৰুজনাই পৰিৱেশ সংৰক্ষণৰ শিক্ষা জনাসাধাৰণক দিছিল। তাঁৰাই পিছলৈ পাটবাউসী থানতো বৃক্ষ ৰোপণ কৰি এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি কৰি লৈছিল, য'ত ধৰ্ম চৰ্চাৰ লগতে শাস্ত্ৰ ৰচনাৰ উপযুক্ত পৰিৱেশ এটি তৈয়াৰ কৰি লৈছিল।

শঙ্কৰদেৱৰ ৰচনা প্ৰকৃতিৰ সুন্দৰ বৰ্ণনা পোৱা যায় আৰু বৃক্ষৰ উপকাৰিতা আৰু বৃক্ষৰ ত্যাগৰ বৰ্ণনা পোৱা যায়। ভাগৱতৰ দশম স্কন্ধৰ 'বিপ্ৰপত্নী প্ৰসাদ' অধ্যায়ত বৃক্ষৰ ত্যাগৰ এনেদৰে বৰ্ণনা কৰিছে—

"ইটো বৃন্দাবনে আছে যত তৰুগণ।
দেখ দেখ কেন মহা সাধৰ লক্ষণ।।
কৰে পৰ উপকাৰ কিনো কৃপাময়।
পৰৰসে অৰ্থে জীৱে ইটো বৃক্ষচয়।।
থাকে সহি ৰহি মহা ৰৌদ্ৰ বৃষ্টি বাত।
আমি সুখে বঞ্চো ৰহি ইয়াৰ ছায়াত।।
পৰ উপকাৰ তৰু জনম সাৰ্থক।
সন্তৰ বিমুখ যেন নুহিকে প্ৰাৰ্থক।।
.............................................
জীৱনৰ সাফল দেহীৰ এহিমানে।
জীয়ে পৰ উপকাৰ কৰি অৰ্থে প্ৰাণে।।

শ্ৰীমন্ত শঙ্কৰদেৱে 'কীৰ্ত্তন-ঘোষা'ত প্ৰকৃতিৰ বৰ্ণনা, বৃক্ষপ্ৰীতি, সৰ্বজীৱ আত্মসম ভাৱ প্ৰকাশ কৰিছে। তাঁৰাই 'হৰমোহন' অধ্যায় তৃতীয় কীৰ্ত্তনত অসমৰ প্ৰাকৃতি পৰিৱেশত বিদ্যমান প্ৰায় ত্ৰিয়াল্লিছবিধ বৃক্ষৰ নাম উল্লেখ কৰি সুন্দৰ পদ্য ৰচনা কৰিছে—

কবিয়ে দিব্য উপবনৰ নানা বৃক্ষৰ বৰ্ণনা দিয়াৰ লগতে (এনে কাল্পনিক উপবনত বিৰাজমান) নানা চৰাইৰ কথাও সুন্দৰভাৱে বৰ্ণনা কৰিছে—

"শোভে চক্ৰবাক ৰাজহংস জাক
মৃণাল ভূঞ্জৈ উভঞ্জি।।
কোড়া কঙ্ক বক বিবিধ চটক
ভ্ৰমন্ত নিৰ্ভয় ভাৱ।
অমৃত সমান জল কৰি পান
তেজৈ সুললিত ৰাৱ।

প্ৰাকৃতিৰ এনে সুন্দৰ বৰ্ণনাৰ দ্বাৰা শঙ্কৰদেৱে বৃক্ষ-প্ৰীতি আৰু পক্ষী-প্ৰীতিৰ প্ৰতি মানুহৰ মন আকৰ্ষণ কৰিছে। বৃক্ষৰ প্ৰতি বন্ধুত্ব আৰু প্ৰেম ভাৱৰ উদাহৰণ কীৰ্ত্তনৰ 'ৰাস-ক্ৰীড়া' অধ্যায়তো পোৱা যায়।

"হে আম জাম বেল বকুল।
নাহি উপকাৰী তোমাৰ তুল।।
.............................................
কতো গোপী বোলৈ শুনিয়ো বাণী।
লভাত কৃষ্ণৰ পুছা কাহিনী।

ইয়াত গোপীগণে বৃক্ষৰ প্ৰতি সম্বোধন কৰি কৃষ্ণৰ বাতৰি সুধিছে। অৰ্থাৎ বৃক্ষক আপোনজন হিচাপে ভাব কৰি অন্তৰৰ কথা নিবেদিছে।

কীৰ্ত্তনৰ 'গজেন্দ্ৰ উপাখ্যান' অধ্যায়তো নানা বৃক্ষৰ নাম উল্লেখ কৰিছে—

"শাল তাল তমাল মন্দাৰ পাৰিজাত।
চম্পক অশোক আনো পুষ্প অসংখ্যাত।।
আম জাম লেবু জৰা জামৰী খাজুৰী।
বিম্ব নাৰিকল কল তাম্বুল পাকৰি।।
অগৰু চন্দন পদ্ম সৰল সোণাৰু।
আনো যত তৰু বন সবে কল্পতৰু।।"

ইয়াত শঙ্কৰদেৱৰ বৃক্ষ প্ৰশংসা লক্ষ্য কৰিবলগীয়া। তাঁৰাই বৃক্ষক 'কল্পতৰু' বুলি উল্লেখ কৰি গছে মানুহ তথা অন্য জীৱ-জন্তুৰো সকলো মনোবাঞ্ছা পূৰ্ণ কৰিব পাৰে বুলি উল্লেখ কৰিছে। এই অধ্যায়ৰ প্ৰথম আৰু দ্বিতীয় কীৰ্ত্তনত প্ৰকৃতিৰ বিচিত্ৰ ৰূপৰ সুন্দৰ বৰ্ণনা দিছে।

সুৱৰ্ণ ৰজত লোহা জ্বলে তিনি শৃঙ্গ।
চকুত চমক লাগে দেখিতে বিৰিঙ্গ।।

(১২ পৃষ্ঠাৰ পৰা)

# নিষ্পেষিত জনগণৰ হিয়াৰ আমঠু বিষ্ণুপ্ৰসাদ ৰাভা

**উত্তম বৰুৱা**

অসমৰ ধূলি-বালিয়েও চিনি পোৱা অন্য এক বহুল প্ৰচাৰিত নাম হৈছে— বিষ্ণুপ্ৰসাদ ৰাভা। যোৱাটো শতিকাত অসম আকাশ জিলিকাই তোলা জ্যোতিষ্ক মণ্ডলীৰ মাজৰ তেওঁ আছিল এটি উজ্জ্বল তাৰকা। দুৰ্দান্ত সাহসী আৰু মেধা সম্পন্ন ব্যক্তিত্বৰ অধিকাৰী বিষ্ণু প্ৰসাদ ৰাভাই ৰাজ্যখনৰ কলা-সংস্কৃতি-সাহিত্য-সভ্যতা আদিকে ধৰি ৰাজনৈতিক জগততো খলকনি তোলাৰ উপৰি দলিত, শোষিত আৰু নিষ্পেষিত জনগণৰ বাবেও আছিল প্ৰাণৰো প্ৰাণৰ হিয়াৰ আমঠু। সমাজৰ অৱহেলিতজনৰ প্ৰতি থকা ৰাভাৰ অকৃত্ৰিম প্ৰেম, ভালপোৱা আৰু স্নেহে সেইসকলক আৱৰি ৰখাৰ অনুপম নিদৰ্শন তেওঁৰ কথা আৰু কামে প্ৰমাণ কৰি গৈছে। বিষ্ণুপ্ৰসাদ ৰাভা প্ৰকৃতাৰ্থতে ধনীৰ দুলাল আছিল। জমিদাৰীও আছিল পিতৃকুলৰ। ২.৫০০ বিঘা মাটিৰ গৰাকী আছিল তেওঁ। তৎস্বত্বেও তেওঁ নিজকে প্ৰদৰ্শিত কৰিছিল ত্যাগৰ প্ৰতিমূৰ্ত্তিৰ ৰূপত। সহস্ৰাধিক বিঘা মাটিৰ জমিদাৰ হৈয়ো তেওঁ পুঁজিপতি চৰিত্ৰ গঠনত উৎসাহ দান কৰা নাছিল। ৰাভাৰ প্ৰকৃত সম্পদ আছিল সেইসকল, যিসকলক কোৱা হয় সৰ্বহাৰা। সেই সকলৰ মাজতে বিলাই দিয়া হৈছিল জীৱনৰ সকলো বৈভৱ। দুখীয়া কৃষক, মজদুৰৰ মাজত ভূ-সম্পত্তি বিতৰণ কৰি নিজেই নিজক সৰ্বাহাৰৰ শাৰীলৈ লৈ গৈছিল। য'ত তেওঁৰ নাছিল কোনো খেদ। ক্ষুধাৰ্তজনৰ ক্ষুধা নিবাৰণ কৰিব পৰাটোৱে আছিল ৰাভাৰ বাবে পৰম আনন্দৰ কথা। লাভ কৰিছিল পৰম সন্তুষ্টিও।

বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনবোধ, আদৰ্শ আৰু অনুপ্ৰেৰণা লাভৰ মূল উৎস আছিল সমাজৰ নিৰন্তৰভাৱে নিম্নস্তৰত বাস কৰা শোষিত আৰু নিষ্পেষিত জনগণ। সেইসকলৰ লগত গঢ়ি তোলা সম্পৰ্কৰ গভীৰতাৰ মাজত বিচাৰি পোৱা গৈছিল ৰাভাৰ পৰিচয়সূচক উপাদানবোৰ। গ্ৰাম্যাঞ্চলৰ ধূলি-বালিৰে ফাঁকু খেলি ভালপোৱা ৰাভাই বোকাৰ পৰা মৌ মাখিয়ে মৌকোঁহ আহৰণ কৰাৰ দৰেই আহৰণ কৰিছিল অসমীয়া কৃষ্টি-সংস্কৃতিৰ বাবে ৰহনীয়া উপাদান। ঠিক একেদৰে দৰিদ্ৰজনৰ মাজতেই চলাইছিল জাতীয় সংস্কৃতিৰো অমৃত সন্ধান।

নিজৰ সুকীয়া দৃষ্টিভংগী আৰু জীৱনাদৰ্শত এজন বিদ্ৰোহীমনৰ সংগ্ৰামী পুৰুষ হৈয়ো তেওঁ আছিল সুন্দৰৰ পূজাৰী। নিজৰ সুকোমল শব্দ যোজনা মধুৰ ভাব বিন্যাসেৰে ঝংকাৰ তুলি তেওঁ ৰচিছিল—

"যাউতি যুগীয়া
বৰগীত অমিয়া
বনগীত সুৰীয়া সুৰীয়া অ'
গোৱা অসমীয়া
প্ৰাণ-মন ভৰি
পূজাৰী অ' পূজাৰী অ'
সুন্দৰৰ পূজাৰী অ'।"

জ্যোতিপ্ৰসাদৰ দৰেই বিষ্ণুপ্ৰসাদ ৰাভায়ো জাতীয় সংস্কৃতিৰ বহল পথাৰত জীৱনমুখী সুৰৰ কঠিয়া সিঁচিছিল। মনকৰিবলগীয়া যে জ্যোতিপ্ৰসাদ আগৰৱালা আছিল ৰোমাণ্টিক মানৱতাবাদী। ইফালে বিষ্ণুপ্ৰসাদ ৰাভাই এই মানৱতাবাদক সমাজতান্ত্ৰিক চিন্তাৰে ৰূপ ৰস দিবলৈ প্ৰয়াস কৰিছিল। এই দুয়োগৰাকী শিল্পীয়েই জনজীৱনৰ লগত সংপৃক্ত হৈ থকা মাটি-পানী, বায়ু-বতাহকলৈ গীত ৰচি সুৰ দি গাইছিল আৰু গোৱাইছিল। সুৰৰ মূৰ্চ্ছনাৰে মানৱ প্ৰাণত আলোড়ণ সৃষ্টি কৰা দুয়োগৰাকী মহান শিল্পীয়ে অসমীয়া জাতীয় কৃষ্টি-সংস্কৃতিৰ বহল পথাৰখন এনেদৰেই জীপাল আৰু উৰ্বৰ কৰি চহকী কৰি গৈছে।

উল্লেখ্য যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰেই বিষ্ণুপ্ৰসাদ ৰাভাও আছিল বহুমুখী প্ৰতিভাৰ গৰাকী। তেওঁ নিজে গীত ৰচিছিল, সুৰ দি গাইছিল, নিজে নাচিছিল, ছবি আঁকিছিল, নাটক লেখি নিজে অভিনয় কৰি দেখুৱাইছিল। তেওঁৰ গীত-নাট আদিত প্ৰায়ে ফুটি উঠিছিল নিষ্পেষিত জনগণৰ দুখ-বেদনা, হাঁহি-কান্দোন, হা-হুমুনিয়াহৰ একো একোখন স্বচ্ছ ছবি আৰু সাম্যবাদী চিন্তাৰে খুলি দিয়া মনৰ দুৱাৰখন। বিষ্ণুপ্ৰসাদ ৰাভাই নিখুঁতভাৱে পৰিৱেশন কৰা তাণ্ডৱ নৃত্য যাক দেৱাদিদেৱ মহাদেৱ শিৱৰ সংহাৰকাৰী ৰূপ নৃত্য বুলি কোৱা হয়। সেই নৃত্যৰ জৰিয়তে সমাজৰ পৰা দুষ্কৃতি আদি অশুভ শক্তিক সংহাৰ কৰি শান্তি, সম্প্ৰীতি আৰু সমতা স্থাপনৰ আহ্বান জনোৱা হৈছিল।

প্ৰকৃতাৰ্থত ক'বলৈ হ'লে বিষ্ণুপ্ৰসাদ ৰাভা আছিল শ্ৰেণীহীন, বৰ্ণহীন, সমাজৰ এগৰাকী মুখ্য প্ৰবক্তা। ধনীক শ্ৰেণী আৰু দুখীয়া, দৰিদ্ৰ শ্ৰেণীৰ বাহিৰে অন্য কোনো শ্ৰেণী বিচাৰ বা জাতি বিচাৰ তেওঁৰ নাছিল। আনহাতে, বিপ্লৱী যদিও তেওঁ আছিল ৰোমাণ্টিক । তেওঁ সমাজৰ দলিত আৰু শোষিত জনগণৰ মাজত নিজকে এনেদৰে বিলাই দিছিল, ফলশ্ৰুতিত সৰ্বসাধাৰণ জনতাই তেওঁক আপোন বুলি আকোৱালি ল'বলৈ আগবাঢ়ি গৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তাৰ জগতখন বৰলুইতৰ বক্ষৰ দৰেই সু-বিশাল আৰু মন আছিল হিমালয়ৰ দৰে সু-উচ্চ। বেশভূষাৰে সন্যাসী তেওঁ নাছিল, যদিও আত্মাই গেৰুৱা বসন পিন্ধিছিল। তেওঁৰ দৃষ্টিত বিশ্বৰ শোষিত, নিষ্পেষিত আৰু বঞ্চিতজনৰ মুক্তি আছিল জীৱনৰ পণ। তেনে এক বিদ্ৰোহী মনৰ বিপ্লৱী চেতনাৰে তেওঁ ৰচিছিল—

"শ্ৰেণীহীন, জাতি দল বিভেদবিহীন
হ'ব এক অভিনৱ নতুন সমাজতন্ত্ৰ
উচ্চাৰিত মহামন্ত্ৰ চলাই সাম্যৰ যন্ত্ৰ
বিশ্বসংঘ মিলি সবে কৰিব শাসন
ৰজা হ'ব হীন জনগন।"

ৰাভাই তেনে এখন ৰাজতন্ত্ৰকে বিচাৰিছিল, য'ত সমাজতান্ত্ৰিক বিচাৰধাৰা বিদ্যমান হৈ থাকি এক শ্ৰেণীহীন, বৰ্ণহীন সমাজ গঢ়লৈ উঠিব পাৰে। যি সমাজ ব্যৱস্থাত বুৰ্জোৱাৰ হাতৰ পৰা শাসনৰ বাঘজৰী সঁচা অৰ্থত সৰ্বসাধাৰণ ৰাইজৰ হাতলৈ আহে। এইগৰাকী মানৱতাবাদী শিল্পীয়ে সমগ্ৰ বিশ্বৰ শোষিত, নিষ্পেষিত,

(১৫ পৃষ্ঠাত চাওক)

# কিছু স্মৰণীয় মুহূৰ্ত





শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাৰ দায়িত্ব গ্ৰহণৰ মুহূৰ্ত






হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰা অচ্যুৎৰঞ্জন গগৈক শুভেচ্ছা জনাবলৈ তেখেতৰ বাসগৃহত উপস্থিত হয় পদাধিকাৰ ৰজনীকান্ত দত্তপ্ৰমুখ্যে কেন্দ্ৰীয় বিষয়ববীয়াসকল



গুৱাহাটীৰ ৰূপনগৰস্থিত সত্যসন্ধা প্ৰেছত কৰ্মৰত অৱস্থাত কৰ্মচাৰীবৃন্দ



সোণাৰাম চুতীয়াৰ জন্ম শত বাৰ্ষিকীত ধৰ্মধ্বজা উত্তোলনৰ এটি মুহূৰ্ত





সোণাৰাম চুতীয়াৰ জন্ম শত বাৰ্ষিকীত স্মৃতিচাৰণ সভাত উদ্বোধক প্ৰধান সম্পাদক বাবুল বৰা আৰু সভাত উপস্থিত বাপ-বান্ধৱ আই-মাতৃসমস্ত

# কবিতা

## গুৰু আকৌ আহা

ক'ত হেৰাল দিব্য উপবন
মোহিনী ৰূপৰ পশ্চাৎভূমি
নেদেখোচোন কেনি?
শিৰীষ সেউতী
তমাল মালতী
লৱঙ্গ বাগী গুলাল
চাৰিওফালে মাথো
কদৰ্যৰে ভৰা
আঠুৰনি বোকা
বৈদুৰ্যৰ বাট, স্ফটিকৰ ঘাট
মৰকত সাতসৰী
চৰাই-চিৰিকতিৰ কলৰোল
ভ্ৰমৰ গুঞ্জন
আজিৰ প্ৰজন্মৰ বাবে মাথো
পুথিৰ বচন
কালীয় হ্ৰদ নিকা কৰি
ৰক্ষা কৰিবলৈ দিব্য উপবন
কোনে দিব মাত
লক্ষ্মীনাথ, বিষ্ণু-জ্যোতি
তাহানিতে গ'ল
সুধাকণ্ঠৰ নামৰ কঠিয়া
শুকাই চুচুৰ্মৈ হ'ল
গুৰুজন, আকৌ আহা
কীৰ্তনৰ পদ নামৰ ৰাগিনী
ভাওনাৰ অমৃত বচন
বৰষুণ হৈ সৰি পৰক
জুৰাওক তাপিত জীৱন।◆

**নমিতা বৈশ্য**
পচৰীয়া, ৮৮২২৮-৯২২৬৪

## ভক্তি-মুক্তি

সালোক্য মুক্তি প্ৰভু
নাই বিচৰা
তোমাৰ লগত নকৰো
একেলগে বাস।
নালাগে তোমাৰ সমান
ঐশ্বৰ্য বিভূতি
দুৰাচাৰ দীন মই
দিনেপতি যাচিম অঞ্জলি।
সামীপ্য নালাগে
নিকটতো নাথাকো মই
তোমাৰ অমায়াত পৰিলে
লাগে মোৰ ভয়।
সাৰূপ্য নালাগে প্ৰভু
তোমাৰ ৰূপৰ সমান
হ'ব নিবিচাৰো
সাযুজ্য নকোৰ কামনা
তোমাৰ দৰে সুখী
বাঞ্ছা নকৰো।
পিপৰা চেনি হ'লে
মৌমাখি মৌ হ'লে
চেনি মৌক কোনে বাৰু খাব?
নিৰ্বান মুক্তিত প্ৰভু
ভকত বিলীন হ'লে
কোনে তোমাক
ভকতি কৰিব?
শুনা বাপ আইসকল
ভকতি মহাধন
মুক্তিতকৈ ভক্তি শ্ৰেষ্ঠ
যুগুতি দিলো।◆

**নলিনী ঠাকুৰীয়া**

## কৰিয়ো কৃপা যেন....

আইৰ কোলাত
পানী কেঁচুৱা হৈ থকাৰে পৰা
আকাশৰ চন্দ্ৰটো বৰ আপোন মোৰ
তথাপি তালৈ মই
হাত মেলা নাই কাহানিও
কাৰণ মই জানো
মই এটা বাওনা।
প্ৰকৃতিয়ে আতোলতোলকৈ গঢ়ি তোলা
সৌন্দৰ্যৰ পাৰভঙা সুষমা
বিচাৰিও যিটো বস্তু
পোৱা নাই কেতিয়াও
মোৰ চকুৰ পানীয়ে
পাৰ ভঙা নাই তাৰ বেদনাত
কিয়নো—
মোৰ কুশলৰ বাবেই
হয়তো বিশ্বখনিকৰে
দিব নিবিচাৰে তাক
সৰুতেই আইতাৰ মুখত শুনিছিলো
"ভালে পায় ভালক
ভোৰোহাই পায় খালক"
যিটো মই পাইছোঁ
কৰমৰ ফলত
তাত নিচুপ থকাই হ'ব
বুদ্ধিমানৰ কাম
অনাদি জনমৰ
কৰ্মৰ মেটমৰা ভঁৰাল
মোৰ পচন্দৰ নহওক সেই ফল
থাকক থাকিলে তাত
আৱৰ্জনা স্তুপীকৃত দম
বিচাৰিব জানিলে তাতো ওলাব পাৰে হয়তো
হীৰা মুকুতাৰ টুকুৰা
কিয়নো—
ফটাকঁথাত হেনো সোণ থাকে
দুখৰ সৈতে সহবাস
কিম্বা—
সুখৰ সৈতে গলাগলি
তুমি মই ইচ্ছা কৰি
সলাব নোৱাৰোঁ
বিধিৰ অলঙ্ঘনীয় বিধানবোৰ
তথাপি—
সেই পৰম পুৰুষে
অলপক নেত্ৰে চাই আছে মোৰ ফালে
কাৰণ,
তেওঁক মই সদায়
ফুচফুচাই কৈ থাকোঁ
'কৰিয়ো কৃপা যেন উচিত হয়।'◆

**অতনু বৰুৱা**

## পৰমগুৰু অনুসূয়া

স্থান-পান-দান
সময়ৰ মাপকাঠিত হিচাবৰ বান।
তমসাৰ অৰণ্য আঁতৰাই
জ্যোৎস্নাৰে মহীয়ান
যুগপুৰুষৰ জীৱন দান।

স্নান কৰালা দম্ভ-দানৱক।
পান কৰলো ভক্তি নিজৰাত।
দান কৰিলা সৰ্বকালৰ সৰ্বযুগৰ প্ৰজ্বলিত
এগছি চাকি.....।

মায়া, মোহ, অহং ত্যাগেৰে অগ্নিৰে জ্বলালা
উন্মাদ, শঠতা প্ৰতাৰণাক বন্দী কৰালা।
নিত্য, শাশ্বত অনুধাৱনেৰে আত্মোলব্ধি কৰালা..
তুমি আলোকৰ বৰ্ত্তি
সত্য শিৱ সুন্দৰৰ বিমল প্ৰাচুৰ্য।

বিপ্লৱী মন্ত্ৰ
ভকতিৰ মুকুতি
পৰমপুৰুষ সাধনাৰ হেতু
শুদ্ধ, সত্য
পৰমগুৰু অনুসূয়া।

সত্য সুন্দৰ প্ৰকাশ কৰি
শান্তি সমৃদ্ধি বোৱাই
তুমি শান্তিদূত।
কৃষ্ণৰ গুণ-গান, নাম শ্ৰৱণ-কীৰ্তন।◆

**অজয় বৰুৱা**

## অভিযান

শ্ৰেষ্ঠ এক দেৱৰ সন্ধানত
অন্ধকাৰ ফেহুঁজাল ফালি
সুদৃঢ় বিশ্বাসী অভিযানত
এজাক গুৰুমুখী সৌভাগ্য সন্ধানী।
উপদেশ মাথো চাৰিবেদ, চৈধ্য শাস্ত্ৰৰ
গুৰুৰ যুগোপযোগী আকুল আহ্বানত
যুগধৰ্মৰ সুগম পথে পথে
প্ৰেম ভকতিৰ নিৰ্মল অভিযান।
সৌভাগ্য জীৱশ্ৰেষ্ঠৰ পূৰ্বজন্মৰ
সৎসঙ্গত সেৱাধৰ্ম চিন্তন, স্মৰণ,
কৃষ্ণনামামৃত ধৰ্মাশ্ৰিতৰ অপূৰ্ব সুখ
ঈশ্বৰ বিমুখ জীৱৰ সদাই আয়াযাত দুখ।◆

**নীলমণি বৰুৱা**

## ইবাৰ কৰিবা গুৰু জগত উদ্ধাৰ

সূৰ্যমুখী ফুলৰ দৰে মৰহি শুকাইছে
ঈপ্সিত আকাংক্ষা, এমুঠি সপোন
ভাতৃঘাতী সংঘাতত নিমজ্জিত সময়
বিপৰ্যস্ত জীৱন
চৌদিশে মাথো দহন
দহি দহি নিঃশেষ হৈছে
শান্তি, সম্প্ৰীতি আৰু মানৱীয় প্ৰমূল্যৰ নীতি
নৱ পিশাচৰ বীভৎস সংহাৰ
অনিশ্চিত বৰ্তমান, ভৱিষ্যত ধূসৰ
কোনে কৰিব ত্ৰাণ.....
হৰি অংশে অৱতাৰ শ্ৰীমন্ত শঙ্কৰ
জগতৰ গুৰু তুমি সৰ্বগুণাকৰ
ইবাৰ কৰিবা গুৰু জগত উদ্ধাৰ।◆

**স্বৰ্ণলতা বণিক্য**

## শ্ৰীশ্ৰীমাধৱদেৱ

বিনয় অৱনত
বিষ্ণু বৈষ্ণৱৰ
ভকতি দুৱাৰ
সাহিত্য অমিয়া বোৱাই
নাম-ঘোষা
মহাপ্ৰস্থানৰ গান
আৰু কোনে দিব
আইৰ ভাষাৰে লিখা
অহৈতুকীয়া প্ৰেমৰ কবিতা
একো ৰখা নাই
তুমি তোমাৰ বাবে
প্ৰদ্যুৎ প্ৰদ্যুৎ লগা
বৈদ্যুতিক বান
গুৰু চৰণত
ঢালি দিছে
চিৰচৈতন্য প্ৰাণ।◆

**নৰেন চন্দ্ৰ বৈশ্য**

## মাধৱদেৱলৈ

'পশু নকৰিবা শৰ
মৰাও নানিবা, জীয়াও নানিবা
শুদাহাতে নপশিবা ঘৰ।'
বোলো বাপ!
আমিয়ে নৰপশু সেইজন।
(কিন্তু) আজি দেখো নুশুনো ক'তো
সেই অমৃত বাণী
উশাহ-নিশাহ আৰু প্ৰতিটো খোজত
অপ্ৰতিদ্বন্দ্বী একক প্ৰতিধ্বনি
বিৰ দি বাট নোপোৱা মানুহৰ ভিৰ
হায়! মানুহৰ মাজত মানুহ নাই।
বঢ়াৰ পো, ছোত আতা
নাম-ঘোষাখন লৈ
আকৌ পাতা মণিকাঞ্চনৰ আখৰা
ধুৰাহাটা বেলগুৰিতৰৈ।◆

**অৰ্চনা বুঢ়াগোহাঁই**
ধেমাজি, ৯৫০৮৬-০৩৪৩৩

# সংস্কৃতি শাখা সমিতি
## ২০১৪ বৰ্ষৰ কৰ্ম-আঁচনি

১. সংস্কৃতি শাখা, পৰীক্ষা পৰিষদ, গৱেষণা পৰিষদ আৰু জিলা সংস্কৃতি শাখাৰ সভাপতি/সম্পাদকসকলৰ সভা অতিকমেও ৬খন অনুষ্ঠিত কৰা হ'ব। সংশ্লিষ্ট জিলা, আঞ্চলিক শাখা (সংস্কৃতি শাখা) বাপসকলক লৈ জাগৰণ সভা অনুষ্ঠিত কৰা হ'ব।
২. শঙ্কৰী সঙ্গীত বিদ্যালয়ৰ প্ৰশিক্ষকসকলৰ গায়ন, বায়ন, নৰ্তনৰ এটা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।
৩. পাৰ্বতীপ্ৰসাদ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, লোকগীত আৰু আলোচনা-চক্ৰৰ ব্যৱস্থা কৰা হ'ব।
৪. যুৱ, শিশু আৰু আই-মাতৃসকলৰ মাজত শঙ্কৰী সঙ্গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব।
৫. লোককৃষ্টি আৰু শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয়ভাৱে প্ৰশিক্ষণৰ লগতে বাঁহী প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হ'ব।
৬. প্ৰয়োজনীয় আহাৰ্য প্ৰস্তুত কৰা হ'ব।
৭. যুৱ, শিশু আৰু আই-মাতৃ সমাৰোহ আৰু নাট সমাৰোহৰ পুৰস্কাৰসমূহ দানসূত্ৰে সংগ্ৰহ কৰা হ'ব।
৮. গুৰুজনাৰ সৃষ্টিৰাজি প্ৰসাৰ -প্ৰসাৰৰ বাবে ৰাজহুৱা স্থান, জিলা পুথিভঁৰাল, প্ৰেক্ষাগৃহ, বিদ্যালয়, মহাবিদ্যালয় আদিত সংশ্লিষ্ট জিলা শাখাৰ সহযোগত আলোচনা-চক্ৰ আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হ'ব।
৯. হস্ত আৰু কুটীৰ শিল্পৰ সম্পৰ্কত এটা কৰ্মশালা অনুষ্ঠিত কৰা হ'ব।
১০. অসমত থকা বিভিন্ন ভাষা-ভাষীলোকক অঙ্কীয়া নাট প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ'ব।
১১. শঙ্কৰী সঙ্গীতৰ পৰীক্ষা নিৰ্দিষ্ট সময়ত অনুষ্ঠিত কৰা হ'ব। বিদ্যালয়সমূহ পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰা হ'ব।
১২. শঙ্কৰী সঙ্গীত মহাবিদ্যালয়ত পাঠদানৰ ব্যৱস্থা কৰা হ'ব।
১৩. গৱেষণা পৰিষদৰ তত্ত্বাৱধানত পাঠ্যক্ৰম, পাঠ্যপুথি, ভিডিঅ', অডিঅ' প্ৰস্তুত (খোল প্ৰসঙ্গ আৰু বৰগীত) কৰাৰ ব্যৱস্থা কৰা হ'ব।
১৪. দূৰদৰ্শন, বাতৰি কাকত, অনাতাঁৰ যোগেদি শঙ্কৰী কলা-সংস্কৃতি প্ৰচাৰ কৰা হ'ব।
১৫. ভ্ৰাম্যমান কেন্দ্ৰীয় শিল্পীদলক সৱলীকৰণ কৰা হ'ব।
১৬. চুবুৰীয়া ৰাজ্যসমূহত গুৰুজনাৰ সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে সেই ৰাজ্যসমূহৰ লোককৃষ্টিৰ সমন্বয় সাধন কৰাৰ ব্যৱস্থা কৰা।
১৭. মূলসঙ্ঘৰ সহযোগত যুটীয়াভাৱে কাৰ্যসূচী ৰূপায়ন কৰা হ'ব।
১৮. সংগ্ৰাহালয়ত কৃতিচিহ্নসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব।
১৯. খোল-প্ৰসঙ্গ, নাম-প্ৰসঙ্গ আৰু সংশ্লিষ্ট জিলা শাখাত অঙ্কীয়া নাট সমাৰোহ অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হ'ব।
২০. ভাৰত চৰকাৰ গীত-নাট বিভাগ, অসম চৰকাৰ সাংস্কৃতিক সঞ্চালকালয় আৰু সঙ্গীত-নাটক একাডেমিৰ সহযোগত সংস্কৃতি প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হ'ব।
২১. মূলসঙ্ঘৰ সহযোগত যুটীয়াভাৱে কাৰ্যসূচী ৰূপায়ন কৰা হ'ব।
২২. কেন্দ্ৰীয় শিল্পীদলৰ শিল্পীসকলক অভিনন্দন জ্ঞাপন কৰাৰ ব্যৱস্থা কৰা হ'ব।

**বসুন্ধৰ ডেকা**
সভাপতি, সংস্কৃতি শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**পৱিত্ৰপ্ৰাণ বৰা**
সম্পাদক, সংস্কৃতি শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# শিক্ষা শাখা সমিতি
## ২০১৪-১৫ বৰ্ষৰ কৰ্ম আঁচনি

**দীৰ্ঘম্যাদী আঁচনি ঃ**

১। শ্ৰীমন্ত শঙ্কৰদেৱৰ বিদ্যালয়ৰ নামত শৈক্ষিক ন্যাস যোগেদি পৰ্যায়ক্ৰমে বিদ্যালয়সমূহৰ আন্তঃগাঠনি উন্নীতকৰণ আৰু বিদ্যালয়সমূহত শিকন শিক্ষণ সঁজুলিকে ধৰি অতি প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ।
২। বিদ্যালয়সমূহত পাঠ্যপুথিৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰে শিশু-ক শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে পৰ্যায়ক্ৰমে পাঠ্যপুথি প্ৰণয়নৰ ব্যৱস্থা গ্ৰহণ।
৩। বিদ্যালয় নথকা জিলাসমূহত বিদ্যালয়ৰ খোলাৰ বাবে আৰু পৰ্যায়ক্ৰমে দশম শ্ৰেণীলৈকে থকা বিদ্যালয়সমূহক উচ্চতৰ শাখালৈ উন্নীত কৰাৰ ব্যৱস্থা গ্ৰহণ (কণিষ্ঠ মহাবিদ্যালয়/মহাবিদ্যালয়)
৪। পৰ্যায়ক্ৰমে বিদ্যালয়সমূহৰ চৰকাৰী পঞ্জীয়নৰ ব্যৱস্থা গ্ৰহণ।
৫। বিদ্যালয়সমূহত প্ৰাচীৰ পত্ৰিকা, বছৰেকীয়া আলোচনী প্ৰকাশ আৰু ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ একোটিকৈ
পুথিভঁৰাল গঢ়ি তুলিবলৈ উদগণি যোগোৱাৰ ব্যৱস্থা গ্ৰহণ।

**হ্ৰস্বম্যাদী আঁচনি ঃ**

১। মণ্ডলসমূহৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক-মানসিক তথা বৌদ্ধিক বিকাশৰ বাবে ক্ৰীড়া, সাহিত্য আৰু
সাংস্কৃতিক প্ৰতিযোগিতা পতাৰ ব্যৱস্থা গ্ৰহণ।
২। মণ্ডল ভিত্তিক জাগৰণ সভাৰ যোগেদি বিদ্যালয় পৰিচালনা সমিতি আৰু জিলা শিক্ষা শাখা সমিতিসমূহক সক্ৰিয় আৰু সবলীকৰণৰ ব্যৱস্থা গ্ৰহণ।
৩। চলিত বৰ্ষৰ পাঠ্যপুথি নাটনিৰ জোৰা মাৰিবৰ বাবে শিশু-ক আৰু শিশু-খ শ্ৰেণীৰ পাঠ্যপুথি প্ৰকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা।
৪। শিক্ষা সন্মিলন আৰু বিদ্যালয় পৰিদৰ্শন তথা পৰ্যবেক্ষণৰ যোগেদি বিদ্যালয়সমূহৰ সমস্যাসমূহ অৱগত হৈ
সমস্যা সমাধানৰ ব্যৱস্থা গ্ৰহণ।
৫। ব্যক্তিগত বিদ্যালয় আৰু চৰকাৰী বিদ্যালয়সমূহৰ মাজত হোৱা সমস্যাসমূহ আলোচনা চক্ৰৰ যোগেদি
প্ৰয়োজনীয় সমাধান উলিওৱাৰ ব্যৱস্থা গ্ৰহণ।
৬। উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসমূহক ৰাজহুৱাভাৱে সম্বৰ্ধনা আৰু পুৰস্কৃত
কৰি ছাত্ৰ-ছাত্ৰীসমূহক উৎসাহিত কৰা ব্যৱস্থা গ্ৰহণ।
৭। শিক্ষা শাখা সমিতিৰ নিজাববীয়াকৈ এখন মুখপত্ৰ প্ৰতি বৰ্ষতে সম্পাদনা সমিতিৰ যোগেদি প্ৰকাশ কৰি উলিওৱাৰ ব্যৱস্থা গ্ৰহণ।
৮। শিক্ষা শাখা সমিতিৰ কামৰ বোজা হ্ৰাস কৰাৰ বাবে শাখাত এজন স্থায়ী কৰ্মচাৰী নিযুক্তিৰ বাবে ব্যৱস্থা গ্ৰহণ।

সভাপতি
শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

সম্পাদক
শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# কৃতিত্ব



**ৰঙিয়া ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মৰিগাঁও জিলা শাখাৰ হাবিবৰগুৱাবাৰী আঞ্চলিক শাখাৰ পৰমানন্দ প্ৰাথমিক শাখাৰ একান্ত সঙ্গী স্বপন পাটৰ আৰু ৰূপামণি পাতৰ আইৰ জ্যেষ্ঠ পুত্ৰ জিণ্টু পাটৰবাপে সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত চাৰিটা (গণিত, অসমীয়া, ইংৰাজী, বিজ্ঞান) বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনিছে।❑



**ৰঙিয়া ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৰঙিয়া জিলা শাখাৰ বাসুদেৱ আঞ্চলিকৰ জাপিয়া প্ৰাথমিক শাখাৰ দীপাঙ্কৰ কলিতাই সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছয়টা বিষয়ত লেটাৰসহ ৮৮.৮৩ শতাংশ নম্বৰ লাভ কৰি ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ উপেন কলিতাবাপ আৰু ৰুণু কলিতাআইৰ পুত্ৰ।❑

# মাজুলীত মূল কাৰ্যনিৰ্বাহক সভা

**মাজুলী ঃ** ২৪ মে' ২০১৪ তাৰিখে মাজুলী জিলা শাখাৰ আহ্বান মৰ্মে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তৃতীয়খন মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। সন্ধিয়া ৭.৩০ বজাত অনুষ্ঠিত সভাখনিৰ আৰম্ভণিতে মাজুলী জিলা শাখাৰ তৰফৰ পৰা পদাধিকাৰ, প্ৰধান সম্পাদক সমন্বিতে উপস্থিত থকা প্ৰতিগৰাকী মূল কাৰ্যনিৰ্বাহকৰ সদস্য-সদস্যাক একোখনি গামোচাৰে আদৰণি জনোৱা হয়। পদাধিকাৰ ৰজনীকান্ত দত্ত বাপৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত প্ৰধান সম্পাদকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিগত সভাৰ সিদ্ধান্তসমূহৰ কাৰ্যকৰণৰ ওপৰত বিস্তৃত ব্যাখ্যা দাঙি ধৰে। সভাত আলোচ্য বিভিন্ন বিষয়ৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় সম্পৰ্কত কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। বিশ্ববিদ্যালয়ৰ কাম তৰিৎগতিত আগবঢ়োৱাৰ বাবে ইতিমধ্যে তৈয়াৰ কৰা ৩জনীয়া তালিকাৰ পৰা উপযুক্ত গৰাকীক জুন মাহৰ ভিতৰত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে ৰেজিষ্ট্ৰাৰ, নিম্ন প্ৰয়োজনীয় কৰ্মচাৰী, অধ্যাপক নিযুক্তি আদি বিষয়েও আলোচনাত ঠাই পায়। বিশ্ববিদ্যালয় পৰিচালনাৰ বাবে প্ৰয়োজনীয় ধন সংগ্ৰহৰ বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি প্ৰথমে জুন মাহৰ ভিতৰতে প্ৰতিগৰাকী মূল কাৰ্যনিৰ্বাহক সভাৰ সদস্য-সদস্যাই নিম্নতম ৫০০০ (পাঁচ হাজাৰ) টকাকৈ আদায় দিয়াৰ সিদ্ধান্ত লোৱা হয়। ট্ৰাষ্ট সমিতিয়ে গঠন কৰি দিয়া ৯ জনীয়া বিশেষ সমিতিখনে আহ্বায়ক দেবেন দাস আৰু ড° ৰাতুল চন্দ্ৰ বৰা বাপৰ জৰিয়তে প্ৰতিখন জিলাত বিশেষ সংগ্ৰহৰ ব্যৱস্থা কৰিব। সভাত ৮৪ সংখ্যক মূলৰ ঢকুৱাখনা অধিৱেশনৰ লগতে আই-মাতৃ আৰু যুৱ সমাৰোহৰ অগ্ৰগতি সম্পৰ্কে আদৰণি সমিতিসমূহৰ সভাপতি, সম্পাদকৰ পৰা বুজ লোৱাৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰতিষ্ঠা কৰা সত্যসন্ধা প্ৰেছত (ৰূপনগৰ, গুৱাহাটী) সকলো জিলালৈকে আহ্বান জনোৱা হয় বুলি যুটীয়া সম্পাদক কুশল ঠাকুৰীয়াবাপে জানিবলৈ দিয়ে।

# শ্ৰীমন্ত শঙ্কৰদেৰ বিদ্যালয়ৰ ২০১৪ বৰ্ষৰ ছমহীয়া পৰীক্ষাৰ সময়-সূচী

## পৰীক্ষা পৰিষদ

## শিক্ষা শাখা সমিতি

| তাৰিখ-বাৰ | শ্ৰেণী | আগবেলা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ | পিচবেলা আবেলি ১ বজাৰ পৰা বিয়লি ৪ বজালৈ |
|---|---|---|---|
| ২৩-০৬-২০১৪ সোমবাৰ | প্ৰথম | ইংৰাজী | X |
| | দ্বিতীয় | ইংৰাজী | X |
| | তৃতীয় | গণিত | মৌখিক |
| | চতুৰ্থ | সমাজ বিজ্ঞান | X |
| | পঞ্চম | গণিত | X |
| | ষষ্ঠ | X | গণিত |
| | সপ্তম | X | ইংৰাজী |
| | অষ্টম | X | গণিত |
| ২৪-০৬-২০১৪ মঙ্গলবাৰ | প্ৰথম | গণিত-মৌখিক | X |
| | দ্বিতীয় | গণিত-মৌখিক | X |
| | তৃতীয় | অসমীয়া | X |
| | চতুৰ্থ | ইংৰাজী | X |
| | পঞ্চম | ইংৰাজী | X |
| | ষষ্ঠ | X | ইংৰাজী |
| | সপ্তম | হিন্দী | X |
| | অষ্টম | X | ইংৰাজী |
| ২৫-০৬-২০১৪ বুধবাৰ | প্ৰথম | অসমীয়া | X |
| | দ্বিতীয় | পৰিবেশ অধ্যয়ন | X |
| | তৃতীয় | ইংৰাজী | X |
| | চতুৰ্থ | গণিত | মৌখিক |
| | পঞ্চম | সমাজ বিজ্ঞান | X |
| | ষষ্ঠ | X | অসমীয়া |
| | সপ্তম | X | গণিত |
| | অষ্টম | X | হিন্দী |
| ২৬-০৬-২০১৪ বৃহস্পতিবাৰ | প্ৰথম | পৰিবেশ অধ্যয়ন | X |
| | দ্বিতীয় | কলাশিক্ষা | X |
| | তৃতীয় | বিজ্ঞান | X |
| | চতুৰ্থ | অসমীয়া | X |
| | পঞ্চম | অসমীয়া | X |
| | ষষ্ঠ | X | সমাজ বিজ্ঞান |
| | সপ্তম | X | অসমীয়া |
| | অষ্টম | অসমীয়া | X |
| ২৭-০৬-২০১৪ শুক্ৰবাৰ | প্ৰথম | কলাশিক্ষা | X |
| | দ্বিতীয় | অসমীয়া | X |
| | তৃতীয় | হিন্দী | X |
| | চতুৰ্থ | বিজ্ঞান | X |
| | পঞ্চম | হিন্দী | কলাশিক্ষা |
| | ষষ্ঠ | হিন্দী | কলাশিক্ষা |
| | সপ্তম | X | বিজ্ঞান |
| | অষ্টম | X | সমাজ বিজ্ঞান |
| ২৮-০৬-২০১৪ শনিবাৰ | প্ৰথম | X | X |
| | দ্বিতীয় | X | X |
| | তৃতীয় | সমাজ বিজ্ঞান | কলাশিক্ষা |
| | চতুৰ্থ | হিন্দী | কলাশিক্ষা |
| | পঞ্চম | বিজ্ঞান | X |
| | ষষ্ঠ | X | বিজ্ঞান |
| | সপ্তম | X | সমাজ বিজ্ঞান |
| | অষ্টম | X | বিজ্ঞান |

বিঃদ্ৰঃ

(১) শিশু-ক, শিশু-খ আৰু সহযোগী বিষয়সমূহৰ প্ৰশ্নকাকত বিদ্যালয়সমূহে নিজা ব্যৱস্থাৰে কৰিব।

(২) পৰীক্ষা সম্পৰ্কীয় যিকোনো বিষয়ত পৰীক্ষা পৰিষদৰ সচিব অথবা পঞ্জীয়নৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰিব।

(৩) প্ৰশ্ন কাকতসমূহ মণ্ডল ভিত্তিক, গুৱাহাটী, যোৰহাট, লখিমপুৰ, ডিব্ৰুগড় শাখা কাৰ্যালয়, শিৱসাগৰ জিলা নামঘৰ আৰু নগাঁও মূল কাৰ্যালয়ৰ ২০ আৰু ২১ জুন ২০১৪ তাৰিখৰ পৰা সংগ্ৰহ কৰিব লাগিব।

(৪) প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা ১৫.০০ টকা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা ২০.০০ টকাকৈ প্ৰশ্নৰ কাকতৰ মূল্য জমা দিব লাগিব।

(বুবুল হাজৰিকা)
সভাপতি, শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(উপেন চন্দ্ৰ নাথ)
সম্পাদক, শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# আৰ্থিক বিকাশ সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস প্ৰথম বাৰৰ বাবে সংস্কৃতি নগৰী তেজপুৰ জিলা শাখাৰ আতিথ্যত যোৱা ১ জুন তাৰিখে অনুষ্ঠিত হৈ যায়। পুৱা ৯ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সন্মানীয় পদাধিকাৰ ৰজনীকান্ত দত্তবাপে পতাকা উত্তোলন কৰে। তেজপুৰৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰ অনুষ্ঠান ভৱনত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত সভাপতিত্ব কৰে আৰ্থিক বিকাশ সমিতিৰ সভাপতি কুশল ঠাকুৰীয়াবাপে। পাঁচ সহস্ৰাধিক ভকত-বান্ধৱ, আই-মাতৃ তথা আৰ্থিক বিকাশ সমিতিৰ অংশীদাৰসকলৰ উপস্থিতিত দিনৰ ১১ বজাতক অনুষ্ঠিত মুকলি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাদেৱে। উদ্বোধনী ভাষণত বৰাবাপে সঙ্ঘৰ ভকত-বান্ধৱ তথা শুভাকাঙ্খী লোকসকল সঙ্ঘৰ এইখন আঁচনিৰ জৰিয়তে আৰ্থিকস্বাস্বলতা লাভ কৰাত উপকৃত হ'ব পাৰিব বুলি মত প্ৰকাশ কৰে। মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি পদাধিকাৰ ৰজনীকান্ত দত্তবাপে কয় যে ২০০৮ চনত আৰম্ভ কৰা সঙ্ঘৰ এইখন অভিলাষী আঁচনিয়ে প্ৰকৃতাৰ্থত অসমৰ জনগণক উপকৃত কৰিব। সঙ্ঘৰ প্ৰতিখন জিলালৈ এই বাৰ্তা প্ৰেৰণ কৰিব লাগিব। ইতিমধ্যে এইখন আঁচনিৰ জৰিয়তে অসমৰ ভয়াবহ নিবনুৱা সমস্যা সমাধানৰ বাবে স্বাৱলম্বনৰ দৰে বিশেষ বিশেষ কিছুমান আঁচনি প্ৰবৰ্তন কৰা হৈছে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি যোৰহাট আৰবান মহিলা সমবায় বেংকৰ পৰিচালন সঞ্চালিকা শলখিমী বৰুৱা আইগৰাকীয়ে বেংকটোৰ প্ৰতিষ্ঠা কালৰ অভিজ্ঞতা আৰু বৰ্তমানৰ উন্নয়নমুখী অৱস্থাৰ কথা ব্যাখ্যা কৰি কয় যে মহিলাসকল হ'ল পৰিয়ালৰ মূল চাবি-কাঠি। প্ৰতিগৰাকী মহিলাই ইচ্ছা কৰিলে মাহিলী উপাৰ্জনৰ পৰা কিছু ধন সঞ্চয় কৰি এনে ধৰণৰ বিত্তীয় প্ৰতিষ্ঠান বিলাকৰ পৰা ঋণ আদি লৈ এখন সুন্দৰ সংসাৰৰ পৰিকল্পনা কৰিব পাৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপ-পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাবাপেও আৰ্থিক বিকাশ সমিতিৰ উন্নয়নত সন্তোষ প্ৰকাশ কৰাৰ লগতে প্ৰাৰম্ভিক অৱস্থাত আৰ্থিক বিকাশ সমিতিৰে হৈ আগবঢ়োৱা সেৱাৰ কথা ব্যক্ত কৰে। সভাপতিৰ ভাষণত কুশল ঠাকুৰীয়াবাপে উপস্থিত ৰাইজ তথা অংশীদাৰসকলক ধন্যবাদ জ্ঞাপন কৰি কয় যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ২০০৫ চনতে এটি বিত্তীয় প্ৰতিষ্ঠানৰ চিন্তা কৰিছিল আৰু তেতিয়াৰ পৰাই জড়িত হৈ আছে ২০০৮ চনত এই বিত্তীয় প্ৰতিষ্ঠানটোৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতি নামেৰে জন্ম লাভ কৰিলে। সঙ্ঘৰ সঙ্গী ভকতসকলৰ মাজত ক্ষুদ্ৰ সঞ্চয়ৰ মানসিকতা গঢ়ি তোলাৰ লগতে ইয়াৰ দ্বাৰা কেনেকৈ নিজে উপকৃত হোৱাৰ লগতে অনুষ্ঠান, সমাজ তথা দেশৰ অৰ্থনীতিত কি ধৰণে ইতিবাচক প্ৰভাৱ পেলাব পাৰি তাক বিস্তৃতভাৱে ব্যাখ্যা কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এই অভিলাষী তথা সময়োপযোগী আঁচনিখনত সকলোকে জড়িত হ'বলৈ আহ্বান জনোৱাৰ লগতে অসমৰ প্ৰতিখন জিলালৈ এই বাৰ্তা প্ৰেৰণৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰিব বুলি কোৱাৰ লগতে আগন্তুক প্ৰতি বছৰৰ ১জুন তাৰিখটো আৰ্থিক বিকাশ সমিতিৰ প্ৰতিষ্ঠা দিৱস হিচাপে বিভিন্ন জিলাত অনুষ্ঠিত কৰা হ'ব বুলি সভাপতি কুশল ঠাকুৰীয়াবাপে ঘোষণা কৰে। তেজপুৰ জিলা শাখাৰ সভাপতি, সম্পাদক, বিষয়ববীয়া প্ৰমুখ্যে উপস্থিত থকা সভাত আদৰণী সমিতিৰ সভাপতি মুহিকান্ত বৰাবাপে আদৰণি ভাষণ পাঠ কৰে আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতি সম্পাদক বুবুল দাসবাপে আৰ্থিক বিকাশ সমিতিৰ ইতিবৃত্ত প্ৰতিবেদন আকাৰে পাঠ কৰে আৰু শেষত উপস্থিত সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগবঢ়ায়।❑

# অচ্যুতৰঞ্জন গগৈৰ বিশেষ অভিনন্দন অনুষ্ঠান

নাজিৰা ঃ ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰা শ্ৰীঅচ্যুৎ ৰঞ্জন গগৈৰ এক বিশেষ অভিনন্দন অনুষ্ঠান নাজিৰা জিলা শাখাৰ তৰফৰ পৰা ১ জুন, ২০১৪ তাৰিখে সংস্কৃতি বিকাশ কেন্দ্ৰত আয়োজন কৰা হয়। জিলাৰ সভানেত্ৰী ৰেখা তামুলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত নাজিৰা জিলা শাখাৰ উপৰি, নাজিৰা আঞ্চলিক শাখা, ভোগবাৰী প্ৰাথমিক শাখা, নাজিৰা নগৰ প্ৰাথমিক শাখা, বয়োজ্যেষ্ঠ নাগৰিক সন্থা, নাজিৰা লেখিকা সমাৰোহ, মহিলা কৰ্মচাৰী সন্থা নাজিৰৰাৰ তৰফৰ পৰা ছাত্ৰজনক অভিনন্দন জ্ঞাপন কৰা হয়। শ্ৰীমান অচ্যুৎ ৰঞ্জনে তেওঁৰ একাসাগৰত ঈশ্বৰত শ্ৰদ্ধাভক্তি ৰাখি, একাগ্ৰতাৰে, ধৈৰ্য সহকাৰে যিকোনো কামত মনোনিৱেশ কৰিলে লক্ষ্যত উপনীত হ'ব পাৰি বুলি কয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁৰ মাতৃ অনিলা গগৈয়ে আয়ে কয় যে, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা হিচাপে অত্যন্ত ব্যস্ত থাকিবলগা হেতুকে তেওঁ সন্তানক পঢ়া-শুনাৰ ক্ষেত্ৰত একেবাৰে সময় দিব পৰা নাছিল। অসম জাতীয় বিদ্যালয়, নাজিৰাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অহোপুৰুষাৰ্থ চেষ্টাৰ বলতেই তেওঁৰ সন্তানে সাফল্য ভাল কৰিবলৈ সক্ষম হোৱা বুলি জানিবলৈ দিয়ে। সভাত উপস্থিত জাতীয় বিদ্যালয় শিক্ষয়িত্ৰী অঞ্জুমণি তামুলী আইগৰাকীয়ে কয় যে বিদ্যালয়খনৰ জৰাজীৰ্ণ অৱস্থাতো নেওচি ভাল ফলাফল দেখুওৱাৰ কাৰণ হৈছে, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ত্যাগৰ মনোবৃত্তি। শিক্ষকতাক বৃত্তি হিচাপে গ্ৰহণ নকৰি ছাত্ৰ-ছাত্ৰীসকলক শিশু অৱস্থাৰ পৰাই নিজৰ পুত্ৰৰ দৰে শিক্ষা দিয়াৰ উপৰি অন্যান্য সকলো দিশতে মাক-দেউতাকে স্বসন্তানক লালন-পালন কৰাৰ নিচিনাকৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও কৰিছিল শ্ৰীমান অচ্যুৎৰঞ্জন গগৈ তাৰেই সচল তেখেতে মন্তব্য দিয়ে।❑

## সোণাৰাম চুতীয়া ঃ এটি অনুভৱ

(১ পৃষ্ঠাৰ পৰা)

উত্তৰণৰ প্ৰতিটো প্ৰয়োজনীয় দিশতে তেখেতৰ সৰল ব্যক্তিত্বৰ চাপ পৰি ৰ'ল।

জাতীয় জীৱনৰ উচ্চস্থানত ইতিহাসৰ লগত বহুজন ক্ষণজন্মা পুৰুষৰ নাম অঙ্গাঙ্গীভাৱে সাঙোৰ খাই পৰে। সেই সেই ব্যক্তিসকলৰ অনবদ্য অৱদানৰ জৰিয়তেহে জাতীয় জীৱনে আকাংক্ষিত লক্ষ্য সাধনৰ দিশে গতি কৰে। জাতীয় জীৱনে প্ৰাণ পাই উঠে। এনে পুৰুধা ব্যক্তিৰ জীৱনে সমাজ জীৱনৰ বাবে সংস্কৃত নব্য চেতনাৰ ঢল নমাবলৈ সমৰ্থ হয়। সত্য-শুদ্ধ ভাৱনাৰে নতুনক আদৰি আনে।

চাৰিকুৰি ওঠৰ বছৰে বিয়পা জীৱন বৃত্তত তেখেতে জীৱনৰ প্ৰতিটো শ্বাস প্ৰশ্বাসৰ মাজত অনুভৱন কৰিলে মানুহৰ মাজত ঈশ্বৰৰ অস্তিত্ব। তাতোতকৈও গভীৰৈলৈ গৈ উপলব্ধি কৰিলে গুৰু শ্ৰীমন্ত শঙ্কৰৰ মহান আদৰ্শৰঞ্জিত 'য'ত দেখা চৰাচৰ হৰিময় নিৰন্তৰৰ স্বৰূপ। জড়োপাসক পৌত্তলিকতাবাদৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হবলগা হ'ল অবিৰাম ভাবে। এই যুঁজখন বোলে আৰম্ভ হৈছিল আদি সত্য যুগতে। পৰম সত্য পৰম ব্ৰহ্ম ভগৱন্তক লোক চক্ষুৰ পৰা আঁতৰাই ৰখা ব্ৰহ্মাদি দেৱতাসকলৰ বিৰুদ্ধে চলা এই যুঁজ। আজিও এই যুঁজৰ অন্ত পৰা নাই। বিৰুদ্ধবাদী সকলে অনেক উপায় অৱলম্বন কৰি এই সংগ্ৰাম অব্যাহত ৰাখিছে। কিন্তু সত্যৰ সদায় জয়। এনে এখন যুজৰে নিপুণ সেনাপতিৰ দায়িত্ব গ্ৰহণ কৰি সোণাৰাম চুতীয়া আতাই বিজয়ৰ জয়মাল্য পিন্ধিবলৈ সমৰ্থ হ'ল। "এক কৃষ্ণদেৱ, কৰিয়োক সেৱ, ধৰিয়ো তাহান নাম। কৃষ্ণদাস হুইয়া প্ৰসাদ ভুঞ্জিয়া হস্তে কৰা তান কাম।।" এই 'এক শৰণ হৰি নাম ধৰ্ম' হ'ল সৰ্বকালৰ বাবেই পৰম সত্য।

"তুমিসে কেৱলে সঞ্চা মাত্ৰ
ৰাম ৰাম ৰাম ৰাম ৰাম
আন সৱে মিছা যতে দেখা
শুনা যাকে।।

এই পৰম সত্যক ঢাকন দি অন্যান্য দেৱতা ভজনাৰ গুণ-কীৰ্তনত পুৰোহিতৰ শ্ৰেণীৰহে স্বাৰ্থ ৰক্ষা হয়-- ধৰ্ম ভক্তিৰ মহিমা প্ৰকাশিত নহয়। 'কলিৰ পৰম ধৰ্ম হৰি নাম জানা'।

১৯৩০ চনত প্ৰতিষ্ঠা হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ। উদ্দেশ্য হ'ল মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰি থৈ যোৱা শুদ্ধ একশৰণ হৰি নাম ধৰ্মৰ যাতে কোনো কাৰণতে ব্যভিচাৰ নহয়, সাক্ষ্য পুৰোহিত শ্ৰেণীৰ কপট স্বাৰ্থৰ ফলত যাতে এই নাম ধৰ্মৰ অকণমানো হানি বিঘিনি নঘটে। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ গুৰুত্বপূৰ্ণ গুৰুঘৰীয়া দায়িত্ব গ্ৰহণ কৰি তাৰাই একান্ত অনুগত শিষ্যত্বেৰে মহিমামণ্ডিত হৈ কথাই কামে, লেখাই মেলাই প্ৰকাশে ভাষণে একশৰণৰ মহামহিমা প্ৰচাৰ কৰি গ'ল। ধন্য হ'ল এক শতাব্দী। তাৰাও ধন্য, যুগেও যেন ধন্য মানিছে এনে এজন মহা মনিষাক পায়।

গুৰু শ্ৰীমন্ত শঙ্কৰৰ নামত প্ৰতিষ্ঠিত উত্তৰ পূৱ ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয়-সাংস্কৃতিক জাতীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ধন্য হ'ল এনে এজন কৃতী পুৰুষক পাই। সোণাৰাম চুতীয়া প্ৰভুজনাৰ জীৱন দৰ্শনৰ মাজত লুকাই আছে 'বসুধৈৱ কুটুম্বকম' চিন্তা, এই দৰ্শনে মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰৰ জগত জিনা ঐশী তত্বৰ বিচাৰ বিশ্লেষণ কৰে এই মহা তত্বকে আমাৰ লোক সমাজৰ মাজত লোকহিত, লোক কল্যাণ আৰু জীৱ তৰণৰ অৰ্থেহি সকলোৱে বুজিব পৰাকৈ চুতীয়া আতাই দেখুৱাই গ'ল। এইবোৰ তেখেতে প্ৰকাশ কৰিলে সহস্ৰাধিক জনসভাৰ মঞ্চত ভাষণেৰে, উপলব্ধি কৰালে ভাগৱত ব্যাখ্যাৰ তুল সমূহত দেখুৱাই থৈ গ'ল তেখেতৰ বিভিন্ন গুৰুত্বপূৰ্ণ লেখনিৰ মাজেৰে। শত শৰতৰ জোনালী স্বপ্নৰ মাজত তাৰাই আমাৰ মহাপুৰুষীয়া সমাজখন, আমাৰ এই যুগটোক সত্য শুদ্ধ অবিনাশী স্নিগ্ধতাৰে জোনালী কৰি থৈ গ'ল। গ'ল বুলি কলে হয়তো ভুলেই হ'ব। যোৱাতো নাই-আদৰ্শৰ মধুৰ তৰঙ্গৰ মাজত মধু গুঞ্জনেৰে আমাৰ মাজতে তাৰা আজিও জীয়াই আছে।

মুক্তিযোদ্ধা সোণাৰাম চুতীয়া, মুক্তি যুজৰ অক্ৰান্ত যুজাৰু তেওঁ। দেশমাতৃৰ শৃঙ্খল মুক্তিৰ বাবে আগবঢ়োৱা তাৰাৰ অৱদান কাৰাগাৰৰ চাৰিবেৰত খুন্দিয়াই খুন্দিয়াই ওফৰি পৰিল সমস্ত সমাজৰ স্তৰে স্তৰে। যুদ্ধ জয়ৰ প্ৰেমানন্দত আকুল ব্যাকুল হৈ সমস্ত জনে হাঁহিলে, নাচিলে। ঘোষিত হ'ল মহামানৱ মহাত্মা গান্ধীৰ জয়-- গান্ধীবাদী আদৰ্শৰ জয়। অস্ত্ৰতকৈ যে প্ৰাণশক্তি শক্তিমন্ত প্ৰমাণিত হ'ল। গান্ধীবাদী চুতীয়া আতাৰ জীৱনৰ মহানতা প্ৰতিফলিত হ'ল এনে মহাযুদ্ধৰ অন্তঃস্থলেদি।

'Orators are made' তাৰাৰ উদ্দাত্ত ভাষণসমূহৰ মাজত স্ব-প্ৰকাশিত হৈ আছে শঙ্কৰ মহিমা, উদ্ভাষিত হৈ আছে "যশোদা সুন্দৰী দেখন্ত পাছে। সমস্ত জগত গৰ্ভতে আছে।।" সেইজন ঈশ্বৰ কৃষ্ণক সমস্ত জীৱতে দেখাৰ ভাৱনাৰে পূৰ্ণ তাৰাৰ হৃদয়। চুতীয়া আতাৰ প্ৰাণ প্ৰাচুৰ্যৰে ভৰা প্ৰতিটো ভাষণৰ মাজত আছে এক আৱাহনী মন্ত্ৰ-- এই মন্ত্ৰ সকলোকে জনাৰ সকলোকে চিনাৰ। কাৰোবাক দিবলৈ নিজৰ বহু থাকিব লাগিব, কাৰোবাক কবলৈ নিজে বহু জানিব লাগিব, কাৰোবাক বুজাবলৈ নিজে বহু বুজিব লাগিব। এইবোৰ কাম প্ৰকৃততে জনা, বুজা আৰু থকা সকলৰ বাবেহে সম্ভৱ। চুতীয়া আতা আছিল এইবোৰ ক্ষেত্ৰত পূৰ্ণ মাত্ৰাই সমৃদ্ধ, অতি চহকী। বেদান্তৰ শিক্ষা প্ৰদানৰ যাত্ৰাটো তেখেতে মহা যাত্ৰালৈ ৰূপান্তৰ ঘটালে।

'বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহৰে নিশ্চয়
জানা তত্ব এহিমানে।।

সমস্ত শাস্ত্ৰ অধ্যয়ন কৰি। কথন মথন কৰি সকলোৱে সাৰবস্তুতে হৰিহে এই তত্ব উপলব্ধি কৰি সমাজত ইয়াক সঠিক ৰূপত বিলাই থৈ গ'ল। লগে লগে আমাৰ অনুষ্ঠান ভাগকো চহকী কৰি গ'ল, সমাজ জীৱনকো সঠিক দিক্ দৰ্শন কৰাই গ'ল। তাৰা ধন্য।

বস্তুবাদী সমাজৰ আজিৰ ভোগাসক্তিয়ে এই মানুহজনক তিলমানো টলাব নোৱাৰিলে। সমাজ জীৱনত এনে মহীয়ান চৰিত্ৰ সতকাই পোৱাটো অতি দুৰূহ। ভোগত আনন্দ নাথাকে, ত্যাগতহে আনন্দ পোৱা যায়-- এই কথা তেখেতে কেৱল নিজে বুজি ৰূপায়ন কৰিছিল এনে নহয় বৰঞ্চ এই গুৰুত্বপূৰ্ণ তত্বভাগ সমাজ জীৱনৰ প্ৰতিফলন ঘটাবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

ভকতে ভক্তিপূৰ্ণ হৃদয়ৰ মাজত ভক্তিবিগলিত কৰুণাৰে জগতখনকে আপোন কৰি লয়। সকলোকে আপোন কৰি লোৱাৰ মানসিকতাৰে এই জগতখনক অতি উদাৰ দৃষ্টিতে চাবলৈ শিকাটো সকলোৰে বাবে সম্ভৱ নহয়। চুতীয়া প্ৰভুৰ দৰে হৃদয়বান ব্যক্তিসকল এই ক্ষেত্ৰত ব্যতিক্ৰম। তেখেত প্ৰাতঃস্মৰণীয় সকলোৰে নমস্য।

মহাপুৰুষীয়া ধৰ্মৰ একান্ত সাধক, একশৰণ তত্বৰ নিষ্ঠাবান অনুগামী, ঐশী চিন্তাৰ অগ্ৰদূত মানৱ দৰদী সোণাৰাম চুতীয়া দলিতৰ বন্ধু চুতীয়া আতা। তেখেতৰ ভিতৰত লুকাই থকা বিশ্বপ্ৰেমৰ মহিমাযুক্ত গুণাৱলী বিচাৰি উলিওৱাটো নিজৰ মন গহনত চিন্তাৰ স্ফুৰণ ঘটাও আহক। তাৰাৰ জীৱনাদৰ্শৰ গৰিমাময় অঙ্কুৰেৰে আমাৰ মনৰ পথাৰবোৰ উৰ্বৰ কৰো আহক। প্ৰেমানন্দৰ জ্যোতিৰে প্ৰতিভাত হওক মনৰ অন্ধকাৰ কুঠৰিবোৰ।

প্ৰজ্ঞাৰ সাধক সোণাৰাম চুতীয়া প্ৰভুজনা। আৰা আছিল জ্ঞানৰ সাগৰস্বৰূপ। প্ৰজ্ঞাৰ সাধনাই আছিল এই মানুহজন জীৱনৰ ব্ৰত। এই সাধনা আছিল মহাপুৰুষীয়া (শঙ্কৰী) সাহিত্য-সংস্কৃতি। ধৰ্ম-দৰ্শনৰ। এই সাধনা আছিল গান্ধীবাদী আদৰ্শ আৰু ভাৱনাৰে ৰঞ্জিত। গান্ধীজীৰ জীৱনৰ একদল ব্ৰতৰ আকৰ্ষণ আছিল এখেতৰ জীৱনৰ পাথেয়। গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন, তাৰাৰ আদৰ্শ, তাৰাৰ কৰ্ম প্ৰেৰণা আছিল চুতীয়া প্ৰভুৰ জীৱনৰ ব্ৰত। গুৰুজনৰ মানৱ দৰদী চিন্তা চেতনা আছিল তেওঁৰ জীৱন বৃত্তৰ পৰম মহত্ব। বহু শৰণৰ বোকাত পোত খাই থকা মানুহে ভোগ লিপ্সাহে চৰিতাৰ্থ কৰিব পাৰিব। মানৱী জীৱনৰ প্ৰকৃত লক্ষ্যৰ পৰা বিচলিত হব, ই নিশ্চিত। ব্ৰহ্ম জিজ্ঞাসা তেওঁলোকৰ বাবে সম্ভৱ নহয়, নাৰায়ণ তত্বৰ ওচৰকে চাপিব নোৱাৰিব এয়া চুতীয়া প্ৰভুৰ বাণী। এই তত্বেৰে তেখেতে নিজে জীৱন মূল জনগণকো আৱাহন জনালে-- সত্য, শিৱ, সুন্দৰ সাধনা আৰু আৰাধনাৰ বাবে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল লক্ষ্য আৰু উদ্দেশ্যই হ'ল "বহুজন হিতায়, বহুজন সুখায়"। অনুষ্ঠানটোৰ সৰ্বতো প্ৰকাৰ কল্যাণৰ চিন্তাৰে উচৰ্গা কৰা এনে এটি চৰিত্ৰ আমাৰ মাজত কিয় জগততে বিৰল বুলি কলেও বোধকৰো ভুল নহয়।

এই পুৰুধা ব্যক্তিজনাৰ শতবৰ্ষৰ শুভ মুহূৰ্তত আমি তেখেতলৈ নতশিৰ, নতজানু হৈ শ্ৰদ্ধা জনাবলৈ পাই কৃতাৰ্থ হৈছো, বৰ্ষজোৰা শতবৰ্ষৰ উপাদেয় আৰু অনুপম কাৰ্যসূচীয়ে তাৰাৰ জীৱনাদৰ্শ সেৱাৰ অনাবিল আনন্দ, প্ৰতিবাদী কণ্ঠৰ গভীৰ বাঙ্ময়তা সৃষ্টি কৰি স্বদেশ স্বজাতিক ভাল পোৱা মানুহৰ হৃদয়বোৰত অনুৰণিত কৰি তোলক এয়া আমাৰ আশা।❑

## প্ৰকৃতিবিদ শ্ৰীমন্ত শঙ্কৰদেৱ

(৭ পৃষ্ঠাৰ পৰা)

আগে মত শৃঙ্গ ৰত্নে কৰে তিৰিবিৰি।
দশোদিশে প্ৰকাশিয়া লোভে শুক্ল গিৰি।।

গুৰুজনাই নিজৰ ৰচনাৰ বহুঠাইত প্ৰকৃতিৰ সুন্দৰ উপমাৰে তাৰাৰ সাহিত্য অতি মনোগ্ৰাহী কৰি তুলি ধৰিছে।

পদ্মপত্ৰ সম আয়ত লোচন
ভ্ৰূৰ যুগ কৰে কান্তি।
নাসাতিল ফুল অধৰ বাতুল
দলন মুকুতা পান্তি।।
কীৰ্ত্তন

গুৰুজনাই কীৰ্ত্তন-ঘোষাৰ বহু ঠাইত জগতৰ সকলো প্ৰাণীকে আত্মসম জ্ঞান কৰি সকলোকে দয়া কৰিবলৈ উপদেশ দিছে—

"সমস্ত ভূততে আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।
..............................
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ।।

'হৰিশ্চন্দ্ৰ উপাখ্যান'ত লিখিছে—

"জগতৰ পুণ্য মানি জানা নিষ্ঠ কৰি।
প্ৰাণী উপকাৰৰ অন্নকো নুহি সৰি।।
হেন জানি প্ৰাণীক অভয় দিয়া দান।
বোলা হৰি হৰি পাইবা বৈকুণ্ঠত থান।।"

জগতৰ সকলো প্ৰাণীয়ে উপকাৰী আৰু ইটো প্ৰাণী আনটো প্ৰজাতিৰ প্ৰাণীৰ উপকাৰী সেই বিজ্ঞানসন্মত কথাটো পঞ্চদশ শতিকাতে লিখি থৈ গৈছে, যিটো কথা বিংশ শতিকাত পৰিৱেশ বিজ্ঞানীয়ে চিন্তা কৰি পাইছে।

যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া
— বৰগীত

এগৰাকী বিদেশী দাৰ্শনিক পণ্ডিতৰ মতে—

This we know
All things are connected
Like the blood
Wich uhites one family.
–Ted Parry

"The basic oneness of the Universe is not only the central charecteristic of the mystical expentuience, but is also one of the most important revolations of modern physics." (F. Capra)

শ্ৰীমন্ত শঙ্কৰদেৱে কৈছে যে মানুহে কেৱল পাৰ্থিৱ চিন্তাৰ আৱৰ্তত সীমাবদ্ধ হৈ থকাৰ বাবে সীমাহীন ব্যাপ্তিৰ অস্বত্বৰ কথা পাহৰি থাকে যদিও প্ৰত্যেক জীৱ এক পৰমেশ্বৰ অংশ (জীৱ অংশে প্ৰৱেশিলা গাৰে গাৰে"— কীৰ্ত্তন) কিন্তু আমাৰ ক্ষুদ্ৰ ব্যক্তি চিন্তাৰ বাবে সেই কথা আমাৰ অগোচৰ। মহান মানৱতাবাদী বিজ্ঞানী আইনষ্টাইনে লেখা এটি প্ৰবন্ধৰ উদ্ধৃতিৰে এই চমু আলোচনাটি সামৰিব খুজিছোঁ—

"প্ৰত্যেক মানুহেই হ'ল এটা সমগ্ৰৰ অংশ। সেই সমগ্ৰটোকে বিশ্বব্ৰহ্মাণ্ড বুলি কোৱা হয়। মানুহ বিশ্বব্ৰহ্মাণ্ডৰ অংশ হ'লেও তেওঁ স্থান আৰু কালৰ মাজত সীমাবদ্ধ। বিশ্বব্ৰহ্মাণ্ডৰ অংশ হোৱা সত্বেও তেওঁ নিজকে পৃথক আৰু বিচ্ছিন্ন বুলি ভাবে। তেওঁ ভাবে যে তেওঁৰ ভাব আৰু অনুভূতিবোৰ সমগ্ৰৰ পৰা অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ পৰা বিচ্ছিন্ন। ই অৱশ্যে তেওঁৰ চেতনাৰ ভ্ৰমৰ বাহিৰে আন একো নহয়। এই ভ্ৰম হ'ল মানুহৰ কাৰণে এক ধৰণৰ কাৰাগাৰ। সেই কাৰাগাৰে আমাৰ ব্যক্তিগত আশা-আকাংক্ষা আৰু স্নেহ-প্ৰীতি আমাৰ ঘনিষ্ঠতম কেইজনমান মানুহৰ মাজত কেন্দ্ৰীভূত কৰি ৰাখে। আমাৰ প্ৰয়াস হ'ব লাগিব সেই কাৰাগাৰৰ পৰা নিজকে মুক্ত কৰা। সেই কাম আমি কেনেকৈ কৰিব পাৰো? আমি সেই কাম কৰিব পাৰো আমাৰ সহানুভূতিৰ বৃত্তটোক বহু দূৰলৈকে প্ৰসাৰিত কৰি সমগ্ৰ প্ৰকৃতি আৰু প্ৰাণীকুলক আপোন বুলি আঁকোৱালি লোৱা। কোনো মানুহৰ পক্ষে এই চেষ্টাত সম্পূৰ্ণভাৱে সফল হোৱা সম্ভৱ নহয়। কিন্তু সেই চেষ্টাত সফল হ'বলৈ সাধনা কৰি থকাটোও মানুহৰ মুক্তিৰ সাধনাৰ এটা প্ৰধান অংশ আৰু অন্ত জীৱনৰ নিৰাপত্তাৰ এটা প্ৰধান ভিত্তি।" (অনুবাদ ঃ গায়ত্ৰী লাগাচু)।❑

# শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ

## ২০১৩ বৰ্ষৰ খেৰসুতি আই ছাত্ৰ বৃত্তি পৰীক্ষাৰ ফলাফল

### ৩০-০৪-২০১৪ তাৰিখৰ শিক্ষা শাখা সমিতিৰ দ্বিতীয় বৈঠকত অনুমোদিত

| পৰীক্ষাৰ্থীৰ নাম | বিদ্যালয়ৰ ঠিকনা | প্ৰাপ্ত নম্বৰ | শতকৰা নম্বৰ | প্ৰাপ্ত স্থান |
|---|---|---|---|---|
| সুদক্ষিণা কোঁৱৰ | ঢকুৱাখনা | ৩৮৯ | ৮৬.৪ | প্ৰথম |
| ভিতালী শইকীয়া | জুটুলনী | ৩৮৪ | ৮৫.৩ | দ্বিতীয় |
| জগদীশ বৈশ্য | মহিনা | ৩৮১ | ৮৪.৭ | তৃতীয় |
| দীশা ডেকা | মহিনা | ৩৭৪ | ৮৩.১ | চতুৰ্থ |
| দীপজ্যোতি ৰাজবংশী | মহিনা | ৩৭৩ | ৮২.৯ | পঞ্চম |
| ত্ৰিবেণী গোঁহাই | ঢকুৱাখনা | ৩৭৩ | ৮২.৯ | পঞ্চম |
| প্ৰীতম হাজৰিকা | গোঁহাইবাৰী | ৩৭২ | ৮২.৭ | ষষ্ঠ |
| মনামী বৰা | নিতাইপুখুৰী | ৩৬৬ | ৮১.৩ | সপ্তম |
| কিঙ্কৰ বৈশ্য | মহিনা | ৩৬৬ | ৮১.৩ | সপ্তম |
| অৰিন্দম বৰা | জাজৰী | ৩৬৫ | ৮১.১ | অষ্টম |
| জাহ্নবী সোণোৱাল | ৪নং তৰাণী | ৩৬৩ | ৮০.৭ | নৱম |
| জিণ্টীমণি দাস | কৰিয়া | ৩৬৩ | ৮০.৭ | নৱম |
| জ্যোতি চাহু | ঢকুৱাখনা | ৩৬২ | ৮০.৪ | দশম |
| বৰ্ণালী ডেকা | জাজৰী | ৩৬২ | ৮০.৪ | দশম |
| মিলনজ্যোতি গগৈ | নিতাইপুখুৰী | ৩৬২ | ৮০.৪ | দশম |
| নিশিতা গগৈ | নগাহাট | ৩৬১ | ৮০.২ | একাদশ |
| আকাশ শাহা | মাজৰআটি, নগাঁও | ৩৬১ | ৮০.২ | একাদশ |
| সঙ্গীতা দত্ত | মাজৰআটি, নগাঁও | ৩৬১ | ৮০.২ | একাদশ |
| অদিতি নাগ | হোলাংকাটনী | ৩৬১ | ৮০.২ | একাদশ |
| ৰিতিকা কৈৰী | হোলাংকাটনী | ৩৬০ | ৮০ | দ্বাদশ |
| বিজয় বাগলাৰী | হাওৱাঘাট | ৩৬০ | ৮০ | দ্বাদশ |
| বিৰিঞ্চি কুমাৰ বৰা | বিষ্ণুপাৰ কানাইঘাট | ৩৬০ | ৮০ | দ্বাদশ |
| সৌৰভ হাজৰিকা | ৰেংমাগ্ৰাণ্ট | ৩৬০ | ৮০ | দ্বাদশ |
| টিনামণি শইকীয়া | তেজপুৰ, মাজগাঁও | ৩৬০ | ৮০ | দ্বাদশ |
| মূৰ্চনা পাঠক | শিয়ালমাৰী | ৩৬০ | ৮০ | দ্বাদশ |

(ৰজনীকান্ত দত্ত)
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(বুবুল হাজৰিকা)
সভাপতি, শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(বাবুল বৰা)
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(উপেন চন্দ্ৰ নাথ)
সম্পাদক, শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

বিঃদ্ৰঃ ২০১৩ বৰ্ষৰ ছাত্ৰবৃত্তি পাবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ কোনো ছাত্ৰ-ছাত্ৰী যদি বৰ্তমান সংশ্লিষ্ট বিদ্যালয়খনত অধ্যয়ন কৰি থকা নাই সেইসকল ছাত্ৰ-ছাত্ৰীৰ নাম তাৎক্ষণিকভাৱে শিক্ষা শাখাৰ সম্পাদকলৈ লিখিতভাৱে জনাবলৈ বিদ্যালয়ৰ প্ৰধানসকলক অনুৰোধ জনোৱা হ'ল।

# সত্যসন্ধা প্ৰেছ সম্পৰ্কে

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল, জিলা, আঞ্চলিক আৰু প্ৰাথমিক পৰ্যায়ত স্মৃতিগ্ৰন্থ, গ্ৰন্থ প্ৰমুখ্যে ছপা সম্পৰ্কে যথেষ্ট কাৰ্য সম্পাদন কৰা হয়। ভকত বৈষ্ণৱৰ কষ্টোপাৰ্জিত ধনেৰে গুৰুজনাৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে অতদিনে অহোপুৰুষাৰ্থ কৰি থকাসকলো বাপ-বান্ধৱলৈ আমি চিৰকৃতজ্ঞ। তদুপৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল সমিতিয়ে বিভিন্ন শাখা সমিতিক ছপা সম্পৰ্কীয় কামত সকাহ দিয়াৰ বাবে ২৬ এপ্ৰিল, ২০১৪ত গুৱাহাটী ৰূপনগৰস্থিত শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰত সত্যসন্ধা প্ৰেছ নামেৰে এটি অত্যাধুনিক প্ৰেছৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তবাপে শুভ উদ্বোধন কৰে। বৰ্তমান পূৰ্ণ গতিৰে সত্যসন্ধা প্ৰেছৰ কাৰ্য সম্পাদন হৈ আছে। সেয়েহে আমি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সমূহ সঙ্গী বাপ-আই তথা শুভাকাংক্ষীক সত্যসন্ধা প্ৰেছত ছপা সম্পৰ্কীয় কাম কৰি কৃতাৰ্থ ক'ৰলৈ সেৱা ধৰিলোঁ।

**কৃষ্ণকান্ত ডেকা**
সভাপতি
ফোন ঃ ৯৪৩৫১-০৯৬৪৯

**ৰজনী ঠাকুৰীয়া**
সম্পাদক
ফোন ঃ ৯৪০১২-২৭০৪৪

**সত্যসন্ধা প্ৰেছ পৰিচালনা সমিতি**

# শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ

## ২০১৩ বৰ্ষৰ পণ্ডিত মহেন্দ্ৰ কন্দলী ছাত্ৰ বৃত্তি পৰীক্ষাৰ ফলাফল

### ৩০-০৪-২০১৪ তাৰিখৰ শিক্ষা শাখা সমিতিৰ দ্বিতীয় বৈঠকত অনুমোদিত

| পৰীক্ষাৰ্থীৰ নাম | বিদ্যালয়ৰ ঠিকনা | প্ৰাপ্ত নম্বৰ | শতকৰা নম্বৰ | প্ৰাপ্ত স্থান |
|---|---|---|---|---|
| সৰোজিনী লাগাচু | ঢকুৱাখনা | ৫৩৮ | ৮৯.৭ | ১ম |
| লক্ষ্যজিৎ দলে | ঢকুৱাখনা | ৫৩৭ | ৮৯.৫ | ২য় |
| ৰঞ্জিতা কলিতা | কৰিয়া | ৫২৮ | ৮৮ | ৩য় |
| কংকনা গোস্বামী | তেজপুৰ, মাজগাঁও | ৫১৯ | ৮৬.৫ | ৪ৰ্থ |
| সংগীতা দলে | ঢকুৱাখনা | ৫১৭ | ৮৬.২ | ৫ম |
| জয়ামণি চাংমাই | জুটুলনী | ৫১৩ | ৮৫.৫ | ৬ষ্ঠ |
| যুগশ্মী দাস | কৰিয়া | ৫০৮ | ৮৪.৭ | ৭ম |
| অৰুণাভ শইকীয়া | কাকী ২ নং | ৫০৬ | ৮৪.৩ | ৮ম |
| শিল্পী ডেকা | বৈদ্যটুপ, নগাঁও | ৫০৪ | ৮৪ | ৯ম |
| ভাৰ্গৱ গগৈ | ঢকুৱাখনা | ৫০২ | ৮৩.৭ | ১০ম |
| মুনলুং গগৈ | জুটুলনী | ৪৯৭ | ৮২.৮ | ১১শ |
| প্ৰাৰ্থনা বৰা | কাকী ২ নং | ৪৯৬ | ৮২.৭ | ১২শ |
| মৰমী চাংমাই | নগাহাট | ৪৯৩ | ৮২.২ | ১৩শ |
| ৰিম্পী গগৈ | ৰেংমা গ্ৰাণ্ট | ৪৯২ | ৮২ | ১৪শ |
| ৰোম্পী চুতীয়া | ৰেংমা গ্ৰাণ্ট | ৪৮৫ | ৮০.৮ | ১৫শ |
| ত্ৰিদিপ গগৈ | নিতাইপুখুৰী | ৪৮৪ | ৮০.৭ | ১৬শ |
| বৰষা গগৈ | নগাহাট | ৪৮৩ | ৮০.৫ | ১৭শ |
| যুগল দেউৰী | বিষ্ণুপুৰ, কানাইঘাট | ৪৮২ | ৮০.৩ | ১৮শ |
| প্ৰিয়ংকা কোঁৱৰ | জুটুলনী | ৪৮১ | ৮০.২ | ১৯শ |
| বাৰবি আহমেদ | নিতাইপুখুৰী | ৪৮০ | ৮০ | ২০শ |

(ৰজনীকান্ত দত্ত)
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(বুবুল হাজৰিকা)
সভাপতি, শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(বাবুল বৰা)
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

(উপেন চন্দ্ৰ নাথ)
সম্পাদক, শিক্ষা শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

বিঃদ্ৰঃ ২০১৩ বৰ্ষৰ ছাত্ৰবৃত্তি পাবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ কোনো ছাত্ৰ-ছাত্ৰী যদি বৰ্তমান সংশ্লিষ্ট বিদ্যালয়খনত অধ্যয়ন কৰি থকা নাই সেইসকল ছাত্ৰ-ছাত্ৰীৰ নাম তাৎক্ষণিকভাৱে শিক্ষা শাখাৰ সম্পাদকলৈ লিখিতভাৱে জনাবলৈ বিদ্যালয়ৰ প্ৰধানসকলক অনুৰোধ জনোৱা হ'ল।

# জাননী

ইয়াৰ দ্বাৰা শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ প্ৰধানসকলক জনোৱা হয় যে সপ্তদশ শিক্ষক প্ৰশিক্ষণ অহা ইংৰাজী ০৭-০৭-২০১৪ তাৰিখৰ পৰা ১২-০৭-২০১৪ তাৰিখলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নগাঁও মূল কাৰ্যালয়ত আয়োজন কৰা হৈছে। উক্ত প্ৰশিক্ষণ শিবিৰলৈ প্ৰতিখন বিদ্যালয়ৰ পৰা কলা বিষয়ত পাঠদান কৰা এগৰাকী আৰু বিজ্ঞানযঅংক বিষয়ত পাঠদান কৰা এগৰাকী (সৰ্বমুঠ দুগৰাকী) শিক্ষক-শিক্ষয়িত্ৰীক নিশ্চিতভাৱে পঠাবলৈ জনোৱা হ'ল। নতুন শিক্ষক নাথাকিলে আগতে উল্লেখ কৰা বিষয়ত পাঠদান কৰি থকা পুৰণা শিক্ষক-শিক্ষয়িত্ৰীকে প্ৰশিক্ষণৰ বাবে পঠাবৰ বাবে জনোৱা হ'ল। শিক্ষক-প্ৰশিক্ষণৰ প্ৰয়োজনীয় নীতি-নিয়ম তলত উল্লেখ কৰা হ'ল।

**প্ৰশিক্ষণৰ নীতি-নিয়মসমূহ ঃ**

১। প্ৰশিক্ষণ একে সময়তে কলা আৰু বিজ্ঞান দুটা শাখাত অনুষ্ঠিত হ'ব।
২। প্ৰশিক্ষণলৈ আহোতে লগত পাঠ্যপুথি, বিচনা চাদৰ, আঠুঁৱা, গাৰু আৰু ব্যক্তিগতভাৱে ব্যৱহাৰ কৰা অতি প্ৰয়োজনীয় বস্তুযসামগ্ৰীসমূহ লগত আনিব। তুলি আনিব নালাগে।
৩। প্ৰশিক্ষণৰ সময়ত পুৰুষ আৰু মহিলা সকলো প্ৰশিক্ষকে অসমীয়া জাতীয় পোচাক পৰিধান কৰাটো বাধ্যতামূলক। অৱশ্যে ব্যায়ামযআসন আদি কৰাৰ সময়ত উক্ত বাধ্য বাধকতা নাথাকিব।
৪। প্ৰতিজন প্ৰশিক্ষাৰ্থীয়ে ৩০০/- (তিনিশ) টকাকৈ প্ৰশিক্ষণ মাচুল প্ৰশিক্ষণ শিবিৰত পঞ্জীয়ন কৰাৰ সময়ত নিশ্চিতভাৱে জমা দি ৰচিদ সংগ্ৰহ কৰিব লাগিব।
৫। প্ৰশিক্ষণলৈ পঠোৱা প্ৰশিক্ষকসকলৰ নাম-ঠিকনা আদি লিখিতভাৱে বিদ্যালয়ৰ প্ৰধানসকলে প্ৰেৰণ কৰিব।
৬। প্ৰশিক্ষণ শিবিৰত পঞ্জীয়ন হোৱাৰ পিচত কোনো প্ৰশিক্ষাৰ্থী বিনা অনুমতিত প্ৰশিক্ষণ শিবিৰৰ চৌহদ এৰি যাব নোৱাৰিব।
৭। বিদ্যালয় প্ৰধানসমূহক প্ৰশিক্ষাৰ্থীসকলৰ নাম ৩০-০৬-২০১৪ তাৰিখে পোৱাকৈ তলৰ ঠিকনাত লিখিতভাৱে প্ৰেৰণ কৰিব লাগিব। প্ৰয়োজন সাপেক্ষে শিক্ষা শাখাৰ সম্পাদকক ফোন অথবা ই-মেইল যোগেও জনাব পাৰিব।

যোগাযোগৰ ঠিকনা
শ্ৰীউপেন চন্দ্ৰ নাথ, সম্পাদক
শিক্ষা শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ফোন নং ঃ ৯৪৩৫৭-৩৭৭২৮, ৯৪৩৫২-২১২১৫
E-mail : upench.nath2010@gmail.com

# গুৰুধৰ্মৰ কাণ্ডাৰী

*(১ পৃষ্ঠাৰ পৰা)*

প্ৰথমছোৱা কাল। এই ছোৱাকালৰ তাৰাৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ল আত্ম-অভিমান। গুৰুজনাক লগ পোৱাৰ পৰা ১৫৬৮ খ্ৰীষ্টাব্দত গুৰুজন বৈকুণ্ঠী হোৱালৈ এই ৪৬ বছৰ কাল মাধৱদেৱৰ জীৱনৰ মধ্যছোৱা। এইছোৱা কালৰ তাৰাৰ চাৰিত্ৰিক বিশেষ বৈশিষ্ট্য হ'ল অতুলনীয় গুৰুসেৱা। ১৫৬৮ খ্ৰীষ্টাব্দৰ পৰা ১৫৯৬ খ্ৰীষ্টাব্দত ভেলাদুৱাৰত মাধৱদেৱে বৈকুণ্ঠ গমন কৰালৈকে এই ২৮ বছৰ কাল তাৰাৰ জীৱনৰ শেষছোৱা কাল। এই কালছোৱাত মাধৱদেৱক ভক্তিপন্থৰ প্ৰধান কাণ্ডাৰীৰূপে পোৱা যায়। আমাৰ আলোচনাত মাধৱদেৱৰ শেষছোৱা কালৰ কৃতিসমূহৰ বিষয়ে কিছু ৰেখাপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

মহাপুৰুষ শঙ্কৰদেৱে শেষবাৰৰ বাবে যেতিয়া বেহাৰলৈ যায় যোৱাৰ প্ৰাকমুহূৰ্তত এটি অতি তাৎপৰ্যপূৰ্ণ ঘটনা সংঘটিত কৰিছিল। বেহাৰলৈ যাবলৈ পাটবাউসীৰ পৰা ওলাই আহি গুৰুজনে এনিশা গণককুছিত মাধৱদেৱৰ সৈতে কটাইছিল। সেই নিশা মহাপুৰুষ শঙ্কৰদেৱে মাধৱদেৱৰ সৈতে একেলগে অন্ন গ্ৰহণ কৰি একেখন বিছনাতে শুই গোটেই নিশা মহাপুৰুষ মাধৱদেৱক ঐহিক, পাৰলৌকিক, আধ্যাত্মিক সকলো তত্ত্বজ্ঞান দি ভৱিষ্যতে পন্থৰ নেতৃত্ব দিব পৰাকৈ মাধৱদেৱক প্ৰস্তুত কৰি তুলিছিল। এই কথা উল্লেখ কৰি কথা গুৰু চৰিতত লিখিছে— "মহা প্ৰেমানন্দ খেলা সুখে ভোজন কৈলে। মুখ শুধিকৈ একে শয্যা শয়ন কৈলে। একে ভাও ঠাকুৰে দেখি আশ্চৰ্য অদ্ভূত হ'ল। পাচে তৈল টেঙ্গালৈ পাও জান্তি প্ৰাৰ্থনা কৰিছে। গুৰুজনে কৈছে বাহু নাম চৰ্চ্চি পুত্ৰ, নাতি, পৰিনাতি, পত্নী, বহাৰী, দুহিতৃ, ভক্ত যাদও পাণ্ডও, গোপ, গোপী, ঋষি, ৰাজা, বৈকুণ্ঠ, পৃথিৱী, পাতাল, সবাৰে কথা সাৰা নিশা। শক্তি, ভক্তি, বল, পৰাক্ৰম সবাকে চোট আতাত থৈ ভাণ্ড বাকি অমৃত পান কৰাই জন্ম, মৃত্যু সৰালে।" (ক. গু.চ., পৃ. ২১৭-১৮) এইদৰে মহাপুৰুষ শঙ্কৰদেৱে নিজৰ সমস্ত শক্তি, ভক্তি, বল, পৰাক্ৰম, গুণ-গৰিমা মহাপুৰুষ মাধৱদেৱত অৰ্পণ কৰি পিছদিনা প্ৰত্যুষতে বেহাৰলৈ গমন কৰিছে। মহাপুৰুষ শঙ্কৰদেৱৰ অনেকজন গুণী-জ্ঞানী, তত্ত্বজ্ঞ, ৰসজ্ঞ, সুদক্ষ, একান্ত অনুগামী শিষ্য-প্ৰশিষ্য আছিল। এই সকলো শিষ্য-প্ৰশিষ্যৰ ভিতৰত মাধৱদেৱ আছিল অনন্য— সবাতোকৈ বিশিষ্ট। গুৰুজন আছিল স্ৰষ্টা আৰু দ্ৰষ্টা। সেইবাবে ভৱিষ্যৎ দ্ৰষ্টা গুৰু শঙ্কৰদেৱে তাৰাৰ পিছত পন্থৰ নেতৃত্ব দিয়াৰ বাবে মহাপুৰুষ মাধৱদেৱক প্ৰস্তুত কৰি তুলিছিল। গুৰুজনাৰ মনৰ কথা তাৰাৰ বৈকুণ্ঠ প্ৰয়াণৰ প্ৰাকমুহূৰ্তত ৰমানন্দ ঠাকুৰৰ আগত ব্যক্ত কৰি গুৰুভাৰ মাধৱদেৱত অৰ্পণ কৰি মহাপ্ৰয়াণ কৰে। এই কথাৰ বৰ্ণনাও 'কথা গুৰু চৰিত'ত সুন্দৰভাৱে দিয়া আছে। গুৰুজন বৈকুণ্ঠলৈ গমন কৰাৰ প্ৰাক্ মুহূৰ্তত ৰমানন্দ ঠাকুৰে অৱনত স্বৰে খেদ কৰি ক'লে যে তেওঁ একো সৰ্বস বস্তু নাপালে। তেতিয়া গুৰুজনে ক'লে যে তাত তাৰাৰ যি দ্ৰব্য বস্তু আছে সকলো তেওঁৰ হাততে আছে আৰু তাৰাৰ ঘৰত থকা সোণ, ৰূপ, তামা, কাঁহা সকলো তেওঁৰ মাকৰ হাতত আছে। তেতিয়া ৰমানন্দ ঠাকুৰে ক'লে যে তেওঁ পাৰ্থিৱ দ্ৰব্যৰ কথা কোৱা নাই 'বৈকুণ্ঠৰ সৰ্বস'ৰ কথাহে কৈছে। তেতিয়া গুৰুজনে পৰম প্ৰেমত আপ্লুত হৈ তেওঁক সাৱতি লৈ মুণ্ডত চুম্বন কৰি কৈছে— "এ তোমাৰ আমাৰ পিতা-পুত্ৰৰ সম্বন্ধ আজিহে ঘটিল। এতিয়া আৰু তুমি আমাত হন্তে নোপোৱা। আমি শক্তি, ভক্তি, বল, পৰাক্ৰম বৰাপো হাতে থৈ আহিছো সবে খানি। বৰাপোক শিষ্য নুবুলিবা। গুৰু বোধকৈ সুধি ল'বাগৈ পাবা।" (ক. গু. চ., পৃ-২২২) ৰমানন্দক এই উপদেশ দি মাধৱদেৱত গুৰুভাৰ অৰ্পণ কৰি গুৰুজনে বৈকুণ্ঠলৈ গতি কৰিছে। গুৰুজনে ভেলা মধুপুৰত শেষবাৰ গৈ আঢ়ৈ বছৰকাল থকাৰ পিছত বৈকুণ্ঠী হৈছে। তালৈ যোৱাৰ প্ৰাকমুহূৰ্তত গুৰুজনে যি কৰ্ম কৰি গৈছিল তাৰ প্ৰকৃত তাৎপৰ্য ভকতসকলে পৰৱৰ্তী সময়তহে উপলব্ধি কৰিব পাৰিছিল।

গুৰুজনাৰ আজ্ঞাত মহাপুৰুষ মাধৱদেৱ যে কেৱল ধৰ্মৰ উত্তৰাধিকাৰী হৈছিল এনে নহয়। তেওঁ গুৰুজনাৰ গীত আৰু কবিত্ব গুণৰো উত্তৰাধিকাৰী হৈছিল। গুৰুজনাৰ জীৱন কালত মহাপুৰুষ মাধৱদেৱ সদায় গুৰুজনাৰ সৈতে গাত ছাঁটোৰ দৰে লাগি আছিল। গুৰুজনাৰ মহাপ্ৰয়াণৰ পিছতহে ভক্তসকলে মহাপুৰুষ মাধৱদেৱৰ শক্তি, ভক্তি, গুণ, গৰিমা, বল, পৰাক্ৰম, চিন্তা, চেতনা, সাংগঠনিক দক্ষতা আদিৰ বিষয়ে ক্ৰমে উপলব্ধি কৰিবলৈ ধৰে। মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ এই শেষ কালছোৱা আটাইতকৈ বেছি সংঘাতপূৰ্ণ অথচ এই কালছোৱাতেই তাৰাৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ ঘটিছে।

বেহাৰৰ মধুপুৰত গুৰুজন বৈকুণ্ঠী হোৱাৰ ন দিনৰ দিনা ৰমানন্দ ঠাকুৰ আহি গণককুছি পায়। মাধৱদেৱে তেওঁক আগবঢ়াই আনিবলৈ গৈ 'আলো মাই কি কহব দুখ' এই বৰগীতটি গায় মনৰ বেদনা প্ৰকাশ কৰে। ৰমানন্দ ঠাকুৰে গুৰুজন বৈকুণ্ঠী হোৱাৰ খবৰটি দি শ্ৰাদ্ধাদি কাৰ্য কিদৰে সমাপন কৰিব তাকে লৈ চিন্তা প্ৰকট কৰে। মাধৱদেৱ মহাপুৰুষে সকলো দ্ৰব্য বস্তু আয়োজন কৰি থোৱা বুলি কৈ ৰমানন্দ ঠাকুৰক কোনো চিন্তাৰ কাৰণ নাই বুলি কয়। যথা সময়ত গুৰুজনাৰ দহা আৰু শ্ৰাদ্ধাদি কৰ্ম ভকতসকলকে ধৰি ব্ৰাহ্মণ আদি সকলো সম্প্ৰদায়ৰ অসংখ্য লোকৰ উপস্থিতিত সমাপন কৰা হয়। হৰি-কীৰ্তনৰ অন্তত নাৰায়ণ দাস ঠাকুৰ আতাই গুৰুজনে কাক কি বাক্য বুলি গ'ল ৰমানন্দ ঠাকুৰৰ পৰা জানিব বিচাৰে। তেতিয়া ৰমানন্দ ঠাকুৰে আদ্যোপান্ত সকলো ঘটনা বিৱৰি কয় আৰু মাধৱদেৱক গুৰু বোধকৈ তেওঁৰ পৰা ধৰ্মবস্তু গ্ৰহণ কৰিবলৈ উপদেশ দিয়াৰ কথা ব্যক্ত কৰে। এই কথা শুনি ঠাকুৰ আতা অতি আনন্দিত হয় আৰু টকা বস্ত্ৰ আদি শৰাইত আগবঢ়াই মাধৱদেৱৰ আগত থৈ গুৰুবাক্য শিৰোগত কৰি মহাপুৰুষ মাধৱদেৱক ধৰ্মাধিকাৰ হিচাপে ৰাজহুৱাভাৱে ঘোষণা কৰে। তেতিয়াৰে পৰা মহাপুৰুষ মাধৱদেৱৰ হাতত ভক্তিপন্থৰ নেতৃত্বৰ গুৰুভাৰ পৰে। মাধৱদেৱে গণককুছিৰ পৰা নিতৌ পাটবাউসীলৈ আহি গুৰু পত্নী আৰু ঠাকুৰসকলৰ বুজ-বাজ লৈ থাকে। কিছুদিনৰ পিছত ৰমানন্দ ঠাকুৰ বসন্ত ৰোগত আক্ৰান্ত হয়। তেতিয়াও মাধৱদেৱে নিতৌ আহি ঠাকুৰক সেৱা শুশ্ৰূষা কৰি আছিল। কিন্তু সেই ৰোগতে ৰমানন্দ ঠাকুৰ বৈকুণ্ঠগামী হ'ল। মাধৱদেৱে নিতৌ আহি গুৰুপত্নী আৰু ঠাকুৰসকলৰ খা-খবৰ লৈ থকা দেখি শঙ্কৰদেৱৰ খুৰাকৰ পুতেক হিংসাকুৰীয়া ৰতিকান্তই মাধৱদেৱক তেওঁৰ চৰিত্ৰত ধৰি কটুবাক্য বুলিলত তেওঁৰ অন্তৰ দেই-পুৰি কলা হৈ গ'ল আৰু সেই ঠাই পৰিত্যাগ কৰি বেহাৰলৈ যাবলৈ মন মেলিলে। এই কথাৰ সম্ভেদ পাই গুৰুপত্নীয়ে তেওঁক বুজাই-বঢ়াই সুন্দৰীদিয়ালৈ পঠালে। তালৈ গৈ মাধৱদেৱ ভনীয়েকৰ গৃহত থাকিল। গুৰুজনে দি থৈ যোৱা দায়িত্ব পালন নকৰি তেনেদৰে সময় কটোৱা কাৰ্যত নাৰায়ণদাস ঠাকুৰ আতাই সমুলি ভাল পোৱা নাছিল। এদিন মাধৱদেৱৰ কথামতে এটি সপোনৰ চৰ্চা কৰাৰ চলেৰে ঠাকুৰ আতাই মাধৱদেৱৰ কৰ্তব্য সোঁৱৰাই দিলে আৰু দামোদৰদেৱৰ দৃষ্টান্ত দেখুৱাই ক'লে যে তেওঁ সত্ৰ-নামঘৰ সাজি তাত ভাওনা-সবাহ পাতি মানুহক আকৰ্ষণ কৰিছে আৰু চৌদিশৰ পৰা মানুহ আহি তেওঁৰ ওচৰত ধৰ্ম ধৰিছে। গতিকে মাধৱদেৱেও নামঘৰ-মণিকূট হাটীবাটী পাতি গুৰুধৰ্ম বিলাই মানুহক তৰণৰ উপায় দিব লাগে। ঠাকুৰ আতাৰ পৰামৰ্শক্ৰমে মহাপুৰুষ মাধৱদেৱে সুন্দৰীদিয়াত নামঘৰ, মণিকূট, হাটীবাটী আদি সজাবলৈ আদেশ দিলে। মাধৱ পুৰুষে ভকতসকলৰ সৈতে লগলাগি চালে চকু ৰোৱাকৈ বিতোপন নামঘৰ-মণিকূট নিৰ্মাণ কৰি তুলিলে আৰু ভকত থাকিবৰ কাৰণে ভিন ভিন ঘৰ নিৰ্মাণ কৰিলে। তেতিয়াৰ পৰা মহাপুৰুষ মাধৱদেৱে ধৰ্মাধিকাৰ হিচাপে নিয়মীয়াকৈ শাস্ত্ৰ-চৰ্চা, ধৰ্ম প্ৰচাৰ আৰু শৰণ দিয়া কাৰ্যত আত্মনিয়োগ কৰিলে। ঠাকুৰ আতাই চাৰিওফালৰ গাঁৱে গাঁৱে গৈ অনেক লোক আনি মাধৱদেৱৰ ওচৰত শৰণ লোৱাবলৈ ধৰিলে।

সুন্দৰীদিয়াত থাকোতে মহাপুৰুষ মাধৱদেৱে পূৰ্বে গুৰুজনে কৰা আজ্ঞামতে শাস্ত্ৰ শিৰোমণি 'নাম-ঘোষা' শাস্ত্ৰখনিৰ সৰহসংখ্যক পদ ৰচনা কৰে আৰু ৰামচৰণ ঠাকুৰক মহাপুৰুষে ৰচনা কৰা 'কীৰ্ত্তন-ঘোষা' শাস্ত্ৰখনিৰ বিভিন্ন স্থানত সিঁচৰিত হৈ থকা খণ্ডকেইটি সংগ্ৰহ কৰি একত্ৰিত কৰিবলৈ আজ্ঞা দিয়ে। সেইমতে ৰামচৰণ ঠাকুৰে বিভিন্ন স্থান ভ্ৰমণ কৰি অতি কষ্ট কৰি বহু বছৰৰ মূৰত 'কীৰ্ত্তন-ঘোষা' শাস্ত্ৰখনি একত্ৰিত কৰিবলৈ সমৰ্থ হয়। এই কাম সমাধা হোৱাৰ সময়ত মাধৱদেৱ গৈ ভেলাদুৱাৰত থিতাপি লৈছিল। ৰামচৰণ ঠাকুৰে তালৈকে গৈ মহাপুৰুষ মাধৱদেৱৰ হাতত 'কীৰ্ত্তন-ঘোষা' শাস্ত্ৰখনি অৰ্পণ কৰে। এই দুৰুহ কাৰ্য সম্পাদন কৰাত মাধৱদেৱ অতি আনন্দিত হৈ ভাগিন ৰামচৰণক উচ্চ প্ৰশংসা কৰে।

মহাপুৰুষ শঙ্কৰদেৱৰ যিদৰে কেবাগৰাকী অনেক গুণী-জ্ঞানী, ত্যাগী আৰু একনিষ্ঠ শিষ্য আছিল, তেনেদৰে মহাপুৰুষ মাধৱদেৱৰো অনেকজন গুণী-জ্ঞানী, ত্যাগী, নৈষ্ঠিক ভক্ত আছিল। সেইসকলৰ ভিতৰত চৌদ্ধজন ভকতৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই ভক্তসকলে মহাপুৰুষ মাধৱদেৱত শৰণ গ্ৰহণ কৰিছিল। এইসকলৰ ভিতৰত মহাপুৰুষ মাধৱদেৱে বাৰজনক প্ৰধান ধৰ্মাচাৰ্য পাতিছিল। মাধৱদেৱৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকল হ'ল— ৰামচৰণ ঠাকুৰ (সুন্দৰীদিয়া সত্ৰ), মথুৰাদাস বুঢ়াআতা (বৰপেটা সত্ৰ), দক্ষিণকুলীয়া বৰবিষ্ণু আতা (চমৰীয়া সত্ৰ) কেশৱচৰণ বা ভাটকুছি আতা (বৰজহা সত্ৰ), পঢ়িয়া আতৈ (হেৰামদৈ সত্ৰ), লক্ষ্মীকান্ত আতৈ (ধোপগুৰি সত্ৰ), লেচাকণীয়া গোবিন্দ আতা (খটৰা সত্ৰ), ভৱানীপুৰীয়া গোপাল আতা, বংশীগোপাল (দেৱেৰাপাৰ সত্ৰ), যদুমণি (আধাৰ, মাহৰা, ঘাৰমৰা পটিয়াৰি সত্ৰ) শ্ৰীহৰি (লাইআটী সত্ৰ), পদ্ম আতা বা বদুলা আতা (কমলাবাৰী সত্ৰ)। এই বাৰগৰাকীৰ উপৰিও আছিল প্ৰধান সেৱক হিচাপে শ্ৰীৰাম আতা আৰু হৰিহৰ আতা।

সুন্দৰীদিয়াত থাকোতে মহাপুৰুষ মাধৱদেৱৰ দুগৰাকী ভক্তক এজন লোকে দুৰ্ব্যৱহাৰ কৰাত তেওঁ তাৰপৰা বৰপেটা থানলৈ গুচি আহে। তাতে মথুৰাদাস বুঢ়াআতাৰ আতিথ্যত থাকি ধৰ্ম প্ৰচাৰ কৰি থকাৰ সময়ত এটি ঘটনা ঘটিল। অসুৰাৰি ভট্টাচাৰ্য নামে এজন ব্ৰাহ্মণ পণ্ডিতৰ পুত্ৰই শান্তিপুৰত অনেক শাস্ত্ৰ অধ্যয়ন কৰি পাণ্ডিত্যাভিমানী হৈ মাধৱদেৱৰ সৈতে বাদ কৰিবলৈ গৈছিল। তাত মাধৱদেৱে তেওঁক শাস্ত্ৰীয় যুক্তিৰে মাত মাতিব নোৱাৰা কৰাত তেওঁ অতি লজ্জিত হৈ উভতি আহি পিতৃক সকলো কথা ক'লে। তেতিয়া অসুৰাৰিয়ে ৰজা ৰঘুদেৱৰ ওচৰত গৈ মাধৱদেৱৰ বিৰুদ্ধে অনেক মিছা অভিযোগ দি গোচৰ তৰে। ৰজাই খণ্ডত একোনাই হৈ ৰাজবিষয়া সুৰানন্দক মাধৱদেৱক ধৰি নিবলৈ পঠায়। সুৰানন্দই বৰপেটালৈ আহি মাধৱদেৱক ধৰি নি ৰজাক গটাই দিয়ে। ব্ৰাহ্মণ পণ্ডিতসকলে মাধৱদেৱৰ সৈতে বাদ কৰিবলৈ অনেক শাস্ত্ৰ গোটাই দিনে নিশাই পঢ়িবলৈ ধৰে। কিন্তু পূৰ্বে শঙ্কৰদেৱৰ ওচৰত তৰ্কবাদত পৰাস্ত হৈ লাজত পৰা কথা স্মৰণ কৰি তেওঁলোকে কেইগৰাকীমান বুদ্ধি থকা ছাত্ৰক পঠাই মাধৱদেৱৰ শাস্ত্ৰ জ্ঞানৰ ভূ লৈ বুজিব পাৰিলে যে মাধৱদেৱৰ সৈতে বাদ কৰিলে তেওঁলোক পৰাস্তহে হ'ব। সেইবাবে আলচ কৰি তেওঁলোকে ৰজা ৰঘুদেৱক ক'লে যে তেওঁলোকে এইজন মাধৱদেৱক নহয় খনাৰ মাধৱকহে আনিবলৈ কৈছিল। ৰজাই তেতিয়া ব্ৰাহ্মণসকলক খং কৰি মাধৱদেৱক বৰপেটাত থৈ আহিবলৈ বিষয়াসকলক আদেশ দিলে। মাধৱদেৱে এই কথাত মৰ্মান্তিক আঘাত পালে। ৰজাই যদি ব্ৰাহ্মণসকলৰ সৈতে বাদ কৰাৰ সুযোগ দিলেহেঁতেন তেতিয়া ভক্তিধৰ্মৰ শ্ৰেষ্ঠত্ব তেওঁ প্ৰতিপন্ন কৰিব পাৰিলেহেঁতেন। কিন্তু সেইটো হৈ নুঠিল। মাধৱদেৱে খেদ কৰি বেহাৰলৈ যাবলৈ মন মেলিলে। এই কথাৰ সম্ভেদ পাই নাৰায়ণ দাস ঠাকুৰ আতা বৰপেটাৰ সলনি আন এখন পুণ্যস্থান ৰজাৰ পৰা বিচাৰি ল'বলৈ মাধৱদেৱক খাটিলে। সেই কথা ৰজাৰ ওচৰ পোৱাত কুতৰ্কী ব্ৰাহ্মণসকলে আলচ কৰি পুণ্যস্থান গোকুললৈ মাধৱদেৱক পঠাই দিবলৈ ৰজাক পৰামৰ্শ দিলে। অবিবেকী ৰজাই সেইমতে আজ্ঞা দিলে। কিন্তু মাধৱদেৱে গোকুললৈ যাব নোখোজাত ৰজাৰ ভোগ ৰান্ধনিয়ে ৰজাক ক'লে যে গোকুল, বৃন্দাবন, কাশী এইবোৰ ঠাই ৰজাৰ নহয়, সেয়ে তেওঁক আন এখন পুণ্য ঠাইলৈ পঠাব লাগে। তেতিয়া তেওঁক ৰজাই হাজোলৈ যাবলৈ আদেশ দিলে। হাজোত মাধৱদেৱ গৈ তিনিমাহ সময় আছিল। তাত থাকোতে তেওঁ পাণ্ডাসকলৰ অনুৰোধত হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰিছিল। পিছত চৌদিশৰ পৰা অনেক লোক আহি মাধৱদেৱত শৰণ গ্ৰহণ কৰিছিল। মাধৱ মন্দিৰলৈ মানুহৰ সোঁত কমাত পাণ্ডাসকলে বয়বস্তু নোপোৱা হ'ল। তেতিয়া পাণ্ডাসকলে গৈ মাধৱদেৱৰ বিৰুদ্ধে ৰজাক খল লগালে। ৰজাই মাধৱদেৱক অন্য ঠাইলৈ যাবলৈ কোৱাত মাধৱদেৱে পূৰ্বে আলচি থোৱামতে বেহাৰ ৰাজ্যলৈ গমন কৰে। তাতে ৰজা লক্ষ্মী নাৰায়ণৰ মাতৃৰ পৰামৰ্শক্ৰমে ভেলাদুৱাৰত নামঘৰ-মণিকূট হাটীবাটী সজাই নামধৰ্ম প্ৰচাৰ কৰি থাকি জীৱনৰ শেষৰ সময়খিনি কটায় বৈকুণ্ঠ গমন কৰে।

গুৰুধৰ্মৰ কাণ্ডাৰী হিচাপে মহাপুৰুষ মাধৱদেৱে একশৰণ হৰিনাম ধৰ্মৰ নীতি-নিয়ম, আচাৰ-বিচাৰ, নাম-প্ৰসঙ্গ আদি সকলোবোৰ সুশৃঙ্খলিত আৰু প্ৰণালীবদ্ধ কৰি তুলিছিল। মহাপুৰুষ মাধৱদেৱ এগৰাকী অতি পৱিত্ৰ, শুদ্ধ, সদাচাৰী আৰু নৈষ্ঠিক ভকত আছিল। তাৰাৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলকো সেই নীতিনিষ্ঠা আৰু মানসিকতাৰে গঢ়ি তুলিছিল। সুকোমল হৃদয়ৰ গৰাকী মহাপুৰুষ মাধৱদেৱ একশৰণ ধৰ্মৰ নীতি পালনৰ ক্ষেত্ৰত সদায় বজ্ৰকঠোৰ আছিল।❑

# কৃতিত্ব



**গোৱালপাৰা ঃ** যোৱা ইং ২০/০৫/২০১৪ তাৰিখে ঘোষিত চি.বি.এছ.ই. দিল্লীৰ পৰা ঘোষিত দশম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত গোৱালপাৰা বাপুজীনগৰৰ শৈলধৰ ৰাভাই বিশেষ কৃতিত্ব অৰ্জন কৰে। গুৱাহাটীৰ বৰঝাৰস্থিত মাইলছ ব্ৰনছন্স আৱাসিক বিদ্যায়ৰ পৰা (ইংৰাজী মাধ্যম) পৰীক্ষাত অৱতীৰ্ণ হৈ শৈলধৰ ৰাভাই ৯৮% নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ, গোৱালপাৰা জিলা শাখাৰ অন্তৰ্গত গোৱালপাৰা আঞ্চলিক শাখাৰ সম্পাদক জয়ন্ত কুমাৰ ৰাভা আৰু পদুমী দেৱী ৰাভাৰ একমাত্ৰ পুত্ৰ শ্ৰীমান ৰাভাৰ এই সাফল্যত গোৱালপাৰা অঞ্চলবাসী ৰাইজে গৌৰৱ অনুভৱ কৰি শুভেচ্ছা আৰু আশীষ প্ৰদান কৰে।❑



**তেজপুৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ তেজপুৰ জিলা শাখাৰ কমাৰ চুবুৰী প্ৰাথমিক শাখাৰ ৰাজশ্ৰী বৰায়ে ২০১৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা (ইংৰাজী-৯১, অসমীয়া-৮৬, ৰাজনীতি বিজ্ঞান-৮৪, অৰ্থনীতি বিজ্ঞান-৮০) চাৰিটা বিষয়ত লেটাৰ সহ ৮৩.৬ শতাংশ নম্বৰ লাভ কৰি ষ্টাৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ তেজপুৰ জিলা শাখাৰ তথা কমাৰচুবুৰী প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনে। এওঁ কমাৰচুবুৰী নিবাসী প্ৰৱীণ বৰাবাপ আৰু ৰেণু বৰা আইৰ কন্যা।❑



**তেজপুৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ তেজপুৰ জিলা শাখাৰ অন্তৰ্গত তেজপুৰ আঞ্চলিক শাখাৰ কমাৰ চুবুৰী প্ৰাথমিক শাখাৰ শিল্পী শিখা বৰায়ে সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিহগুৰি ছোৱালী হাইস্কুলৰ পৰা (অসমীয়া-৮৩, বিজ্ঞান-৮৮, গণিত-৮৭, সমাজ বিজ্ঞান-৮৮, ভূগোল-৮৪) পাঁচটা বিষয়ত লেটাৰ সহ ৮৪.৮৩ শতাংশ নম্বৰ লাভ কৰি ষ্টাৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ তেজপুৰ জিলা শাখাৰ তথা কমাৰচুবুৰী প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনে। এওঁ কমাৰচুবুৰী নিবাসী ৰূপেশ্বৰ বৰাবাপ আৰু শেৱালী বৰা আইৰ কন্যা।❑



**কলিয়াবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ কলিয়াবৰ জিলা শাখাৰ চামধৰা প্ৰাথমিক শাখাৰ সৃষ্টি হাজৰিকাই সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কলিয়াবৰৰ অগ্ৰণী শিক্ষানুষ্ঠান শিশু বিদ্যাপীঠ হাইস্কুল, কুঁৱৰীটোলৰ পৰা (অসমীয়া-৮০, ইংৰাজী-৮৬, বিজ্ঞান-৯৩, গণিত-৮০, সমাজ বিজ্ঞান-৮৮, ঐচ্ছিক ভূগোল-৮৪) ছয়টা বিষয়ত লেটাৰসহ ৮৫.১৭ শতাংশ নম্বৰ লাভ কৰি ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কলিয়াবৰ তথা চামধৰা প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ চামধৰা গাঁৱৰ নিবাসী কুমুদ হাজৰিকা আৰু আশা হাজৰিকা আইৰ প্ৰথমা কন্যা।❑



**কলিয়াবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ কলিয়াবৰ জিলা শাখাৰ ১নং মধ্য কলিয়াবৰ প্ৰাথমিক শাখাৰ হিমাশ্ৰী বৰায়ে সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মধ্য কলিয়াবৰ ছোৱালী হাইস্কুলৰ পৰা (অসমীয়া-৮০, ইংৰাজী-৮০, বিজ্ঞান-৮৬, সমাজ বিজ্ঞান-৮২, হিন্দী-৮৩) পাঁচটা বিষয়ত লেটাৰসহ ৮০ শতাংশ নম্বৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ তেলিয়াগাঁও নিবাসী প্ৰয়াত ৰবিন বৰা আৰু লক্ষীমাই বৰা আইৰ দ্বিতীয়া কন্যা।❑



**কলিয়াবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ কলিয়াবৰ জিলা শাখাৰ ১নং মধ্য কলিয়াবৰ প্ৰাথমিক শাখাৰ চিন্ময় বৰায়ে সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কলিয়াবৰৰ অগ্ৰণী শিক্ষানুষ্ঠান শিশু বিদ্যাপীঠ হাইস্কুল, কুঁৱৰীটোলৰ পৰা (অসমীয়া-৮৭, ইংৰাজী-৮৬, বিজ্ঞান-৯৪, সমাজ বিজ্ঞান-৯২, হিন্দী-৮৭) পাঁচটা বিষয়ত লেটাৰসহ ৮৭ শতাংশ নম্বৰ লাভ কৰি ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কলিয়াবৰ তথা ১ নং মধ্য কলিয়াবৰ প্ৰাথমিক শাখালৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ জমখলাগাঁৱৰ নিবাসী লখিকান্ত বৰাবাপ আৰু যোগ বৰাআইৰ একমাত্ৰ পুত্ৰ।❑



**ৰঙিয়া ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ জিলা শাখাৰ বাসুদেৱ আঞ্চলিকৰ বাৰাংহাটী প্ৰাথমিক শাখাৰ সঙ্গী নৃপেন্দ্ৰ দাস আৰু প্ৰতিভা দাসআইৰ পুত্ৰ চিন্ময় দাসে সদ্য ঘোষিত ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সংস্কৃত, বিজ্ঞান, অসমীয়াত লেটাৰসহ ৭৭ শতাংশ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়।❑

# আমঠু বিষ্ণুপ্ৰসাদ ৰাভা

*(৭ পৃষ্ঠাৰ পৰা)*

অৱহেলিত আৰু বঞ্চিতজনৰ মুক্তিৰ বাণী প্ৰচাৰ কৰিছিল জীৱনজোৰা শিল্প সাধনাৰে।

আদ্ৰে মালৰোৰে কৈছিল—" সংস্কৃতি হ'ল সকলো ধৰণৰ কলা, চিন্তা আৰু প্ৰেমৰ যোগফল। এই সংস্কৃতিয়েই যুগৰ পিছত যুগ ধৰি মানুহক স্বাধীন কৰি আহিছে।" কলা, চিন্তা আৰু প্ৰেম এই তিনি উপাদানৰ সংমিশ্ৰণত যি সংস্কাৰিক উপাদান লাভ হয় সেয়ে সংস্কৃতি। বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে মহান শিল্পীসকলেও প্ৰেম আৰু মহানুভৱতাৰে সমাজৰ স্নিস্তৰত থকা অৱহেলিত লোকসকলক স্বাধীনমনা হ'বলৈ সচেতন কৰি কৈছিল—

"হেৰ বিদ্ৰোহী বিপ্লৱী বীৰ
তোল তোৰ অৱনত শিৰ।"

সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে আকণ্ঠ ঘৃণা আৰু শ্ৰমজীৱী শোষিত শ্ৰেণীটোৰ জীৱন সংগ্ৰামৰ উপলব্ধিৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ কণ্ঠ আৰু লিখনিত নতুন শক্তি আৰু গতিশীলতা সঞ্চাৰিত হৈ উঠিছিল। তেওঁ দৃঢ়তাৰে অনুভৱ কৰিছিল যে দেশত পুঁজিপতিৰ শাসন ব্যৱস্থা বৰ্তি থাকিলে ধনীক শ্ৰেণীটো অধিক ধনী হ'ব আৰু এই শ্ৰেণীটোৰ পুঁজি আহৰণত বনুৱা শ্ৰেণীটোৱে শিৰ অৱনত কৰি হাড়ভগা শ্ৰম কৰিব লাগিব আৰু তেওঁলোক সদায়ে ধনীক শ্ৰেণীৰ স্বাৰ্থৰ বাবেই গৰীবৰ শাৰীত পৰি ৰ'ব। কাৰণ পুঁজিপতিসকলে নিজৰ স্বাৰ্থৰ প্ৰতি দৃষ্টি ৰাখিয়ে গৰীব, দুখীয়াসকলক সদায় পদদলিত কৰি ৰাখিবলৈ বিচাৰি আহিছে। খাতিখোৱা এই শ্ৰেণীটোৰ স্বাৰ্থৰ কথা অনুধাৱন কৰি পুঁজিপতি শ্ৰেণীটোৱে চলাই অহা শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে গীত ৰচি, নাটক কৰি শোষক শ্ৰেণীটোৰ স্বৰূপ উদঙাই দিছিল তেওঁ। সেই বাবেই তেওঁ কৃষক-বনুৱাসকলৰ মাজত প্ৰিয়ভাজন হ'ব পাৰিছিল।

শাসকগোষ্ঠীৰ দৃষ্টিত ৰাজনৈতিক দলীয় স্বাৰ্থই শতাব্দীৰ পিছত শতাব্দী ধৰি আগস্থান লাভ কৰি আহিছে। এনে ৰাজনৈতিক স্বাৰ্থৰ বিপক্ষে মাত মাতিবলৈ যোৱাটোও বিপদৰ কথা. সংস্কাৰিক ভাষাত অস্পৃশ্য গ'বলগীয়া হয়। বিপ্লৱী কমিউনিষ্টৰ দৰ্শনত বিশ্বাস স্থাপন কৰি পুঁজিপতিৰ দ্বাৰা প্ৰতিপালিত গণতান্ত্ৰিক শাসন ব্যৱস্থাই যে জনগণক শোষণ, নিষ্পেষণৰ পৰা মুক্ত কৰিব নোৱাৰে, সেই ধাৰণাৰে ৰাজনৈতিক নীতি-আদৰ্শ গ্ৰহণ কৰিবলৈ তেওঁ শাসকগোষ্ঠীৰ বাবে অস্পৃশ্য হৈ পৰে। ইয়াৰ ফলশ্ৰুতিত চৰকাৰ পূৰ্ব বিদেশী। আৰু স্বৰাজোত্তৰ স্বদেশী চৰকাৰৰ দৃষ্টিত শত্ৰুস্বৰূপ হৈ পৰিছিল তেওঁ। আনকি শেহতীয়া ভাৱে ১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত 'চীনৰ গুপ্তচৰ' বুলি উৰা বাতৰি প্ৰচাৰ কৰি তেজপুৰত ৰাজহুৱাভাৱে অসন্মানিতো কৰা হৈছিল। অথচ সেইজন বিষ্ণুপ্ৰসাদ ৰাভাকে যে তেজপুৰৰে ৰাইজে অসম বিধানসভালৈ নিৰ্বাচিত কৰি পঠিয়াইছিল। এই ঘটনাৰ দ্বাৰা এই কথাই প্ৰতীয়মান হয় যে বিষ্ণুপ্ৰসাদ ৰাভা সৰ্বসাধাৰণ খাতিখোৱা জনগণৰ মাজত কিমান জনপ্ৰিয় আছিল। তাতোকৈয়ো মন কৰিবলগীয়া যে এটা সময়ত যি গৰাকী শাসকগোষ্ঠীৰ দৃষ্টিত চকুৰ কুটা দাঁতৰ হুল হৈ পৰিছিল, পৰৱৰ্ত্তীকালৰ পৰিৱৰ্তিত পৰিৱেশত সেইগৰাকী ব্যক্তিকেই ৰজাঘৰে, প্ৰজাঘৰে তেওঁৰ গুণৰ পূজাত সকলো নতজানু।

বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে বহুমুখী প্ৰতিভাধৰসকলৰ স্মৰণে তেওঁলোকৰ অৰ্ন্তজীৱনত প্ৰৱেশ কৰাৰ সুযোগ আনি দিয়ে। ইয়াৰ লগতে তেনে একোগৰাকী লোকৰ ব্যক্তিত্বৰ মহত্বৰ দিশসমূহো উদ্ভাষিত হৈ উঠে। তেওঁ নিজে খাটি ৰাভা সম্প্ৰদায়ৰ লোক লৈ এজন হাড়ে হিমজুৱে খাটি থলুৱা অসমীয়া বুলি কৈহে গৌৰৱ অনুভৱ কৰিছিল। তেওঁৰ কল্পনা আছিল বৰ অসম গঢ়াৰ। সমাজ ব্যৱস্থাৰ চিন্তাত আছিল সাম্যবাদী সমাজতান্ত্ৰিক মতাদৰ্শবাদ। যি শাসন ব্যৱস্থাৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচ, শ্ৰেণী-গোষ্ঠী, নিৰ্যাতন বঞ্চনাহীন সমতাৰ সমাজ ব্যৱস্থা লাভেই আছিল তেওঁৰ কল্পনাৰ নতুন সমাজ।

আকৌ পাহাৰ-ভৈয়ামৰ সৰুবৰ জাতি-উপজাতি মিলি সমন্বয়ৰ বৰ অসম গঢ়া চিন্তাই আছিল এইগৰাকী মহান শিল্পীৰ জীৱনৰ মহামন্ত্ৰ। যাতে বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিয়ে অসমীয়া সমাজখন চহকী কৰি এখন আদৰ্শ সমাজ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে। তেওঁৰ কল্পনাৰ সেইখন এনে এখন অসমীয়া সমাজ, য'ত বাস কৰা প্ৰতিজন লোকে যাতে নিজৰ আত্মচেতনাক জাগ্ৰত কৰি এক মাহন আৰু প্ৰতিটো দিশেৰে চহকী এখন বহল মানুহৰ সমাজ গঢ়ি তোলাতো সম্ভৱ হৈ উঠে। দলিতজন, শোষিতজন, নিৰ্যাতিতজন আছিল তেওঁৰ চিন্তাৰ কেন্দ্ৰবিন্দু। সেইসকলৰ উদ্ধাৰৰ কাৰণেই অথবা প্ৰকৃত অৰ্থত মুক্তিলাভৰ কাৰণেই তেওঁ মাটিৰ বুকুলৈ নামি আহি সেইসকলৰ মাজতে নিজক বিলাই দিছিল। নিজকে খাটি অসমীয়া বুলি কৈ গৌৰৱবোধ কৰা বিষ্ণুপ্ৰসাদ ৰাভা আজিৰ অসমৰ শেহতীয়া পৰিৱেশত প্ৰাসংগিক হৈ পৰিছে। বৰ অসমৰ সপোন দেখা সেইখন অসমৰ বুকুতে আজি এটা সম্প্ৰদায়ৰ লগত আন এটাৰ ভাতৃঘাটী সংঘাত। গোষ্ঠীগত দ্বন্দ্বই মানুহৰ জীৱনবোধ অৰ্থহীন কৰি তুলিছে। আজিৰ তৰুণ প্ৰজন্মই ওপজা মাটিৰ গোন্ধ ভাল নোপোৱা হৈছে। পশ্চিমীয়া বতাহৰ ঢৌৰ কোবাল গতিয়ে এতিয়া বেছিকৈ কোবাব ধৰিছে। আদৰ্শবাদতকৈ আদৰ্শহীনৰ সংখ্যাই ঘঘুমলাৰ ৰূপ লৈছে। সেৱা আৰু ত্যাগৰ মনোভাৱতকৈ বিলাস-বৈভৱ আৰু ভোগবাদে মানুহৰ মানসিক জগতখন ঢাকি ধৰা দেখা গৈছে। জীৱনৰ মূল্যবোধ, মানৱীয় মূল্যবোধ, সহমৰ্মীতা আদি শব্দবোৰ হৈ পৰিছে কেৱল মাত্ৰ অলংকাৰ স্বৰূপ। ইয়াৰ লগে লগে ব্যক্তি স্বাৰ্থই মানুহক অন্ধ কৰি পেলোৱা দেখা গৈছে। এনেদৰেই সমাজখনক বিভিন্ন দিশেৰে ব্যাধিযুক্ত কৰি তোলাত সমাজ সচেতকসকলৰ বাবে থৰকাচুটি হেৰুওৱাৰ উপক্ৰম হৈছে। তথাপিও হতাশাই বিবৰ্ণ কৰি তুলিব পৰা নাই সেইসকলৰ বাবেই, যিসকল প্ৰগতিবাদী কলাসাধক অথবা শিল্পীয়ে দুষ্কৃতিৰ ওচৰত শিৰনত কৰিবলৈ শিকা নাই। সেই সকলেই আজি বিষ্ণুপ্ৰসাদ ৰাভাৰ অভাৱ পূৰণত অৰিহণা যোগাই আহিছে।

নিষ্পেষিত জনগণৰ হিয়াৰ আমঠু বিষ্ণুপ্ৰসাদ ৰাভাৰ আভাই নতুন সূৰ্য্যৰ নতুন দিগন্ত উন্মোচিত কৰক। সমাজৰ প্ৰতি, অসমীয়া জাতিটোৰ প্ৰতি থাকিবলগীয়া নৈতিক দায়বদ্ধতাৰ কথা চিন্তা কৰাৰ পৰত জ্যোতি-বিষ্ণুকো স্মৰণ কৰো আহক।❑

# ৰঙিয়া জিলাৰ বা-বাতৰি

## নাট সমাৰোহৰ আদৰণী সমিতিৰ গঠন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, সংস্কৃতি শাখাৰ সৌজন্যত আৰু ৰঙিয়া জিলা শাখাৰ আতিথ্যত অহা অক্টোবৰ মাহত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় নাট সমাৰোহভাগি সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ যোৱা ০৪/০৫/২০১৪ তাৰিখে ৰঙিয়া জিলা শাখাৰ কাৰ্যনিৰ্বাহক সভাত আদৰণী সমিতিখন গঠন কৰা হয়। সুকুমাৰ কলিতাবাপক সভাপতি, লক্ষী ৰাজবংশীবাপক উপ-সভাপতি আৰু প্ৰাণেশ্বৰ তালুকদাৰবাপক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১জনীয়া এখন শক্তিশালী আদৰণী সমিতি গঠন হয়। উল্লেখযোগ্য যে উক্ত নাট সমাৰোহভাগি ৰঙিয়া জিলা শাখাৰ নামঘৰ, বাইহাটা চাৰিআলি আৰু গোবেশ্বৰত অনুষ্ঠিত কৰাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে।❑

## সভাপতি-সম্পাদক সন্মিলন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ৰঙিয়া জিলা শাখাৰ এখন সভাপতি-সম্পাদক সন্মিলন ৰঙিয়া জিলাৰ বৰনামঘৰত অনুষ্ঠিত হয়। সভাত জিলা শাখাৰ প্ৰায় দুশ প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদক, তেৰখন আঞ্চলিক শাখাৰ সভাপতি-সম্পাদকৰ সৰহসংখ্যকে উপস্থিত থাকে। সভাত উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে দিহা-পৰামৰ্শ দি জিলা শাখাৰ সাংগঠনিক ভেঁটি সুদৃঢ় কৰা বাপসকলৰ ভিতৰত উপ-পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকাবাপ, মূলৰ সদস্য নৰেশ্বৰ ডেকাবাপ, মূলৰ প্ৰচাৰ শাখাৰ সদস্যা ৰুণুমী ডেকাআই, শৰণ সদস্যদ্বয় বীৰেন দাসবাপ আৰু টঙ্কেশ্বৰ ডেকাবাপ। জিলা শাখাৰ কাৰ্যনিৰ্বাহকৰ সমূহ বিষয়ববীয়া উপস্থিতিত সভাখন পৰিচালনা কৰে জিলা শাখাৰ সভাপতি শৰৎ চন্দ্ৰ ডেকাবাপে।

সভাত সাংগঠনিক দিশত বহুতো আলোচনা কৰা হয়। মূলসঙ্ঘই জিলা শাখাত অক্টোবৰ মাহত অনুষ্ঠিত কৰিবলগীয়া নাট সমাৰোহভাগি জিলা শাখাই তিনি ঠাইত ক্ৰমে জিলা নামঘৰ (ৰঙিয়া), বাইহাটা চাৰিআলি আৰু গোবেশ্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰে। আজি সভাতে জিলা শাখাৰ ন্যাস পুঁজিলৈ মূলৰ প্ৰচাৰ শাখাৰ সদস্যা ৰুণুমী দত্তডেকা আয়ে তেখেতৰ স্বামী প্ৰয়াত হৰিচৰণ ডেকাৰ সোঁৱৰণত ১,০০০০০ (এক লাখ) টকা দান দিয়াৰ কথা ঘোষণা কৰে। সভা তেখেতৰ বদন্যতাক কৃতজ্ঞতা জনাই আৰু এজোকা ঘোযাৰে আশীৰ্বাদ দি তেখেতৰ দান গ্ৰহণ কৰে।❑

## আদৰণী সমিতিৰ গঠন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ৰঙিয়া জিলা শাখাৰ ৩৪ সংখ্যক অধিৱেশনভাগি এইবেলি জিলা সাখাৰ কৰ্মপঞ্জী অনুসৰি পাৰ্থ সাৰথি আঞ্চলিক শাখাত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা ২৩ আৰু ২৪ জানুৱাৰী ২০১৫ চনত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া অধিৱেশভাগি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যোৱা ১৪ মে' তাৰিখে এখনি সাধাৰণ সভা পাৰ্থসাৰথি আঞ্চলিক শাখাৰ নামঘৰত অনুষ্ঠিত হয়। নৰেশ্বৰ ডেকাবাপক মুখ্য সভাপতি, উত্তম তালুকদাৰবাপক কাৰ্যকৰী সভাপতি, খহেন্দ্ৰনাথ ডেকাবাপক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণী সমিতি গঠন কৰা হয়। জিলা শাখাৰ আই-বাপ আৰু স্থানীয় ৰাইজৰ সহযোগত অধিৱেশনভাগি সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে আদৰণী সমিতি অঙ্গীকাৰবদ্ধ।❑

# গোহাৰি

শ্ৰীমন্ত শঙ্কৰ সঙ্ঘৰ উদ্যোগত গঢ় লোৱা অসমৰ প্ৰথমখন ব্যক্তিগত খণ্ডৰ জাতীয় বিশ্ববিদ্যালয় 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়'ৰ প্ৰতি অসম তথা ভাৰতৰ বিভিন্ন ঠাইৰ পৰা নানান শুভেচ্ছা বাণীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছে। যিসকল মহানুভৱে আৰ্থিক দান-বৰঙণি আগবঢ়াবলৈ ইচ্ছা প্ৰকাশ কৰিছে সেই সকলৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰি তেখেতসকলৰ সুবিধাৰ্থে সঙ্ঘৰ বিশ্ববিদ্যালয়ৰ বেংক একাউন্টৰ নম্বৰটো উল্লেখ কৰা হ'ল। ইচ্ছুক বাপ-বান্ধৱক Mahapurush Srimanta Sankaradeva Viswabidyalaya (MSSV) a/c no. 33213066580, Branch - Haiborgaon, State Bank of India শাখাত দান-বৰঙণি জমা দিবলৈ সেৱা ধৰা হ'ল।

সেৱাৰে
বাবুল বৰা
প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# ডেকাগিৰীলৈ লেখা আহ্বান

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যুৱক-যুৱতীসকলৰ উদ্দেশ্যে প্ৰকাশ কৰা **ডেকাগিৰী** আলোচনীখনিৰ প্ৰকাশৰ দিহা কৰা হৈছে। অহা নবেম্বৰ, ২০১৪ত হ'বলগীয়া শিশু, আই-মাতৃ আৰু যুৱ সমাৰোহত প্ৰকাশ কৰিবলগীয়া যুৱ মুখপত্ৰখনিৰ বাবে উপযোগী গল্প, কবিতা, প্ৰবন্ধ, কাহিনী, আলেখ্য আদি লেখাসমূহ অহা ৩০ ছেপ্টেম্বৰ, ২০১৪ৰ ভিতৰত তলৰ ঠিকনাত প্ৰেৰণ কৰিবলৈ সেৱা ধৰা হ'ল।

ড° মিলন নেওগ
সম্পাদক, ডেকাগিৰী
মূল কাৰ্যালয়, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ,
হলধৰ ভুঞা পথ, কলংপাৰ, নগাঁও-৭৮২০০১

# গোহাৰি

শ্ৰীমন্ত শঙ্কৰ সঙ্ঘৰ সংস্কৃতি শাখাৰ উদ্যোগত আৰু তেজপুৰ জিলা শাখাৰ ব্যৱস্থাপনাত অহা ২/৭/১৪ৰ পৰা ৯/৭/১৪ তাৰিখলৈ শঙ্কৰী সংগীতৰ কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰভাগি আয়োজন কৰা হৈছে। উক্ত প্ৰশিক্ষণ সত্ৰলৈ প্ৰতি জিলা শাখাৰ পৰা ৮গৰাকী শিল্পী পঠাবলৈ অনুৰোধ জনালো। বিশেষকৈ জিলা/ আঞ্চলিক শাখা পাঠদান প্ৰদান কৰা শিল্পী শিক্ষক/ শিক্ষয়িত্ৰীসকলৰ উপস্থিত থাকিব লাগিবলৈ অনুৰোধ জনালো।

**নীতি নিৰ্দেশাৱলী ঃ**

১. ভৰ্তি মাচুল ১৫০ টকা জমা দিব লাগিব।
২. জিলা শাখাৰ সভাপতি/ সম্পাদকৰ স্বাক্ষৰত অহা শিল্পীকহে অংশগ্ৰহণ কৰা সুবিধা দিয়া হ'ব।
৩. বহী, কলম, বিচনা, বাদ্যযন্ত্ৰ, কিতাপ আদি লগত আনিব।
৪. ২/৭/২০১৪ সন্ধিয়া ৬ বজাত সকলো প্ৰশিক্ষাৰ্থী উপস্থিত হ'ব লাগিব।
৫. জিলা/ আঞ্চলিক শাখা থকা শঙ্কৰী সংগীত বিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰীসকলে জিলা শাখাৰ অনুশাসন ভক্ত কৰি প্ৰাথমিক/ আঞ্চলিক বা আন অনুষ্ঠানত প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত প্ৰশিক্ষনত যিসকল শিক্ষক-শিক্ষয়িত্ৰী শিল্পী উপস্থিত নহয়, সেই জিলা আৰু আঞ্চলিকত পাঠদান প্ৰদান কৰিব নোৱাৰিব। সেই ক্ষেত্ৰত জিলা শাখাই বিশেষভাৱে দায়বদ্ধ হ'ব।
৬. আৰম্ভণিৰ পৰা সামৰণীলৈ উপস্থিত থাকিব লাগিব।

**পথ নিৰ্দেশনা ঃ** ৫২নং ৰাষ্ট্ৰীয় পথেৰে তেজপুৰৰ পৰা বিশ্বনাথ হৈ লখিমপুৰলৈ যোৱা গাড়ীত গৈ জামুগুৰিত নামিব।

**পৱিত্ৰপ্ৰাণ বৰা**
সম্পাদক, সংস্কৃতি শাখা, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ

# গোহাৰি

শ্ৰীমন্ত শঙ্কৰ সঙ্ঘৰ সংস্কৃতি শাখাৰ আঁচনি অনুসাৰে ডিব্ৰুগড়, যোৰহাট, নগাঁও, তেজপুৰ, লখিমপুৰ, গুৱাহাটী, বঙাইগাঁও— এই মণ্ডলকেইটাত প্ৰতি আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সভাপতি/ সম্পাদক বাপসকলক লৈ একোখন জাগৰণ সভা আয়োজন কৰা হ'ব। উক্ত সভাত প্ৰতিখন জিলা/ আঞ্চলিক শাখাৰ সভাপতি-সম্পাদক বাপসকলৰ উপস্থিত থাকিবলৈ অনুৰোধ জনালো। সভাৰ স্থান, বাৰ, তাৰিখ তলত উল্লেখ কৰা হ'ল।

| | | | | | |
|---|---|---|---|---|---|
| ডিব্ৰুগড় মণ্ডল | ঃ | শিৱসাগৰ | যোৰহাট মণ্ডল | ঃ | গোলাঘাট |
| নগাঁও মণ্ডল | ঃ | নগাঁও | গুৱাহাটী মণ্ডল | ঃ | হাজো |
| বঙাইগাঁও মণ্ডল | ঃ | বঙাইগাঁও | তেজপুৰ মণ্ডল | ঃ | বিশ্বনাথ |
| লখিমপুৰ মণ্ডল | ঃ | ধেমাজি | | | |

**বিঃ দ্ৰঃ-** ১. প্ৰতি জিলা শাখালৈ পত্ৰযোগে তাৰিখ জনোৱা হ'ব। ২. শনিবাৰে সন্ধিয়া ৭ বজাত অনুষ্ঠিত কৰা হ'ব। ৩. প্ৰতি আঞ্চলিক সংস্কৃতি শাখাৰ প্ৰগতিশীলতা বাবে লোৱা আঁচনি যাতে সু-সম্পাদন কৰে। ৪. জিলা, আঞ্চলিক, প্ৰাথমিক শাখাত উৎসৱ যাতে ধৰ্মধ্বজা উত্তোলনৰ সময়ত গুৰুঘাত প্ৰদৰ্শন কৰে তাৰ বাবে সকলোকে অনুৰোধ জনালো।
৫. শঙ্কৰী সংগীত পৰীক্ষা পৰিষদ যোগেদি শঙ্কৰী সংগীত পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিবলৈ প্ৰতি জিলা, আঞ্চলিক শাখাৰ প্ৰতি অনুৰোধ জনালো। ৬. প্ৰতি জিলা শাখাই প্ৰাথমিক/ আঞ্চলিক শাখাত নিয়োগ কৰা শিল্পী শিক্ষক-শিক্ষয়িত্ৰী নাম পোৱাৰ এমাহৰৰ ভিতৰত অনুমোদন ল'ব লাগিব। কোনো কাৰ্যসূচীত বিচাৰক, প্ৰশিক্ষণ প্ৰদান কৰিব নোৱাৰিব।

**পৱিত্ৰপ্ৰাণ বৰা**
সম্পাদক, সংস্কৃতি শাখা, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ

# ভাগৱত পাঠ

**বিশ্বনাথ চাৰিআলি ঃ** বিশ্বনাথ জিলা শাখাৰ বিশ্বনাথ আঞ্চলিক শাখাৰ অন্তৰ্গত বাঘমাৰী চাহ বাগিচাত বাঘমাৰী বৈষ্ণৱ সমাজ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিশ্বনাথ আঞ্চলিকৰ প্ৰচাৰ শাখাৰ সৌজন্যত যোৱা ১৪ মে'ৰ পৰা ২০ মে' তাৰিখলৈ সাতদিনীয়াকৈ ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰথম দিনাৰ ভাগৱত পাঠ উদ্বোধন কৰে বিহালী কলেজৰ অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীটুনটুন বৰাই। উক্ত অনুষ্ঠানত মহাপুৰুষ দুজনাৰ একশৰণ ধৰ্মৰ বিষয়ত ভাগৱত ব্যাখ্যা আগবঢ়াই নাৰায়ণপুৰৰ নগেন বৰুৱা, বিশ্বনাথ জিলাৰ শ্ৰীকান্ত ভাগৱতী। বিশ্বনাথ আঞ্চলিকৰ প্ৰচাৰ শাখাৰ সম্পাদক উৎপলজ্যোতি দাধৰাই। উক্ত কেইদিনত ভাগৱত পাঠ কৰে মন্দিৰা ভৰালী, জোনটি দাধৰা, যতীন বৰা, নাৰায়ণপুৰৰ বিজয় গুৱলা আদি ব্যক্তিসকলে। উক্ত সাতদিনৰ ভাগৱত অনুষ্ঠানত চাহ জনজাতি লোকসকলে গুৰুজনাৰ প্ৰকৃত উদ্দেশ্যটো উপলব্ধি কৰি গুৰুধৰ্মৰ প্ৰতি আকৃষ্ট হোৱাৰ পৰিলক্ষিত দেখা পোৱা গৈছে। লগতে কেইবাঘৰো চাহ জনজাতীয় লোকে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ অন্তৰ্ভুক্ত হোৱাৰ উদ্দেশ্যৰ কথাও আমাক জনাবলৈ দিছে।❑

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহন্ত (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, নিগণ বৈশ্য ঃ ব্যৱস্থাপক— ডাঃ জ্যোতিপ্ৰসাদ বৰা ঃ ৰূপসজ্জা-অক্ষৰ বিন্যাস— ৰমেন মেধি
সম্পাদক —খগেন্দ্ৰনাথ তালুকদাৰ (ফোন নং— ৯৪০১৬-৫৯৫০৯) সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ ফল্ট্ৰিয়াৰ পাৰিকেচন্স প্ৰাঃ লিঃ, গুৱাহাটী ৭৮১০১৬ত মুদ্ৰিত। সম্পাদক ঃ খগেন্দ্ৰনাথ তালুকদাৰ, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২